দীর্ঘনাসা নগরীয়ার

দাম্পত্য জীবন

দীৰ্ঘনাসা নগৰীয়াৰ
দাম্পত্য জীৱন

শ্ৰীযতীন গোস্বামী

জয়া প্ৰকাশন

DIRGHANASA NAGARIYAR DAMPATYA-JEEVAN :
A humourous presentation in the form of a novel written by Shri Jatin Goswami, Guwahati, published by Joya Prokashan, Guwahati-781003, and printed at the Joya Press, Guwahati. First Edition—1994
Price Rs. 25.00 only

প্ৰথম প্ৰকাশ : ১৯৯৪ □ প্ৰকাশক : জয়া প্ৰকাশন,
গুৱাহাটী- ৭৮১ ০০৩ □ ছপা : জয়া প্ৰেছ,
গুৱাহাটী - ৭৮১ ০০৩ □ বেচ খৰে ২৫.০০ টকা

॥ লিখকৰ দুষাৰ ॥

মাননীয় দীৰ্ঘনাসা নগৰীয়া এজন গণ্যমান্য ভদ্ৰলোক। এখন সমাজত তেওঁতৰ স্থান মস্ত ওখত। পূৰ্বতে গাওঁত আছিল। মানুহে 'গাওঁলীয়া' বুলি জোকোৱাৰ ভয়তে, নগৰত থকা হিচাপে, উপাধি সলনি কৰি নগৰীয়া (নগৰ + ঈয়া) কৰি ল'লে। পূৰ্বতে নামটো 'দীৰ্ঘনাসা' আছিল : ফেচাৰাম আছিল। ইমান দীঘল নাকটো দেখিও মাক-বাপেকে তেখেতৰ নাকটো ফেচা কৰিছে নাম থব পালেনে? সেইদেখি এদিন খঙতে একে-উশাহে ফেচা নামৰ মুণ্ড মাৰি একেবাৰে 'দীৰ্ঘনাসা' কৰি পেলালে। অৱশ্যে তেখেতে নিজে ভাবিছিল 'দীঘল-নকীয়া' বা 'দীঘল-নকা' এনে ধৰণৰ কিবা এটা নাম কৰি লয় বুলি; পিছে তেখেত থকা নগৰতে পালে এজন সংস্কৃত জনা বন্ধুক। তেওঁকে ক'লে, "কি গাওঁলীয়া গাওঁলীয়া কথাবোৰ কোৱাহে! নাম সলাব খুজিছা যদি সংস্কৃতীয়া কৰি পেলোৱা। অসমীয়াত নাম লৈ শুষ্কং কাষ্ঠং হ'বানে? সংস্কৃত কৰি দীৰ্ঘনাসা কৰি লোৱা। কবিতাৰ ছন্দ যেনে লাগিব—দী-ৰ্ঘ-না-সা-ন-গ-ৰী-য়া।" ফেচাৰামৰো ভাল লাগি গ'ল। পোনখুন্দাই লৰ দিলে কাছাৰিলৈ—বন্ধুৰ উপদেশ মতে। ভৱিষ্যতে কোনেও যেন সেই নামেৰে মাতিব নোৱাৰে তাৰ বাবে একেবাৰে হাকিমৰ ওচৰত এফিডেভিট দি দীৰ্ঘনাসা নগৰীয়া কৰি 'ৰেজেষ্টাৰ' কৰি ল'লে।

তেখেতৰ পত্নীও সেইমতে সমাজতে 'ইষ্টেণ্ডাৰ' ৰাখি উঠা; তেওঁলোকৰ ভৱিষ্যতৰ বংশধৰ·········ৰ কথাও পঢ়িলেই জানিব।

মুঠতে তেখেতৰ মধুময় দাম্পত্য জীৱনক কিতাপত লিপি-বদ্ধ কৰা হ'ল এই কাৰণেই যেন তেখেতৰ জীৱন, তেখেতৰ জীৱনৰ দৰ্শন আৰু পৰিয়াল গঢ়াৰ নমুনা আমাৰ অন্ততঃ ভাৰতৰ মানুহে স্থায়ীভাৱে কিতাপৰ পাতত পাই পঢ়ি থাকিব পাৰে আৰু সেই আদৰ্শনীয় জীৱন গঢ়ি আমাৰ ভৱিষ্যতৰ দম্পতিসকল পৰম সুখী হব পাৰে।

আচলতে এইখন কিতাপ এতিয়া ন-কৈ লিখা নাই। 'ৰঙ্গিমলী'ৰ সম্পাদক হিচাপে ৰেকৰ্ড কৰি যোৱা সম্পাদকীয়-বোৰক গোটাই আৰু সামান্য যোগ-বিয়োগ কৰি এখন কৰা হৈছে। সেইকাৰণে নামো দিয়া হ'ল 'দীৰ্ঘ বাসৰ দাম্পত্য জীৱন'। কিমধিকম্

কমাচল ৰোড   —যতীন গোস্বামী

গুৱাহাটী —৭৮১০০৩

00000000তেওঁলোকৰো এখন নিজৰ জগত আছে আৰু সেইখন জগতত তেওঁলোকে বিচৰণ কৰি আছে হেলাৰঙে। সেইখন জগতত একোখন নিজা নিজা সমাজো আছে, আৰু নিজৰ নিজৰ সমাজৰ তেওঁলোক নিজে নিজে একোজন নাগৰিক। তেওঁলোকৰো আধুনিক বুলি কোৱা বিজতৰীয়া আদৰ্শ আৰু সভ্যতা সংস্কৃতিৰ প্ৰভাৱত উৱলি যোৱা সামাজিক আৰু ব্যক্তি জীৱনৰ লগত পৰিচয় হোৱাৰ অদম্য হেপাহ আছে আৰু আছে তাৰে মাজেদি স্থিতিক প্ৰতিষ্ঠা কৰাৰ আগ্ৰহ000000000

দীৰ্ঘনাসাৰ দাম্পত্য জীৱন

শুভ-বিবাহ

শ্ৰীশ্ৰীপ্ৰজাপতয়ে নমঃ

সবিনয় নিবেদন,

পূৰ্ব্বাপৰ ৰীতি অনুসৰি আৰু আন আন বছৰৰ দৰে এই-বাৰো বিয়াৰ বতৰতে বহাগ মাহটোৰ ২৬ তাৰিখ (২৯ এপ্ৰিল) শুক্ৰবাৰে হৰ-গৌৰীক চিন্তি হব লগা শহুৰ-শাহুৰ আশীৰ্ব্বাদ শিৰত লৈ আৰু বুকুত সাহস বান্ধি পত্নীৰূপে আহিব খোজা শ্ৰীমতীক্তনীৰ মহান প্ৰেমক আগ কৰি লৈ বিবাহ-বন্ধনত সোমাবলৈ বুলি স্থিৰ কৰা হৈছে। উক্তপলক্ষে সেইদিনা বিবাহ-মণ্ডপত এখন্তেক দেখা দিলে নথৈ সুখী হ'ম। গাইগুটীয়াভাৱে নামাতি এনেদৰে হৈলা জাৰি কৰি কৰা নিমন্ত্ৰণৰ ত্ৰুটী মাৰ্জনীয়। ইতি—

বিনীত,
শ্ৰীদীৰ্ঘনাসা নগৰীয়া

পাঠক পাঠিকাসকল, ওপৰৰ চিঠিখনৰ পৰাই বুজি পাইছে নিশ্চয়। অৱশেষত বিয়া পতাটোকে ঠিক কৰিলোঁ। নতুন বছৰ পৰাৰ লগে লগে মনটোত লেখোন এইবাৰ বিহু বিহু মাতাদি বিয়া বিয়া লাগিছে। লাগিবই নিৰুকচোন ভাওৰ মানুহৰ কথা যেতিয়া কথাবোৰো বেলেগ ধৰণ

জানো ? আৰু এটা কথা, বিয়া যেতিয়া পাতিছোৱেই, মই বাৰু কাক মাতি কাষৰ নমতাকৈ থাকিম ? বিয়া এখন পাতিছো— বাইজক এসাজ নুখুৱাই, এবাৰ আনন্দ নকৰি, ঢোল-দগৰে হাতীৰ পিঠিত, নহলেও মটৰ গাড়ীত দৰা সাজি নাযাবলৈ মই কিবা কেউলীয়া-বিয়াৰে ওলাইছোনে ? মই কম্তি দিলৰ মানুহো নহয় জানেই, প্ৰাণত আছে অফুৰন্ত প্ৰেম আৰু মনত আছে সাংঘাতিক বিশ্বপ্ৰেম। গতিকে মোৰ নিমন্ত্ৰণ ৰক্ষা নকৰাকৈ আপোনাৰ জানো ভাল লাগিব ?

আপোনালোকৰ কোনোজনে হয়তো কব 'এই দীৰ্ঘনাসাটোৱেনো এনেদৰে বাজহুৱাভাৱেহে চিঠিখন দিব পাৰিনে ? আমাক কিবা ... পাইছে নেকি যে বিজ্ঞাপন চাই দিয়া খাবলৈ যাম ?'

অৱশ্যে কথাটো একেবাৰে যে নহয় তেনে কথা মই কব নোৱাৰো ; কিন্তু মই নিৰুপায়। এবাৰ ভাবিলো বাতৰি কাকতত্তেই বিজ্ঞাপন দি সকলোকে মাতো নেকি ? পিছে বাতৰি কাকতেৰে বিয়াৰ নিমন্ত্ৰণক আকৌ কোনে কি ধৰণে লয়! অথচ মোৰ মন মই সকলোকে মাতো। কিন্তু কেনেকৈ আপুনিয়েই কওকচোন। এই পৃথিৱীখনত, পৃথিৱীত নালাগে অসমতেই ইমানবোৰ মোৰ সম্বন্ধীয় মানুহ আছে, মই জানো সকলোৰে নাম ঠিকনা পাওঁ। অন্ততঃ আপোনাক বাদ দি মই এনে কাণ্ডখন কৰিব নোৱাৰো। আৰু লোকে শুনিলে কবইবা কি ? মই জনা নজনা বহুত – বহুত, কিয় – অসমৰ লক্ষ লক্ষজনে মোক জানে বুলি ভাবো, আৰু মোক যেনিবা নাজানিলেই এই মোৰ আপোন অসমখনৰ বাসিন্দা (স্বদেশীয়েই হওক বা বিদেশীয়েই হওক) সকলৰ কাক মাতি মই কাক এৰো ?

মই ভাবো যে মই নিমন্ত্ৰণ কৰিলো বুলিয়েই ভৰি ভাঙি, লেঙুটি ছিঙি যে আপুনি মোৰ বিয়া খাবলৈ আহিব লাগিব তেনে কথাও হব নোৱাৰে। আপোনাৰ সুবিধা-অসুবিধাৰ কথাও কিবা নাই নেকি ? তাতে আকৌ আজিকালিৰ যুগটোও বেলেগ হৈছে। বিয়া এখন পাতিলে মোৰ ফালৰ যোগাৰ-যোখাৰৰ উপৰিও নিমন্ত্ৰিত হিচাপে আপোনাৰ ফালৰো যোগাৰ যোখাৰ লগা হয়। দিন-কাল বেয়া হ'ল, বস্তু বাহানিৰ দাম বাঢ়িল। গতিকে কোনোমতে বম খৰছতে আপুনিও কেনেদৰে মোৰ নিমন্ত্ৰণ ৰক্ষা

কৰিব পাৰে সেই চিন্তা কৰাচোঁও জানো মোৰ কাম নহয় ?

প্ৰথমতে খৰচ—আপোনাক নিমন্ত্ৰণ কৰা মানে আপোনাৰ অভ্যৰ্থনাৰ কাৰণে চকী, মেজ, গেট, বিড়ী-চিগাৰেট, দৈ, ক্ৰিম, চিৰা, মিঠৈ ইত্যাদিৰ বাবদ ডিফাৰেণ্ট হেডত ডিফাৰেণ্ট খৰচ। এটা সাধাৰণ হিচাপ দিওঁ চাওক :

বিয়ালৈ আহিব বুলি ভবা নিমন্ত্ৰিতৰ সংখ্যা :

১। (ক) ভদ্ৰলোক (পায়জামা পাঞ্জাবী পিন্ধা, ধুতি চোলা পিন্ধা ইত্যাদি)—

—১০ জন

(খ) ভদ্ৰলোক (নিমন্ত্ৰণ নোপোৱাকৈ অহা বা পেণ্ট-চাৰ্ট, চুট-টাই লগোৱা, হাফ মৰা পেণ্ট-চোলা পিন্ধা ইত্যাদি)

—১০০০ জন

২। (ক) ভদ্ৰ মহিলা (মেখেলা চাদৰ পিন্ধা, শাৰী পিন্ধা, আধুনিক ধৰণেৰে মেক আপ কৰা, পুৰণি ধৰণৰ মেকআপ কৰা)—

- ৭৫০ গৰাকী

(খ) অন্যান্য তিৰোত — —২০০ গৰাকী

(গ) লৰা-ছোৱালী (নিমন্ত্ৰিতৰ লগত অহা) ৫০০ জন

ঐ (অনিমন্ত্ৰিত) ৩০০ জন

মুঠ—১৮১০ জন

(খৰচ ২০০০ জন)

(এই হিচাপত ঘৰৰ লগাভগা আৰু এদিনৰ বিয়া খাবলৈ সাত দিনৰ আগৰে পৰা আহি বিয়াৰ সাত দিনৰ পিছলৈ নোযোৱা মিত্ৰিৰ কুটুম্বক অন্তৰ্ভুক্ত কৰা হোৱা নাই।)

<u>মোৰ ভাগৰ খৰচ :</u>

১। এহেজাৰজন মানুহ একেলগে বহিব পৰা বস্তা সজা খৰচ—

১০,০০০'০০ টকা ; একজনৰ ভাগত পৰিব ২'০০ ,,

২। এদিনৰ চকী ভাড়া—একজনৰ ভাগত পৰিব ·· ··· ১ ০০ ,,

৩। লাইট, বেণ্ডপাটিৰ খৰচ আদিত একজনৰ ভাগত······ ২'০০ ,,

৪। গিলাচ, প্লেট আদিৰ ভাড়া— একজনৰ ভাগত ··· · ৩'০০ ,,

পাইপতি অভ্যৰ্থনাত (যেনে তামোল, বিড়ী চিগাৰেট, চৈ-চিঁৰা, মিঠৈ আদিৰ প্লেট ইত্যাদিত) কমেও — একোজনৰ ২০·০০ ,,

৫। পেট সাজোঁতে হোৱা খৰচৰ মুঠ হিচাপৰ একজনৰ ভাগত খৰচ পৰিব - ৩·০০ ,,

৬। অন্যান্য— ৫·০০ ,,

৭। ৰিক্সা, ঠেলা, গাড়ী, নৰা পাটিৰ লগত আপুনি যাব লগা বাহৰ ভাড়া ইত্যাদিত পৰিবহন বাবদ খৰচ একোজনৰ ভাগত - ৪·০০ টকাকৈ

৮। ভৱাক আপত্তিৰৈলে হোৱা-নোহোৱা ক্লাব, লাইব্ৰেৰী, পিকনিকৰ কথা ভৱা দল, স্কুল কলেজ, সভা-সমিতি নামঘৰ আদিৰ বাবে হেন্ডাৰ ধৰা বাবদ আনুমানিক খৰচ — ৪০০০·০০ টকা

অৰ্থাৎ একজনৰ ভাগত -- ২·০০ টকা

অন্যান্য— ৫·০০ টকা

মুঠ একজনৰ ভাগত— ৪২·০০ টকা

অৰ্থাৎ আপোনালোকৰ একজনৰ কাৰণে যোগাৰ কৰোঁতে মোৰ খৰচ পৰিব ৪২·০০ টকাকৈ

আপোনাৰ ভাগৰ খৰচ :

১। বিয়ালৈ আহিবলৈ যোৱাক দিয়া কাপোৰ এসাজ (নিজৰ নহলে আইনৰ পৰা এদিনৰ কাৰণেও ধাৰে লব পাৰে) ৪·০০ টকা

২। বাট খৰচ পড়ে— —২০·০০ ,,

৩। মোৰ বিয়ালৈ আহি কৰা সময়ৰ খৰচ (দিন হাজিৰা কৰা সাধাৰণ মজুৰজনৰ মজুৰী বুলি ধৰিলেও) হিচাপে —৩৫·০০

৪। বিয়াত দিব খোজা উপহাৰৰ মূল্য অন্ততঃ —৩০·০০

৫। মোৰ বিয়াত খাই হব পৰা পেটৰ অসুখৰ দৰৱ (ডাক্তৰক দেখুৱাব নালাগে) — —৫·০০

৬। অন্যান্য— .... — ৫·০০

অৰ্থাৎ এজন নিমন্ত্ৰিতৰ ভাগৰ মুঠ খৰচ ১১১·০০

—(ধৰক আপোনাৰ হুশ টকা)

এতিয়া মুঠ আপোনাৰ খৰচ— ২০০·০০
মোৰ পৰা পাব— ৪২·০০

মুঠ আপোনাৰ খৰচ - ১৫৮·০০

পতিকে আপুনি এটা কাম কৰিব পাৰে। আপুনি নিমন্ত্ৰণো ৰক্ষা কৰিব পাৰে, আপোনাৰ খৰচো কমাব পাৰে। মোৰ বিবেচনা মতে আপুনি যদি বিয়ালৈ নাহে (নহাটোৱে আপোনাৰ বাবে মঙ্গলজনক হ'ব যেন পাওঁ) এই কেইটা খৰচৰ পৰা হাত সাৰিও মোৰ নিমন্ত্ৰণ ৰক্ষা কৰিব পাৰে, যেনে —

বিয়ালৈ অহা সাজ, বাট খৰচ, দৰৰ আদিত হ'ব লগা মুঠ ২০০·০০ টকা খৰচৰ পৰা আপুনি বেহাই পাব। অৱশ্যে উপহাৰত খৰচ কৰিব লগা ধন ৩০ ০০ টকাৰ পৰা যদি মই অভ্যৰ্থনাত কৰিব লগা খৰচ খিনি বাদ দিওঁ, তেতিয়া হ'লে আপোনাৰ ভাগত মাত্ৰ বাৰ টকাহে পৰে। এই টকা বাৰটা যদি কম বুলি দিবলৈ লাজ কৰে তেন্তে তাৰ লগত সাত টকা যোগ কৰি মুঠ বিশ টকা আপুনি মনি-অৰ্ডাৰ কৰি মোলৈ পঠাই দিলেই হ'ল (লাগিলে মনি অৰ্ডাৰৰ খৰচখিনি আপুনি কৰিলেও বৰ ডাঙৰ ক্ষতি নহয়। এনে ব্যৱহাৰত আপুনি যে নিমন্ত্ৰণ ৰক্ষা কৰিছে এই কথা মই কেৱল উপলব্ধি কৰাই নহয়, হৃদয়ঙ্গমো কৰিম, আৰু আপুনিও মোৰ নিমন্ত্ৰণত সহাৰি দি সেই আনন্দকণ সমানে উপভোগ কৰিব পাৰিব।

আপোনালোকৰ বহুতে হয়তো ভাবিব পাৰে যে বিয়াখন পাতি এই দীৰ্ঘনাসাই অভ্যাগতৰ কথা কৈ আচলতে এখন বেপাৰহে কৰিব খুজিছে—এই বুলি। মইতো আৰু আপোনালোকক মোৰ অন্তৰৰ কথা খিনি বুকু ফালি দেখুৱাব নোৱাৰো। আপোনালোকৰ বহুজনেই হয়তো গম নাপায় যে মই দহজনৰ কাৰণে মৰিব — মৰিব কিয় —প্ৰাণ পৰ্য্যন্ত ত্যাগ কৰিব পাৰো। সেইবুলি মই মোৰ বিয়াখন পাতিলো বুলিয়েই যে আপোনালোকৰো 'দুৰ্গতি' হ'ব লাগিব এনে কথা হ'ব নোৱাৰে। আৰু এটা কথা—আপোনালোকৰ কোনোজনে হয়তো ভাবিব যা যবক ছুই

এক্কে কোৱা কুইও কৰিব –'ইমান দিনে আমি সপৰিয়ালে চেপাহ কৰি থকা বিয়াখন খোৱাৰ সুদাও মাৰি থ'লে; লাগিলে কতি আমাৰেই হল-হৈছেন—লোকচান কি আছিল'' হেৰি ভাতৃবীয়া, আপোনাৰ অন্তৰৰ বেদনা মই নুবুজিছা বুলি ভাবিছে নেকি ? সপৰিবাৰে বিয়া খোৱা অভিজ্ঞতা নিজৰ নহলেও দুই-চাৰিৰ দেখিছো দিয়ক ' বেছিকৈ নকৈ থোৱতে কওঁ বাক :

ধৰক বিয়ালৈ যোৱাটোৱে ঠিক হৈছে। কাইলৈ বিয়া, নাইবা ধৰক আজিয়েই বিয়া। বিয়াৰ আগমুহূৰ্তত উপহাৰ অৰ্থাৎ প্ৰে জণ্টেচন আদি যোগাৰ কৰি 'ৰেডী' হৈছে। এনেতে ধৰক আপোনাৰ পৰিবাৰৰ বাহিৰ ওলাব নোৱাৰা বিধৰ কিবা এটা লেঠা হওক, নাইবা ধৰক, আপোনালোক ওলাইছে সাজি-কাচি— এনেতে আহক আপোনাৰ খুলশালী বা সেই জাতীয় কোনোজন নোখোৱা নোৰোৱাকৈ। গৃহিণীয়ে এতিয়া যায় কেনেকৈ ?

পেটত উঠিছে মস্ত খং, অথচ মুখ খুলি কবও নোৱাৰে। খঙৰ কোবত গাৰ কাপোৰ দিব দলিয়াই শোৱনী বিচনালৈ বা আলনালৈ। ভাবিব: 'এই সোপাই মৰিবলৈ আৰু সময় নাপালে!' এতিয়া নিমন্ত্ৰণ ৰক্ষা কৰিব লগাকৈ থাকিল একমাত্ৰ আপুনি। তেনে অৱস্থাত নিমন্ত্ৰণ খাবলৈ আপুনি ৰেডী হোৱাৰ পৰত আপোনাৰ পৰিবাৰে হয়তো 'কাটিং' মাৰি মাৰি কব, ''নেদেখিছা, মই নোযোৱা সুবিধাতে একেবাৰে নিজে বিয়াৰ দৰাটো ওলোৱাদি ওলাইছে, যাওক অমুকৰ ছৈণীয়েকো (বা জীয়েকো) যাব নহয়। মই লগত নাথাকিম যেতিয়া আৰু কোনে পায় অলপ এচেল ঘঁহি যাওক .. .'' ইত্যাদি ইত্যাদি। আৰু যদি বৰযাত্ৰী হব পৰা সম্ভাবনা থাকে, তেতিয়া হলেতো কথা আৰু গহীন। সিজনীয়ে হয়তো তৃতীয় ব্যক্তিক কোৱাৰ নিচিনাকৈ কব, ''...... কইনা ঘৰলৈ গৈ কাৰ চকু কত থাকে কেনেকৈ জানিবা ? চকু কিবা দৰা-কইনা, হোম-যজ্ঞৰ ওপৰত থাকিবনে ? বিয়া কথাই বুঢ়া হ'ল—এতিয়াও কোৰটো কিমান চাবা! আঙুঠি মেল তোৰা চুকা কৰি দৰাৰ পাছে পাছে পোন

খুল্লাই ঘৰৰ ভিতৰ সোমাবলৈ নহয় ... ছোৱালী জোকোৱাত আপুনো কম !"

এনেবোৰ কথাই কাৰ অন্তৰত কেনেদৰে প্ৰতিক্ৰিয়া কৰে মই কব নোৱাৰো যদিও অনুমান কিন্তু কৰিব পাৰো। নিজৰ ঘৰৰ ভিতৰতেই যদি মোৰ-তিয়াৰ নামত এনেকুৱা খণ্ড যুদ্ধ এখন হৈ যায় তেনেহলে বিয়ালৈ আহা বাটত নতুবা দৰাঘৰীয়া জাকজমকৰ মাজলৈ ঘৰলৈ আহিও আপুনি কি শান্তিত বিয়াখন খায় কওঁকচোন। হেৰি ?

নতুনা ধৰণ পৰিবাৰক লগত লৈ আপুনি বিয়ালৈ আহিব পাৰিছে। বিয়া ঘৰ, মাইকী মানুহ ভিতৰত—মতা মানুহ বাহিৰত। তেখেতক পঠাই দি আপুনি বাহিৰত যথাযথভাৱে খোৱা-বোৱা শেষ কৰি বৈ আছে। ইফালে লিমিটেড চীট, খোৱা শেষ কৰিয়েই যেন আপুনি উঠি গুচি যায় আৰু আপোনাৰ চকীখনত নতুন একনক বহুৱাব পাৰি তেনে ব্যৱস্থা কৰিছে এহেজাৰ চকী পাৰি থোৱা হৈছে। এতিয়া মুস্কিল হল, আপোনাৰ খোৱাও শেষ হল, চিনাজনা দুই-চাৰিৰ লগত পৰাখিনি কথাও কৈ শেষ কৰা হ'ল নতুন মানুহ আহিও বহা চকীৰ অভাৱত থিয় হৈ আছে আৰু অভ্যৰ্থনা সমিতিৰ দুই-চাৰিজনৰ দৃষ্টিও আপোনাৰ চকী (অৰ্থাৎ আপোনাৰ) ওপৰত পৰাই কেৱল নহয়—মনে মনে হয়তো ভাবিছে 'এইজনে খালে বলে, এতিয়া উঠি নাযায় কিয় ?', অথচ ভিতৰৰ পৰা সিজনী ওলাই নহাত আপুনিও উঠি আহিব নোৱাৰি এটা ভুচুং পচুৰ দৰে বহ লগা হৈছে। ভিতৰি ভিতৰি 'মস্ত' খং উঠিছে আপোনাৰ, —'এই মৰতীজনী নাহেনো কেলেই অ' বুলি। বহুত পৰ এনেদৰে যোৱাৰ পিছত যেনিবা তামোল চোবাই চোবাই গাল মুখ ৰঙা কৰি হাঁহি হাঁহি ওলাই আহি আপোনাকেই কব— 'হ'লনে আপোনাৰ এনেক।" খঙতে 'ওলাই গেট পাৰ হৈ আপুনি হয়তো সুধিব " কি কৰিছিলা ইমান দেৰী—মোৰ অসহ্য লাগি গৈছিল।' আপোনাৰজনীয়ে হয়তো কব, "খাব নিদিলেনো আহো কেনেকৈ ? বিয়ালৈ আহি নোখোৱাকৈ আহিব পাৰিনে

গল এক কথাতে আপুনি ঠাণ্ডা হৈ। সিফালে আপোনাৰ গৃহিনীয়ে

আপডতেই খোৱা-বোৱা শেষ কৰি কোনো সহপাঠিনী বা সোল ঘটীয়া বান্ধৱীক পাই ফুচুৰি মেলৰ মহলা মাৰি সাতভাৰত্ত বিদায় কৰি আছিল আপুনি কিবা চাবলৈ যাবনে ? তেওঁৰা আকৌ কোনোবা বান্ধৱীৰ লগত দেখাত শুৱনি ল'ৰা নে'চোৱাকৈ ৰহি আছিল বুলি কব পাৰিবনে ? মুঠতে আপুনি এক কথাতে ঠাণ্ডা হৈ গ'ল ।

এই গল— এক নম্বৰ । আৰু ধৰক এনেকুৱাও হব পাৰে যে মিচেছ। ওলাই অহা নাই, আপুনিও চিনাকি এজনৰ লগত অলপ চিৰিয়াছ ধৰণৰ বিষয় লৈ কথা পাতিছে যদিও যি কোনো মুহূৰ্ততে তেওঁ ওলাই আহিব পাৰে বুলি সঘনাই সিফাললৈও চাই আছে, কথাত ভালকৈ মনোনিৱেশ কৰিব পৰা নাই । ধৰি লওক আপোনালোকৰো কথা জমি আহিছে—এনেতে ওলাওকহি ভিতৰৰ পৰা আপোনাৰজনী । তেখেতক দেখা মাত্ৰেই য'ৰ কথা ত'তে পেলাই "আমাৰ তেওঁ আহিলেই, যাওঁ দেই—নমস্কাৰ" বুলি কৈ আধা কথা আধাতে এৰি আহিব লগা হ'ল । (যদিহে কেনেবাকৈ তেখেত ওলাই অহাৰ পিছতো আপুনি তেখেতক 'ৰবা' কৰি কথা পাতি আছিল, তেতিয়া পেট পাৰ হৈয়েই পাৰ নহয় মজাপালি !)

আৰু ধৰক গৃহিনী ওলাই নহা দেখি আপুনিয়ে মৰসাহ কৰি গল ভিতৰলৈ সোমাই গল — মহিলাসকলক কহুৱাই ৰখা ঠাইলৈ । তেতিয়া বাকী মহিলাসকলৰ চকু হব স্থিৰ — আপোনাৰ ওপৰত । গালে মুখে সেন্দুৰ এসোপা ঘঁহাৰ নিচিনা ৰঙা-ছিঙা পৰি লৈ কোনোমতে গৃহিনীক ক'লেগৈ — "কি কৰা— হেৰা, হোৱা নাইনে ?"

তেতিয়া কোনোবাজনী (খুলশালীনী) ওচৰলৈ আহি বাকী তিৰোতাসকলে শুনাকৈ কয়, "ভিনদেওৰে কি আৰু ! অত বছৰে দিনে নিশাই চাই আছে—এই এখন্তেক নেদেখিয়েই হাহাকাৰৰ লগাৰ লাগেনে বাৰু ? যাব দিয়ক ভিনদেও — আজি ৰাখি নথওঁ ।" তেতিয়া সেই মহিলা-সকলৰ সন্মুখত আপোনাৰ অৱস্থা কি হব ভাবি চাওকচোন ।

আৰু যদি কেনেবাকৈ আপোনাৰ নিজনীয়ে তেওঁৰ বান্ধৱীক চিনাকি

কৰি দি "এখেতক চিনি পাইছানে নাই ?" বুলি কোৱাৰ পিছতেই যদি সিজনীয়ে আপোনাৰ মুখলৈ চাই কয়, "আহ্-হ্—বাঃ ডেকা ল'ৰাজন হৈ আছে দেই ! সাক্ষাৎ কাৰ্তিক' !"—তেতিয়া সেই তিৰোতা মখাৰ মাজত আপোনাৰ অৱস্থা কি হব, নাইবা আপোনাৰ সিজনীয়ে জুলি পুৰি নমৰিবনে ?

মুঠতে এটা নহয় এটা আছেই । সেইকাৰণেই কম কথাত জ্ঞানী পুৰুষই "ভাবি চিন্তি কৰিবা কাম, তেহে পাবা বৈকুণ্ঠত স্থান" বুলি কৈ থোৱা নাই নহয় ।

মই এইবাৰ বিয়া কৰাবলৈ ওলোৱা খবৰটিহে যেন পৃথিৱীত এটা ডাঙৰ খবৰ হ'ল । মোৰ বন্ধু দুই চাৰিয়ে কোৱা কুই আৰম্ভ কৰিছেই । যুদ্ধ ঘোষণা নকৰাকৈয়ে কিমানেযে বন্দুক, কামান, বোমা আদিৰে মানুহ মাৰি শেষ কৰিলে, জৰ্দান ভিয়েটনাম আদিত মুক্তি বিচৰা আৰু সংৰক্ষণশীল দুই শক্তিৰ মাজত প্ৰতিযোগিতা চলিছে, অসমতে উজনি-নামনি, গোৱালপৰীয়া-শিৱসাগৰীয়া বুলি ভাগৰ ভাগ উলিয়াই মাজতে এক শ্ৰেণী লোকে নিজৰ ৰাজনৈতিক উদ্দেশ্য সাধনত লাগি গৈছে —সেইবোৰ কথালৈ খবৰ নাই—ডাঙৰ খবৰটো যেন হ'ল এই দীৰ্ঘনাসাৰ বিয়াখনহে !

দুই-চাৰিয়ে আকৌ মোক সুধিছে—"হেৰ দীৰ্ঘনাসা, বিয়া কৰাই কি কৰিবি ? বিয়া নকৰাৱাকৈয়ে চলি থকা নাই জানো ?"

কথাটো মনো একেবাৰে নভবাকৈ থকা নাছিলো । নিজকে নিজে টং কৰিও চাইছো—এৰা, বিয়া কৰাই কি কৰিম !

এই বিয়া বিয়া কৰি আজি অত বছৰে কতবাৰ অসংখ্যাত লোকৰ মান সন্মান (অপমানো) পাইছো, কইনা চাবলৈ বুলি কতজনে ভৰিত তেল মাৰিছে, কতজনে আকৌ কত প্ৰবন্ধ কৰি মোক খুটুৱাই বুটুৱাই মন ভাল লগাইছে তাৰ হিচাপ ৰাখি থোৱাহেঁতেন আজি এখন মহাভাৰতেই হলহেঁতেন । কতজনীৰ গোপন বতৰাৰে কতজনীৰ কত ৰবণৰ পত্ৰ· ···· আঃ সেইবোৰ কথা নকলেঁইবা ।

আৰু নহ্ৱইবা কিয় ? গুণ থাকিলে জোৱাই বা স্বামী কৰি লবলৈ কাৰনো মন নাযায় হেৰি ! আৰু গুণৰ কথা বাদেই দিছো—ৰূপ থাকিলেও অন্ততঃ বহুত কথাই হৈ যায়। ৰূপ যৌৱন আৰু গুণ এই তিনি বিধৰে মই যেতিয়া গৰাকী, কোনেনো মই ভবাৰ দৰে নাভাবিব হেৰি !

কিবা কৰলৈ হৈগ কিবা সোপাহে কৰ লাগিছো। কি হৈছিলো - হয়নে ...? অ' বিয়া কৰাই কি কৰিম ভাবেহে আলচ কৰিছিলো হব পায়। আচলতে কি জানে ? বিয়া কৰাই কি কৰিম মই নিজেও বুজি পোৱা নাই। ভাবিলো এনেয়ে বহি থকাতকৈ বোলো বিয়াখনকে কৰাই নথই কিয়। ইমান দিনে দাং ববলা, উদং দমৰা ইত্যাদি উপাধিৰে মোক লক্ষ্য কৰি কথা উলিয়াসকলোৰো মুখত ছাই পৰক আৰু মোৰো কাম এটা হাচিল হৈ থাকক বুলিহে পাতিলো। অৱশেষ মোক বিয়া কৰাব, মোকহে বিয়া কৰাব,, "তেখেতে মোক বিয়া কৰাব বুলি ইঙ্গিত দি থৈছে '—ইত্যাদি ভাবৰাশিত আপ্লুত হৈ থকা আইজনীসকলৰ এজনীত বাহিৰে বাকীবোৰ হিয়াবোৰে ধাকুৰি ধাকুৰি (অথচ অতি সংগোপনে) কান্দিব এই কথা মই বুজি পাইছো, তাৰ লগতে "বোপাই আমাৰ জোৱাই হব," "তেওঁৰ লগতহে আমাৰ ছোৱালীৰ ভাগ্যেক-ভনীয়েক যেন দেখা হব," "তেওঁৰ তাত গতাব পাৰিলেও মুক্ত হওঁ" বুলি ইমান দিনে প্ৰেম কৰি থকা শহুৰ-শাহুসকলে অৱশ্যে হতাশত জৰ্জৰিত হৈ অৱশেষত হয়তো কব "সিনো কিহৰ যোগ্য আমাৰ ছোৱালীৰ কাৰণে" "বপুৰাৰ স্বভাৱ চৰিত্ৰৰ কথা জানো নহয়"—"কম জানো টেন্টান." "কম কথা ভাবি চিন্তিনো তালৈ ছোৱালী নিদিলোনে" ইত্যাদি ইত্যাদি।

আৰু এটা কথা বুজিছে ? কম বিকাৰ লাগি থকা নাছিল ইমান দিনে। ভাড়াঘৰ এটা বিচাৰি যাব, ঘৰৰ মালিকে সুধিব, "ফেমিলী আছে নে নাই, গাভৰু ছোৱালী থকা ঘৰত দাং ববলাক ভাডাতীয়া কৰি সুমুৱাব নোৱাৰো"..., "আমাৰ ঘৰটো পিৰিয়েক-ঘৈনীয়েক আৰু এটি কেচুৱাৰে সৰু পৰিয়াল এটি থাকিবৰ যোখাৰেহে সজা হৈছে ..." ইত্যাদি ইত্যাদি, নতুনকৈ চিনাকি হোৱা পৰিয়ালটিৰ ঘৈনীয়েকজনীয়ে

সুধিব, "আপোনাৰ লৰা-ছোৱালী ছাগে ডাঙৰ হৈছে, আমাৰহে সৰু সৰু" নাইবা "আপোনাৰ মিচেছ ক'ৰ জীয়াৰী-বৰ ধুনীয়া হব চাগে দেই", নাইবা হয়তো কব, "আপোনালোকৰ লাভ মেৰেজ হৈছে যেন লাগিছে দেই," ইত্যাদি ইত্যাদি।

মুঠতে এইবোৰ কথা মোৰ সহ্য নোহোৱা হৈ আহিল বুজিছে ? কম কথাতনো মৰে নে ?

গতিকে বিয়াখন পাতিছোঁ। দুখ থাকিল যে গাইগুটিয়াকৈ কাকো মাতিব নোৱাৰিলো। এই বিহুৰ বতৰত বিয়া বিয়া লাগি থকা মনটিত বহুত অতীত, বহুত বৰ্তমানৰ কথাইহে ভুমুকি মাৰিব লাগিছে। গতিকে এইবাৰ বিহু আপোনালোকক এৰি দিছো - বিহুৰ কথা ভাবিলেই মোৰ বহুত কেজনীলৈ মনত পৰি যায়, সেই কাৰণেই এইবাৰ বিহুটিকেই পাহৰিবলৈ চেষ্টা কৰিছোঁ। নে কি কয় ? [ ]

।। বিয়াৰ প্ৰস্তুতি

মোৰ বিয়াখনক লৈ যে মানুহবিলাকে ইমান মুখৰোচক কাহিনী সাজিব পাৰে এনে কথা মই কিন্তু ভবা নাছিলোঁ। একোটা বছৰত পৃথিৱীত কিমান মানুহৰ কিমান ধৰণৰ বিয়া হয় এই কথা কিন্তু কাৰো চকুত নপৰে। জনাৰ্দনৰ জীয়েকেচোন মহিমৰ লগত পলাই গৈ দুবছৰৰ পিছত কোলাত কেচুৱা লৈ মাকৰ ঘৰলৈ আহিল। সিহঁতৰ বিয়া হল নে নাই, হল যদি ক'ত, কিমানজনৰ সন্মুখত হল, আৰু নাই হোৱা যদি সিহঁতৰ কেচুৱা কেনেকৈ হবলৈ পালে এনেবোৰ কথা কোনোবাই সুধিছেনে? আৰু সুধিছে যদি কাৰ কাণে-কাণে? হৰিহৰ হাজৰিকাৰ জীয়েকেচোন পথাৰত ভাগে-ভাগে তম্বু টানি, চাম্মনা তৰি, বিধে বিধে মানুহ ভগাই বিধে বিধে খুৱাই বুৰাই ৰজা মহাৰজাৰ পুতেকে বিয়া কৰোৱাদি বিয়া কৰাই লৈ আহিল। সেই সাজ খাবলৈ যিসকলক নামাতিলে সিসকলৰ চকু কিন্তু সেইখন বিয়াত নপৰিল।

এতিয়া মোৰ বিয়াখনৰ যোগাৰ যোথাৰ কৰিবৰ হৈছে— এনে সময়ত মানুহৰ কথাবোৰে মনটোক একোবাৰ এনেকৈ বেয়া লগাই দিয়ে যে খঙতে "বাপেকে বিয়া-চিয়া নকৰোৱাকৈয়ে লৈ আহো নেকি শহুৰৰ জীয়েকক" বুলি ভাবি পেলাওঁ। তেতিয়া পাৰ বাপেকে মজাপালি। সাজি-কাছি থকাই নাচি বাগি থাকক, বিয়া খাবলৈ মুখ মেলি থকা সকলবো মুখবোৰ সেঠেঙা সেঠেঙি হৈ পৰক, জিভাৰ পানী জিভাতে শুকাওক। কথাবোৰে এনেদৰে মিষ্টাৰ্ব কৰেহি যে ধীৰে সুস্থিৰে এটা প্লেনিং কৰিব নোৱাৰি। দিহা দিয়া লোকক বাতিটো পুৱাবে পৰা চাহ-পানী খুৱাই এতিয়ালৈকে বিয়ালৈ সৰ্চা ধনৰ টোপোলা অলপ খহিলেই।

সিদিনাও মন্ত খং উঠিছিল ভিতৰি ভিতৰি।

আচলতে কথাটো কি জানে ? হৰিণ মাষ্টৰে বিয়াৰ যোগাৰ-যোথাৰ কেনেকুৱা হৈছে, জোৰণৰ কাৰণে গহনা-পাতি, গুৱালকুছীয়া পাট-মুগাৰ কাপোৰ কেইযোৰ কি কি দামত অৰ্ডাৰ দিয়া হৈছে, জোৰণত গাড়ী কেইখন যাব, মানুহ কিমানজনী যাব, মতা মানুহ দুজনমান নিয়া হব নে নহয়, হলে কাক কাক নিয়া ভাল হব—এইবোৰ কথা আলোচনা কৰিবলৈ আহি ক'লে, "হেৰি— এটা কাম নকৰ কিয় অ' ?"

"—কি খুড়া ?'

"সেই যে ইস্কুলৰ পাছফালৰ ফিল্ডখন— সেইখনকে আগুৰি বেৰাখন নিদিয় কিয় ? সূৰ্য্য এমেলেৰ নিয়াখনতকৈ চৰা হব লাগিব সেই ফিল্ড।"

'সূৰ্য্য এমেলে' মানে হৰিণ মাষ্টৰে যে ৰাজীন চকীদাৰৰ পুতেক সূৰ্য্যৰ কথা কৈছে বুজিবলৈ বাকী নৰল। সূৰ্য্য এতিয়াও এমেলে হৈ থকা নাই ; মন্ত্ৰী হল— অথচ গাৱঁৰ মানুহে তাক এতিয়াও 'সূৰ্য্য এমেলে' বুলি কৈ আছে (অৱশ্যে সূৰ্য্যক এতিয়া 'এমেলে' বুলিলে সি নিজেতো বেয়া পায়েই তাৰ বাপেকেও লাখুটি লৈ হেনো খেদি আহে আৰু কয়, "বাপেৰহঁতে এই অঞ্চলত মন্ত্ৰীৰ নাম শুনিছিলিনে কাহানিবা ? সংসাৰৰ মানুহে সূৰ্য্যক চালাম ঠুকে, তাক এতিয়াও এমেলেতে ৰাখিছ কুকুৰৰ পোৱালীহঁত ।" অৱশ্যে এতিয়া পিছে মানুহে কিন্তু তেওঁলোকক নুশুনাকৈ তেনেকৈ নকয়।)

তেওঁ আকৌ ক'লে, "ভয়ো বোলে কিবা মন্ত্ৰী এমেলেলৈ মন মেলি আছ হয়নে ? মন্ত্ৰী-এমেলে নোহওঁতেই গৰম দিয়া এখন পাতি বাইজক দেখুৱাই দে। ৰমক-জমক হলেহে আকৌ ভোটাৰেও চমক খায়। ভালেই কৰিছ— কাকো নামকাটি নামাতি। বাইজৰ সকলো আহক-খাওক হেপাহ পলুৱাই ; তেহে যদি আপলে·· ·· ।"

ইলেক্চনত উঠিব খোজা কথাটো অৱশ্যে হৰিণ মাষ্টৰে কৰ ভুলকৈ শুনা নাছিল। মোৰ ভাবী শহুৰেও অহ কাণে পহ কাণে শুনিছিল—'লৰাৰ ভাগ্যত ৰাজযোগ আছে।' হৰগোবিন পণ্ডিতেও কোষ্ঠী চাই কৈছে বোলে 'অহাবাৰ তাক আৰু ইয়াত মাপাবা — সি ৰাজধানীত ডাঙৰ মন্ত্ৰী এজন

হৈ ৰহি থাকিব। মন্ত্ৰী হৈ গ'লে ছোৱালী যচা মানুহৰো সীমা সংখ্যা নাথাকিব, নিজে আগৰ মেট্ৰিক পাছ হ'ল — কি হ'ল, মন্ত্ৰী হ'লে বি, এ, এম এ পাছ কৰা ছোৱালীৰ অভাৱ নহয়, গতিকে এতিয়াই বিবাহৰ লেঠাটো সমাধা কৰি ...... ।'

'সংজ্ঞা' এমেলে'ৰ বিয়াখনৰ কথা হৰিণ মাষ্টৰে কোৱাৰ লগে লগে ভাবিলো :

ৰাজান চকীদাৰৰ পুতেক সূৰ্য্যধৰ মন্ত্ৰী হ'ল — এমেলে হোৱাৰ আগতে ঘৰত বহিবলৈ চকী এখন নাছিল। মানুহক পীৰা এখন দি বহুৱাইছিল. এতিয়া চকী-মেজ বিধে বিধে, কিবা বোলে 'দ্ৰয়িংৰুম'ও বিধে বিধে, ঘৰৰ ভিতৰত বহি আকাশৰ তৰা গণিব পৰা আৰু বেৰৰ ফাঁকেৰে কুকুৰ দৌৰি যোৱা ঘৰটো এতিয়া পকী দালান হ'ল। তিনি চাৰিখনমান গাড়ী মটৰ ঘৰৰ চোতালত, বিয়া পাতিলে ৰাইজ মাতি : হেনো জিলাৰ ডেপুটি কমিচনাৰকে ধৰি বিষয়া-সকল আছিল নিমন্ত্ৰিতক খোৱা-বোৱা সোধ-পোচ কৰাৰ দায়িত্বত. পি, ডব্লিউ ডিৰ চীফ ইঞ্জিনীয়াৰৰ নিচিনা বিষয়া আছিল ৰভা নিৰ্মাণ কৰাত আৰু ৰাজান চকীদাৰৰ ঘৰলৈ যোৱা বাট-পথ চিকুণাই পকী কৰি দিয়া কামৰ দায়িত্বত, জনসিঞ্চন বিভাগৰ মুখ্য অভিযন্তাকে ধৰি সেই 'লাইন'ৰ বিষয়া কৰ্মচাৰীসকল থাকিল— মণ্ডপৰ বাবেতে দ নলীনাদ বহুৱাই পানী যোগান ধৰা আৰু তিনিমাইল দূৰৰ পৰা বিয়া ঘৰলৈকে বিভিন্ন বাট-পথৰ ধূলি 'কন্ট্ৰোল' কৰিবলৈ এসপ্তাহ আগৰে পৰা পানী ছটিওৱা, বৰষুণ হ'লে জমা হোৱা পানী উলিয়াই দিবলৈ পাৱাৰ পাম্পৰ ব্যৱস্থা কৰা, পায়খানা, নলা নৰ্দমা আদিৰ ওপৰত মহ, মাখি, দাহ আৰু দুৰ্গন্ধ কন্ট্ৰোলৰ বাবে বিভা-গীয় স্বাস্থ্য বিষয়া ইত্যাদি ইত্যাদিৰ উপৰিও বেচেৰা মন্ত্ৰীজনে 'গেষ্ট কন্ট্ৰোল' কৰি নিমন্ত্ৰণ কৰা দহ হাজাৰ নিমন্ত্ৰিতৰ পৰা প্ৰেজেণ্টেচন নোলোৱা টি-ভি ছেট, ভি-চি আৰ, সোণৰ হাৰ আঙুঠি, আদি 'মূল্যহীন' বস্তুবোৰ জমা কৰি ৰাখিবৰ কাৰণে সজা কোঠালীটোত পুলিচৰ ব্যৱস্থা কৰা কথাৰ নিচিনা সৰু সৰু কথাবোৰ মোৰ কাৰণে উদাহৰণ হব নালাগে নেকি ?

সিফালে ভাবী শহুৰেও হেনো হৰিণ মাষ্টৰক কৈছিল :

"চাবা কিন্তু, বোপাৰ মান সন্মান ৰাখি কাম চলাবা। জোৰমৰ বন্ধুবোৰ আগতিয়াকৈ চাই লবা যাতে ইয়াৰ বাহিৰে একো কবলৈ নাপায়: দৰাৰ লগত অহা মানুহখিনিক চাম চাম বাছি বাছি বেলেগে বেলেগে গাড়ীত অনাবা। দৰাঘৰৰ যিসকলে বন্দাৰ তলত নবহি বাহিৰে বাহিৰে কোঠালীৰ ভিতৰত বহিব সেইসকল মানুহ কিমান হব পাৰে সংখ্যাটো আগতীয়াকৈ জনাই থবা—আমি বেলেগ কোঠালীত চ'হা বটল, ভজা মঙহ আৰু 'নাস্তা'বোৰ যোগাৰ কৰি থম।" তেখেতে বোপাক কৈছিল. "বিলাতীৰ লগতে 'খাদীভাণ্ডাৰ'ৰ বিধ কলহৰ পৰা বটলত ভৰাব লাগিব নেকি সেই কথাও জনাবা। আমাৰ সন্মান ৰক্ষাৰ কাৰণে আমি তেওঁ-লোকৰ কাৰণেও সুকীয়া ব্যৱস্থা ৰাখিম—দীৰ্ঘনাসাই যেন বিলাতী মাল কেইকেচমান আগতীয়াকৈ যোগাৰ কৰি পঠায় তালৈকো চাবা। দীৰ্ঘ-নাসাই নিজৰ সন্মান নিজে ৰাখিব লাগিব, কইনাঘৰে যাতে বন্ধুবোৰ আগতীয়াকৈ পায় তাৰ প্ৰতি চকু ৰাখিবলৈও কবা," ইত্যাদি ইত্যাদি।

ভাবী শহুৰৰ পৰামৰ্শখিনি একেবাৰে বেয়া লগা নাছিল। ভাবিছিলো যে এটা ষ্টেণ্ডাৰ্ড ঠাৰি নহবৰ কাৰণেই তেওঁ পৰামৰ্শখিনি দিছে। পিছে ৰঘুনাথ পেহাই আৰু এটা কথাৰে মনত পেলাই দিলতহে মই টং কৰি চাই যে কথাটো একেবাৰে দলিয়াই পেলাবলগীয়া নহয়। পেহাই কৈছিল:

"হেৰ' দীৰ্ঘ, তোৰ কি নাই যে দৰাৰ লগত যোৱা তোৰ সমনীয়া-কেইটাৰ 'মাল'খিনিকো তই কইনা ঘৰৰ অনুগ্ৰহত থবাবি? কিমান বটল লাগিব? আৰু তেওঁচান কৈছেই যে বিলাতী দৰবখিনিৰ কেইটামান 'কেচ' তয়েই যোগাৰ কৰি দিব লাগে। যোগাৰ কৰিবি তই, দাম ভৰিবি তই, আৰু নামটো মাজে মাজে তেওঁ কৰিব এই কথা হব নোৱাৰে। মাজতে কিবা 'সেৰেক' ধৰণৰ দুই এবটল থাওক লৰাবোৰে আপত্তি তোলক—লাজত পৰিবি তই! তাতকৈ বোপাই আমাৰ গাড়ীতে যাব, যাওঁতে বাটে বাটে ল'ৰা কেইটাই ফুৰ্তি কৰি যাব পাৰিব—সেয়ে ভাল। আৰু বিয়া এখনত দৰা পাত্ৰি হৈ দৰাৰ লগত ফুৰ্তি কৰি নগলে কত কৰিব? আমাৰ এইখন বিয়াও এনে হব লাগিব যেন মানুহে ভিলেজীত

নাপাহৰে। ফুৰ্তি-তামাচা, তামাম, । বিয়া এখনৰ দৰা পাত্তিতো আৰু চচানলৈ * মৰা শ কঢ়িয়া ছাওঁৰ পাছে পাছে যোৱা মানুহৰ পাত্তি নহয়।"

সেইটোই বিতৌত এটা তান মাৰি গল খেকাৰ দি আকৌ কলে,

"আৰু এটা কথা অ' দীৰ্ঘ— তেওঁ কি কলহৰ মালৰ কথা কৈছে অ'? হেৰ'। বিয়া এখন বুলিলে বুলিবৰ নাই— বিয়াখনত সবাবোৰক কলহৰ গেলামালহে খুৱাবিনে?"

তেওঁ এক প্ৰকাৰ অপমানিত হোৱা মানুহৰ দৰে শিহৰি মাৰি উঠি ক'লে, "তোৰ কি নাই— কি নাই তোৰ। কিহৰ গৰীব, ধনৰ গৰীব নে মনৰ গৰীব? আৰু ধন নাই – মন আছে, মন থাকিলেই মান। এনেহেন বিয়াখনত তই তোৰ বন্ধুবোৰক লাওপানীহে খুৱাবিনে? তোৰ ইজ্জত নাই বুলি ভাবিছেনেকি সিহঁতে। নাই ধন— ধাৰ কৰি খুৱাবি, মানৰ সমান ডাঙৰ কি আছে, শাস্ত্ৰতো কৈছে "সন্মান তেজিয়া কিছু কৰিব নাহি ...... ।"

সেইহাই এবাৰ মোৰ মুখৰ ফালে চালে। মই কিবা কওঁ নেকি চাই থাকিল। তাৰ পিছত ক'লে, "তই এটা কাম কৰ · ইমান বিদ্বান বিদ্বান লবাবোৰ যাব যেতিয়া······ তই এটা কাম কৰ— দেঃ যি হয় হব; আৰু দুই বেছি হাজাৰ টকা লাগিব— ঘোঁৰা মাৰ্কা বটলো কিছু যোগাৰ কৰ। কইনা ঘৰীয়া মানুহক দেখুৱাই দেখুৱাই খাব লবাহঁতে। নেদেখিছ সৰু এমেলেৰ বিয়াত— ঠিক সেই মাফিক। একেবাৰে বাঘৰ ······· ।"

ভাবি গুণি ৰঘুনাথ সেইহাৰ কথামতে কৰাটো ঠিক কৰিলো।

বিয়ালৈ আৰু দিন নাই। দিন চমু চাপি আছে মানে বুকুখনৰ কৰবাত উঠা কল্‌ধপ কল্‌ধপ শব্দবোৰ যেন বাহিৰ মানুহেও শুনা হল।

---

* চচান— শ্মশান

মনত পৰিল ঃ সেইযে ললিতৰ বিয়াখন খাইছিলো— কিবা যেন নতুন কণীৰ কুহুম— কোমল কোমল নিচা— কিবা যেন হাঁলিয়া-জালিয়া পৰা দেহা। বিয়াৰ আগতে ললিতে বোলে তাৰ কইনাজনীক কেবাদিনো অকলশৰে লগ ধৰিছিল। তাইক বোলে সি সুধিছিল, "মানুহবোৰে কৈছে— তোমাক কপাল-জেঠী এধাৰ আৰু চুলিত কপৰ বকুল এটা পিন্ধাব পাৰিলে কইনাজনী সাক্ষাৎ অপেশ্বৰী হৈ পৰিবা। কোৱা কি দিম?"

তাই বোলে কৈছিল, "নালাগে মোক সেইবোৰ একো, তোমাৰ মৰম ভৰি থকা বুকুখনেই মোৰ সাত জনমৰ অলংকাৰ।"

কথাখিনি ললিতে নিজ মুখে মোক কৈছিল। মই ভাবিলো— মোৰ-জনীয়েও চাগে মোৰ মৰমৰ কথাকে চিন্তা কৰি কৰি লেবেজাং হৈ পৰিছে। দেহি ঐ! এবাৰ গৈ দেখা নিদিলে তাই বেচেৰীয়ে কিজানি...... ...। আৰু কিজানি তাইও কয়— 'মোক সেইবোৰ একো নালাগে, তোমাকহে লাগে.... বিয়াৰ তাৰিখলৈ মই আৰু অপেক্ষা কৰিব নোৱাৰা হৈছো; লাগিলে এতিয়াই লৈ যোৱা - বিয়া কৰোৱা যদি পিছতো কৰাই থাকিবা।

গোটেই নিশা তুব পৰা নাই। অৱশেষত ঠিক কৰি পেলালো— পুৱা পূৱে বেলি নৌউঠোতেই যাম পহিলা বাছখনতে উঠি। তাইক কমৈগে, তাইও কব · মনে মনে এটা কোঠালীত বহি আমি দুয়ো কথা পাতিম, আৰু যদি ঘৰত কথা পাতিবলৈ কিবা লাজ লগা যেন পায় তেন্তে চকুৰ ঠাৰ দি মাতি নিম নৈৰ পাৰলৈ.... ।

ভৰামতেই কাম।

ৰাতিপুৱা পূৱে বগা দাঁত ওলাওঁতে সাজি কাচি ওলালো।

o

"মুকুতদাই মোক কি কৈছে জানা? ছিঃ কিযে লাজ লাগে মোহোতা লবাটো।"

"—কি, কি কয় ?"

"নহয়— মানে এনেয়ে। ফিলিমত উঠা কথা।"

"—কিনো ?"

"নহয়— মানে মোক ক'লে, মই বোলে ফিলিমত উঠিব পাৰো। হেমামালিনী হেন দেখি বোলে মোক।"

মই বুজিলো যে হেমালিনী বুলি তাই হেমামালিনীকে অর্থ কৰিছে।

"—তুমি কি ক'লা ?"

"নহয় মানে— মই একো কোৱা নাই, ৰৰপুৰুষৰ পাৰলৈ মাতি নি তেওঁ মোক খহিবলৈ দিলে। তাৰ পিচত দুৰৰ পৰা তেওঁ মোৰ ফালে চাই ক'লে, "এবাৰ হাঁহি দিয়াচোন।" মই হাঁহি দিলো। তেতিয়া তেওঁ ক'লে— "মোক বোলে তেওঁ ফিলিমত তুলিব, মোৰ মুখখন আৰু গালৈ বোলে হেমালিনীৰ দৰে। তেওঁ বোলে মোক এদিন ভুল কৰিয়েই পেলাইছিল। তেওঁযে চিঠিবোৰ লিখে আৰু! কিবা লাজ লাগি যায়।"

মোক সুধিলে, "তুমি তেনেকৈ চিঠি লিখিব জানানে ?"

"—কেনেকৈ ?"

"— সেইযে মৰম মৰম লাগে, ইষ্টাইল কৰি কথাবোৰ লিখে⋯⋯।"

"মন্নো পাৰো। লিখিম নেকি এখন ?

"এতিয়া আৰু কি লিখিবা— বিয়াচোন হ'বই। অৱশ্যে বিয়াৰ আগতে এদিন ফুৰিবলৈ যাব পাৰো।"

"এতিয়া তোমাৰ লগত ফুৰিবলৈ গলে তোমাক ঘৰত একো নকয় জানো ? গাওঁৰ মানুহে কিবাবোৰ নুলিয়াৰ জানো ?"

"—হুঃ সেই চৰলৈ মই কি কেয়াৰ কৰো! আমাৰ ঘৰতো একো নকয় দিয়া। মই কিমানবাৰ গৈছো— আমাৰ মায় এবাৰ নিজে বাবলৈ

কৈছিল শিৱেনদাৰ লগত। জানা— শিৱেনদাই মোক বিয়া কৰাৰ বুদ্ধিও দিছিল, মইহে কলো। নালাগে দিয়কচোন বিয়া………এনেয়ে ফুৰ্তি আছো এদিনমান। মোক এবাৰ ডিব্ৰুগড়লৈও নিছিল………কিযে ভাল ডিব্ৰুগড়খন জানা? দোকানবোৰৰে বাস্তাৰ ওপৰতে, লিপষ্টিক, ভাচেলিন, আলতা, স্নো-পাউডাৰ— ও মাই গড্ —যিমান লাগে পাবা। এচেন্স তেল এবটলো কিনিছিলো। সেইবোৰ দেখি মানুহে কিমান ফুৰ্ত্তি!"

"বিয়া নহল?"

"এঃ কিনো কয় ঐ এইদালে! বিয়া হয় বুলি মই কিবা কৈছিলো নেকি? আৰু মেৰিজ কৰাম বুলি কৈছিল এজনে। সি বদমাচো, ফুড্—পিছত আৰু নহা হল। ঘৰ বোলে পঞ্জাবত আছিল; নাহিল আৰু………।" নাহিল কি হল, কোনে কেয়াৰ কৰে! বলানা এদিন হোলিমুন কৰিবলৈ যাওঁ।"

হোলিমুন বুলি তাই যে 'হানিমুন' কৰা কথাকে বুজাইছে মই বুজি পালো। কলো' 'বিয়াৰ পিছতহে হানিমুন কৰে।"

"আগ পাছ কি আছে। এতিয়াৰ পৰা আৰম্ভ কৰিলে কি হয়? বলানা এদিন--।"

"—কলৈ?"

"কি কথাবোৰ সুধি থাকাহে? তুমি কোৱা।"

"গুৱাহাটীলৈ আগতে গৈছা নহয়? দেখিছানে নাই।"

এটা দীঘল উকি মৰাৰ নিচিনাকৈ উত্তৰ দি তাই কলে, "হ— গুৱাহাটী। দুবাৰো গলো জানা। এবাৰ গলো আমাৰ পেহীইতৰ বিপুল-দাৰে— তাৰ বন্ধু বিশ্বনাথৰ লগত। দুৰাতি থাকি আছিলো —চিৰিয়াখানা-খনকে নেদেখুৱালে! তাৰ পিছৰবাৰ মায়ে পঠাইছিল যোগীন মহৰীৰ লগত। সেইবে আমাৰ ঘৰৰ আগৰ আলিটো বান্ধিছিল ঠিকাদাৰে— তাতে যে পি-ডব্লিউ-ডি মহৰী কাম কৰে! সি মোক এটা বাকচ আৰু চাদৰো কিনি দিছিল জানা? ইম্‌মানৰে ইন্টাৰেষ্ট মানুহ। হোটেলতে থাকিলো

তিনি দিন ; কলৈকো যাবৰ নহল। দুদিন দুখন ফিল্মি চালো— ইম্‌মানযে ভাল লাগিছিল— সিবাবো চোৰা নহল চিবিৱাখানা। বলানা এদিন……।"

যিজন যোগীন মহৰীৰ কথা ক'লে তাৰ নাম শুনিয়েই মোৰ বহুত কথা মনত পৰি গল। এইজন যোগেন্দ্ৰ মোৰ এসময়ৰ দোষ্ট আছিল। দুয়ো একেলগে তিনিপট্টি খেলিছিলো, তাৰ পিছত হাট-বজাৰ, বেল ষ্টেচন মটৰ ষ্টেণ্ড আদিত হাত চাফাই কাম চলাইছিলো। আমাৰ পাৰ্টিটোত আমি আছিলো পাঁচজন, সিহঁতে মোক 'মাষ্টাৰ' পাতিছিল। তাৰ লগত মই কেবাবাৰো মানুহৰ হাতত আৰু পিছত পুলিচৰ হাততো 'ধুল্মু' খাইছিলো। দুই-তিনিবাৰ আমি একেলগে লালঘৰত 'বঙা ভাত' খাইছিলো। এবাৰ কি হৈছিল জানে? সৰভোগ 'ইষ্টেচন'ত এক বেপাৰীৰ জেপত হাত ভৰাইছোহে --এনেতে ধৰিলে এজনে হাতত থাপ মাৰি। বাওঁ হাতেৰে বেপাৰীজনৰ পকেটৰ মনিবেগটো কেচ মাৰি যোগীনৰ ভালৈ মাৰি পঠাওঁতে সিও ধৰা পৰিল। তেতিয়া দুয়োৰে ওপৰত প্ৰথমতে পেচেঞ্জাৰৰ ধুলা, পিছত পুলিচৰ। বঙা ঘৰত থাকিলো দুমাহ। এদিন হঠাতে আমাৰ খবৰ আহিল আমি বোলে খালাচ।

খালাচ দিবলৈ জেলৰ অফিচ ঘৰৰ লোহাৰ গেটটোৰে আমাক উলিয়াই দিব। হেন সময়তে আৰু এদলক আনিলে আমাৰ আগে আগে। তেওঁলোককো বোলে খালাচ দিব। কিবা বোলে আন্দোলনত তেওঁলোককো বন্দী কৰি জেলত থৈছিল।

বাহিৰত অজস্ৰ মানুহ। সকলোৰে হাতত মালা।

তেওঁলোকৰ পাছে পাছে আমাকো দিলে উলিয়াই। তেওঁলোকৰ প্ৰতিজনকে বাইজে মালা পিন্ধাইছে— সেই মালা পৰিল আমাৰ ডিঙিতো। তাৰ পিছত আমাক আগত লৈ বিৰাট শোভাযাত্ৰা আৰু জয়ধ্বনি। সেইযে জেলৰ পৰা ওলালো— আমিও পালো চাৰ্টিফিকেট —আন্দোলনকাৰী আৰু ৰাজনৈতিক নিৰ্য্যাতিত বুলি। যোগীনে নিৰ্য্যাতিত বুলি নতুন চৰকাৰৰ পেন্সনো পাইছে আৰু পি-ডব্লিউ-ডিৰ 'মহৰী' চাকৰিও পাইছে। (মই এতিয়া আমাৰ দলৰ এক প্ৰকাৰ নেতা। মোক এইবাৰ এজেনেত্ত দিয়া বুলি আমাৰ পাৰ্টিৰ সভাপতিয়েও কৈছে।)

যোগীনে এদিন অৱশ্যে নিচাতে মোক কৈছিল হয় — এজনীক গুৱাহাটী দেখুৱাই লৈ আহিল— তিনিদিন হোটেলত থাকি। দুয়ো একেলগে পানী খাইছিলো। নিচাতে সি মোক কৈছিল— "ঐ! এতিয়া আৰু দিনত মদ নাখাবি; ৰাতি খাবি, যেন কোনেও নাজানে। মন্ত্ৰী হলে কিন্তু মই আৰু এইবোৰ গেলা কিনি নাখাওঁ দেই! আৰু এটা কথা — তই যদি বিয়া কৰাৱ, ৰাইফক কৰি —মই আজিকালি ভাল মানুহ.........।"

সি জনা সেইজনীকে যে মই ৰাইফ কৰি বিয়া কৰাব খুজিছো এই কথা জানি মোৰ কিন্তু বৰ ভালেই লাগি গল। অন্ততঃ মই নহলেও মোৰ বন্ধু এজনে 'লাভ' কৰা এজনীৰ লগত মোৰ মেৰেজ হব — কোনোবাই যদি এইটোক 'লাভ মেৰেজ' বুলি নধৰে নধৰক —তাতে কি হল?

এটা মৃদু আৰু তৃপ্তিৰ হাঁহি মাৰি তাইক কলো,

"আমাৰ লাভ মেৰেজই হব বুলি ধৰি লোৱা। লাভ মেৰেজ কৰি উঠি আমি দুয়ো গুৱাহাটীলৈ গৈ হানিমুন কৰি আহিম ... তামাম ফুৰ্তি ·   ।"

"—তেনেহলে বিয়াৰ আগতে কি কৰিবা? আমাৰ ঘৰৰ কাষত যে কাঞ্চনীবাই আছে— তাইৰ জীয়েক যে পুতুলী —তাই মোৰ বৰ বন্ধু। তাই কৈছে যে বিয়াৰ আগত লাভ কৰিব লাগে। তাৰ পিছত বিয়া হলে লাভ মেৰিজ হয়। ভালেই হল— তুমিও ব'লা, আমাৰ লাভ মেৰিজ হৈ যাওক।"

অৱশেষত কথা দি আহিলো যে বিয়াৰ আগতে এদিন 'লাভ' কৰি যাম, তাৰ পিছত আমাৰ বিয়াখন লাভ মেৰেজ কৰি দিম। তেওঁবো কথা দিলে যে লাভ কৰা বিষয়ত তেওঁ যিখিনি জানে সেইখিনিতো ঠিকঠাকে হব আৰু যিখিনি নাজানে সেইখিনি কাঞ্চনী বাইৰ জীয়েক পুতুলীৰ পৰাও জানি লব। মোৰ ভাবী-পত্নীয়ে আৰু ক'লে যে লাভ কৰাত পুতুলী বৰ 'এক্সপাৰ্ট'। □

আফটাৰ মেৰেজ (১)

যোৱা বহাগত হৈ যোৱা মোৰ বিয়াখনৰ বিষয়ে জানিবলৈ মন কৰি দিয়া চিঠি বহুকেইখন পালো। বিয়ালৈ আহিব নোৱাৰাসকলে বিয়াখনৰ বিষয়ে জানিবলৈ যে অতি আগ্ৰহ কৰি থাকিব এই কথা মই কিন্তু আগতে অনুমান কৰিছিলো। এইখন পৃথিৱীত লবলগীয়া খবৰ কিমান যে আছিল, ইমানবোৰ খবৰ থাকোতেও মোৰ খবৰটিকহে আগ কৰাৰ কাৰণে মই মোৰ আৰু ৰাইফৰ পক্ষৰ পৰা আপোনাসব সকলো-লৈকে ধন্যবাদ জনাও। বিয়া কৰাইছো মই, ভিৰোভা হৈছে মোৰ, কিন্তু আপোনালোকৰ যিসকলে যেনে ধৰণেৰে 'ইন্টাৰেচ' লৈছে তাৰ পৰা মই বুজি পাইছো যে মোৰ আৰু ৰাইফৰ ভৱিষ্যৎ অতি উজ্জ্বল আৰু নিৰাপদ। ঈশ্বৰে নকৰক, ৰাইফ যদি কোনেবাৰে নাৰী হৰ লগীয়া হয় নাইবা ময়ে পত্নীহাৰা হওঁ তেনেহলে ভৱিষ্যতে আমাৰ যে কোনো বিপদ নহব এই কথা কিন্তু এতিয়াই গম পাই গলো।

আপোনাসবৰ কোনোবাজনে অৱশ্যে বিয়াৰ পিছত মোৰ ভাগৰ লাগিছে বুলি অনুমান কৰি ঠিকেই কৰিছে। ভাগৰ মানে -নকব আৰু। বেচেৰী ৰাইফজনীৰো অৱস্থা ভইথবচ। বিচনাৰ পৰা উঠিব পৰা নাই ভাগৰতে। ডাক্তৰে লো ব্লাড প্ৰেচাৰ বুলি কৈছিল। আই আৰু মইয়ে খুওৱা-বোওৱা কৰি আছো। এদিনতো বেচেৰীয়ে ভাগৰতে উঠিব নোৱাৰি বিচনাতে মিলে পেচাব কৰি। মোক কলে, "মই ভৰ্কিবই নোৱাৰিলো— কাকো কিন্তু নকবা দেই!"

আৰু এটা কথাও হৈছে। আপোনালোকৰ কথাবোৰৰ উত্তৰ চিন্তা কৰি কৰি মই মোৰ নিজৰ ছিৰোভাজনীক পৰ্যন্ত আজিলৈকে ভালদৰে খোচ-পোচ কৰিব পৰা নাই। বিয়াৰ দিনা কইনাৰ লগত দিয়া এজনী চুলিৰ চেটটো বদলাৰ লগা হৈছে নে নাই, অতি কষ্টত সোতোৰা পদি

যোৱা, গালে মুখে ৰঙীন প্ৰসাধন সানি সুন্দৰী 'যুৱতী' হবৰ কাৰণে মূল্য বস্তুৰ টেমা, বটল আদিৰ গুদাম আৰু ভৰ্তি কৰিব লগা হৈছে নে নাই, মাকৰ ঘৰৰ পৰা লগত অনা বিভিন্ন বস্তুবোৰ যেনে— মূৰৰ ঘিৰ, পেটৰ কামোৰ, শৌচ খোলোচা নোহোৱা বা খিল্‌-খিলকৈ শৌচ হোৱা, অনিয়-মিত মাহেকীয়া আৰু লগত থকা পেটৰ বিষ, প্ৰদৰ, মূৰ ঘূৰোৱা ইত্যাদি নানাবিধ 'সাধাৰণ' অসুখ বিসুখৰ 'প্ৰেচক্ৰিপচন'ৰ খবৰ পাতি আৰু ধৰকৰা থাৰ্মোমিটাৰ ঠিক আছেনে নাই ইত্যাদিবোৰ কথাৰ খবৰ বখাটো জানো গিৰিয়েক হিচাপেও মোৰ কৰ্তব্য নহয় ? অথচ আপোনালোকে ভাবে⋯⋯ (নকও দিয়ক, কৰবাত কিবা কথা ওলাব। আজিকালি কথা বতৰাতো সংযমী হৈছো। আৰু হোৱাৰ কথাই; এতিয়াতো মই আৰু সেই আগৰজন দীৰ্ঘনাসা হৈ থকা নাই। মই আজিকালি নিকাও হলো।

অ' নিকা হোৱা কথা কলো নেকি ? আচলতে যদি ঠিকমতে ভাবি চায় মই কেৱল নিকা হোৱাই নহয় আজিকালি মোৰ বহুত পৰিবৰ্তনো হল। ৰাইফেও কয় "তুমি বোলে এনেকুৱা আছিলা, তেনেকুৱা আছিলা এতিয়া বদলি গলা দিয়া।" মযো কওঁ— "মোৰ গুণৰ মহিমা এনে আছিল—তেনে আছিল; এতিয়া তোমাক বিয়া কৰাই মই কিবা হৈ গলো—" ইত্যাদি ইত্যাদি। মোৰ পৰিয়াৰ কিন্তু চাকাৰ হওক— মৰমীয়াল ছোৱালী। আগৰ কথাবোৰো সলনি হল যেনিবা। তাইৰ লোকৰ দুখৰ কথা কেৱল বুজাই নহয় অনুভৱো কৰে। সিদিনা কি হ'ল জানে ? আমাৰ ঘৰৰ কাষৰ এঘৰত শ্ৰাদ্ধ আছিল। শ্ৰাদ্ধৰ পিছত এখন শৰাইত মাহ প্ৰসাদৰ লগতে কল, মাচপতি, সুমথিৰা নাৰি-কল, কুঁহিয়াৰ আদি শৰাইত দিছিল। আই বুঢ়ী মানুহ; নাৰিকল, কুঁহিয়াৰ নালাগে মাহ-প্ৰসাদ চোবাবলৈকো দাঁত নাইকিয়া। এখন প্লেটত ৰাইফে বুঢ়ী-মতুৰ লগতে নাৰিকল আৰু কুঁহিয়াৰ কেইটুকুৰামানো আইৰ আগতে দিলে। আইয়ে ক'লে,

"চোবাম কেনেকৈ ? তইঁতে খা—দাঁত থকা মানুহ, মোক কল এটা হলেই হ'ব।"

ৰাইফে ক'লে, "পাৰিব দিয়কচোন— পাৰিব দিয়ক; যে মোৰ দাঁত

যোৱাকে ভালকৈ ধুই পখালি দিয় ! 'ফিট' কৰিব জানো।"

আয়ে সুধিলে, "তাৰ মানে ?"

তাৰ মানে আৰু কি হব—বুজিছেই নহয় ।

তাৰ পিচত—মানে চুদিনমান পিছত । ৰাইফে আইৰ ওকণি চাই আছে । ক'লে, আপোনাৰ চুলিকোচা এতিয়াও ইমান দীঘল, আমাৰ যোৱাহে........ । আপোনাৰ চুলি এদানো সৰা নাই— মাজে মাজে পকিছেহে । এটা কাম কৰোনে আই ?"

"কি ?"

"মোৰ চুলিত লগোৱা কলপ সানি দিওঁনে...... গোটেই চুলিখিনি ক'লা হৈ পৰিব আৰু তেতিয়া আপোনাৰো মনটো ভাল ভাল লাগিব । ক'লা চুলিয়ে মানুহৰ বয়সো বহুত কমাই দিয়ে—জানে আই ?" ইত্যাদি ইত্যাদি ।

মুঠতে আপোনাক কৈছোঁ—মোৰ ৰাইফৰ এখন দৰদী হিয়া আছে । আৰু ৰূপো আছে দিয়ক ! তেওঁৰ যদি কেনেবাকৈ মোৰ ওপৰত খং উঠিল নাইবা মুখখন ওন্দোলাই দিলে, তেতিয়া কি চাব—তেওঁৰ ৰূপ ! সঁচাকৈ কৈছো— তেওঁক যে কিমান ধুনীয়া দেখি । সেই ৰূপ চাই চাই কেতিয়াবা নিজে নিজে বিভোৰ হৈ যাওঁ । আমাৰ স্কুলৰ সংস্কৃত জনা ল'ৰা এটাই এটা প্ৰাৰ্থনা গীত মোক লিখি দিছিল । সেইগীতটোকে চকু মুদি মুদি গাই মই ধ্যানমগ্ন হৈ পৰোঁ।—

> হে দেৱী মম গৃহেষু তিৰী ৰূপেন সংস্থিতা
> নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।
> হে দেৱী দীৰ্ঘনাসাৰ ৰূপহী ৰূপেন সংস্থিতা
> নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ ।
> হে দেৱী বৃদ্ধা নাৰী স্বামী গৃহেন সংস্থিতা
> ক্ষীণ অঙ্গী কঙ্কালৰূপিনী কৰো তস্যৈ নমো নমঃ ।

মোৰ ৰাইফ বেচ গহীনো । গহীন মানে বেচ 'আৰ্টিচ আৰ্টিচ' । বিয়াৰ আগতে তেওঁ বোলে ভাল আৰ্টিষ্টেই আছিল । 'আৰ্টিষ্ট হিচাপে তেওঁ মাজে মাজে ভাবত তন্ময়ো হৈ থাকে ; সেই কথা আমাৰ আই-

হ'তেতো আৰু বুজি নাপায়। পত্নিকে কেতিয়াবা যদি, "কিনো ভাবি থাক অ' গাভৰু ছোৱালীজনী উঠছোন দীৰ্ঘই (দীৰ্ঘনাসাই) ভাত খাই উঠিছে। তামোলখনকে দে "— বুলি 'ডিষ্টাৰ্ব' কৰে তেন্তে ৰাইজে কেতিয়াবা মাতিব নোৱাৰা হয়, গাৰ কঁপনি উঠে আৰু লাহে লাহে বাগৰি প'ৰে। দেখি প্ৰথম অৱস্থাত মোৰ বৰ ভয় লাগি গৈছিল। ডাক্তৰেও কৈছিল 'হিষ্টিৰিয়া' ৰোগ বুলি। পিছে ভাল হৈ তেওঁহে এদিন ক'লে যে শিল্পী মানুহৰ ভাব আহি থকা অৱস্থাত কোনোবাই যদি "ভঙ্গ" কৰি দিয়ে তেনেহলে তেনেকুৱা হয়েই। এৰা হয়েই। মানুহবোৰেহে কোনো কথা চমজি নাচাই হোৱাই-নোহোৱাই কথাবোৰ কয়।

আৰু মানুহৰ কথানো কি কম? মানুহবোৰনো আৰু ইমান পৰচৰ্চা-কাৰী হব পাৰেনে? ৰাইজে চশমাজোৰ পিন্ধে—তাতো কি জনিৰ মানুহৰ কথা! ই বোলে "ইমান পাৱাৰৰ চশমা আমাৰ অঞ্চলতেই নাই", সি বোলে—"ৰাতি নেদেখা কুকুৰী-কাণিজনীকহে বিচাৰি পালেনে ··· "ইত্যাদি ইত্যাদি। কথাবোৰ শুনি শুনি কাণ তাল মাৰি ধৰিছে। হেৰি, আমাৰজনীয়ে বেছি পাৱাৰৰ চশমা পিন্ধিলে— আপোনালোকৰ ক্ষতি কি হ'ল? বৰং আপোনালোকে গৌৰৱহে কৰিব লাগে যে আপোনালোকৰ মাজতে বেছি 'পাৱাৰ' থকা মানুহ এজনী আছিছে। আৰু এটা কথা। ৰাতি ভালদৰে দেখা নাপালে বুলিয়েই কুকুৰী-কাণী বুলিবনে? দিন ৰাতি জলো জলো কৰি ঘুৰি ফুৰি, ৰাতি হলে চিনেমা হল, থিয়েটাৰ হল, দোকান-পোহাৰ ইত্যাদি-বোৰত তহলি কুৰাবোৰে ভাল হ'ল নে ৰাতি হলে দেখা নাপাই ঘৰত থকাতো বেছি ভাল হ'ল? যি কয়—কথাবোৰ ভাবি চিন্তি-কৰচোন!

এতিয়া দুৰ্গা পূজা আহিছে— আপোনালোকেও বজাৰ-সমাৰ কৰক। নিজৰ ঘৈণীজনীৰ গুণ-মহিমাৰ কথা লোকৰ আগত বৰ্ণনা কৰিবলৈ মোৰ মন যোৱা নাই। পূজাৰ এমাহ আগতেই আপোনালোকৰ বহুতকে কোৱাৰ নিচিনাকৈ মোকো কৈ থৈছে, "তুমি কিন্তু 'পেন-চাৰ্ট' এযোৰ পূজাত লবই লাগিব দেই! × × × × "এইবাৰ তুমি কিন্তু পূজাত পেন-চাৰ্টৰ লগত টাইও মাৰিব লাগিব। হেৰা, কিনিবতো যে মানুহবোৰে নেকটাই

মাৰি সেইটো ইয়াৰ দোকানত পাৱনে ? আমাৰ গাওঁৰ বীণাকৰে বিয়া কৰাইছে বিমান যোৱা দৰাটো– যোৱাবাৰ পূজাত নেকটাই মাৰিছিল । আঠ-মঙ্গলাতো নেকটাই মাৰি গৈছিল । তুমিও কিন্তু সেই মাফিক পেন-চাভ-টাই মাৰিব লাগিব । আমাৰ মায়ো কৈছে—যোগাক কিন্তু আঠ-মঙলাৰে আহোঁতে মাকনীৰ জামাই অহাৰ মতন ফিটফাট পিন্ধি-উৰি আহিবলৈ কবি ।”

মষো কথাটো মনে মনে তেনেকৈয়ে ভাবি থৈছিলো । গোবিনকো কৈ ৰাখিছিলো আৰু সিয়ো তাৰ কোট চোলাটো সময়ত দিব বুলি কৈছিল । ভাবিলো—নেকটাইদাল নিজেই কিনিব লাগিব চহৰলৈ গৈ । এদিন এখন দোকানৰ বাৰান্দাত আঁৰি থোৱাও দেখিছিলো । পিছে মনমোহন দৰ্জিয়েহে ক’লে, “হঃ সেইদাপো দোকানৰ পৰা কিনিব লাগিছেনে ? বনাই দিবলৈ কিমান পৰ ? কাটিঙত যোৱা কাপোৰেৰেও বনাব পাৰি । [illegible]হে ফুলাম ব্ৰাউনৰ কাপোৰ হলে ভাল—আনি দিবি—চিলাই দিম ।” —কাপোৰখিনিহে তাক নি দিয়া হোৱা নাই । [illegible] কোৱাত মনটোত আৰু বল আহিল । কলো,

“নেকটাইদাল হব বাৰু । পূজাও চোৱা হব’ আৰু …

কথাষাৰ শেষ নোহওঁতেই তেওঁ কৈ উঠিল,

“মই কিন্তু পূজা চাবলৈ যেনেকৈ মাফিক যাব নোৱাৰো দেই ! নেদেখিলা সিদিনা যেবীয়ে কেনেকৈ জোকালে…… মোৰ কি নাই– তাইৰে অন্য মানুহৰ চামনোত্তে তেনেকৈ কব । নতুন কইনা বুলি আইয়ে মুখ-খন চুকুৰ কৰি থাকিব ক’লে ; নহলে দিলে হেঁহেঁৱেন মাকে কচুটো মুখে মুখে…… ।”

“—বৰা, সময় আছে নহয় । চেলোৱাৰ পাঞ্জাবী কেৱল তাইহে দেখিছে নেকি ? তাইতকৈ ভৱল ফুল থকা চিলাই আনিব লাগিব ।”

“— কেনেকুৱা লাগিব জানা— সেইবে ডাঙৰ ডাঙৰ হালধীয়া হাল-ধীয়া ফুল……গোটেই গাত নীলা নীলা বডা বডা……পাঞ্জাবী যোৱাজী যোৱেৰে পিন্ধে সেই মাফিক । দোপাত্তা কিন্তু একদম হাৱা মাফিক

ফিৰফিৰিয়া আৰু জিল-মিল লেচ দিয়া । ইয়াত পায় নে নাই জানো! সেই মেখেচ পিন্ধি ধৰাধৰি হেনচেক কৰি গলে কিযে ধুনীয়া লাগিব—একদম ফিল্মৰ মাফিক।"

পূজালৈ বেছি দিন নাছিল । সিফালে শহুৰৰ ঘৰত আঠমঙ্গলাও পতা হোৱা নাছিল । আঠমঙ্গলাৰ দিনটো দুবাৰো পৰিল, এবাৰ অৰ্থাৎ প্ৰথমবাৰ পৰিল ৰাইফৰ গা বেয়া কাৰণে । তেওঁ অজ্ঞান হৈ পৰাত মানুহৰ (ডাক্তৰে লোকৰ কথা শুনিহে মৃগী বেমাৰ বুলি কৈছিল ; ৰাইফেহে পিছত ক'লে যে তেওঁৰ প্ৰেচাৰ উঠে, "ডাঙৰ মানুহৰ হাই প্ৰেচাৰ হয়েই ।") তাৰ পিছৰবাৰ নোৱাৰিলো টেক্সীখনৰ কাৰণে । যোগীন মহন্তীয়ে নিউজৰ অফিচৰ যিখন টেক্সী ড্ৰাইভৰক কৈ আমাক আনি দিব বুলি ৰাইফক কৈ পৈছিল সেইখনো বোলে সিহঁতৰ অফিচাৰৰ ঘৈণীয়েকে ভায়েকৰ বিয়া খাবলৈ লৈ গল । সেইখনেই হেনো দৰাকো কইনা ঘৰলৈ নিব লাগিব । "টেক্সী নহলে আঠমঙ্গলাৰ কি ইস্টেটাৰ হব—মহেইবা কাৰ আগত নাক উলিয়াম"/ বুলি ঠেহ কৰি ঘৈণীয়ে কাপোৰ কানি জাপি থলে । গতিকে সেইবাৰো নহল । পিছৰ দিনটো অৱশ্যে সুবিধা বুজি শহুৰৰ ঘৰে ঠিক কৰাৰ কথা । সেই দিনটো পূজাৰ আগে আগে নাইবা পূজাৰ মাজতো হব পাৰে বুলি এদিন বোলে শাহুৱে জীয়েকক জনাই পৈছেহি ।

॥ আঠমঙ্গলা ॥

আঠ মঙ্গলা আচলতে বিয়াৰ পিছতেই পাতিব লাগিছিল ; শহুৰে ঘৰেও পাতিবলৈ মন কৰিছিল সময়ৰ ভিতৰতে । পিছে কেইবাটাও কাৰণ— ইটো-সিটোত পৰি আজিও দিনটো দিব পৰা নাছিলে আৰু সিফালে

শহুৰৰ ঘৰেও পাতিৰ পৰা নাছিল। এতিয়া যেনিবা দুৰ্গাপূজাৰ দিন কেইটাৰ ভিতৰতে যাব পৰা হ'ব বুলি এক প্ৰকাৰ ঠিক হৈ গ'ল।

আঠমঙ্গলা মানে আঠমঙ্গলাই—ভাতনো আমাৰ, অৰ্থাৎ মোৰ আৰু ৰাইফৰ, কৰিব লগা আছে কিটো! একেলগে ভালদৰে যাবা, খাবা আৰু ফুৰ্তি কৰি গুচি আহিবা। নতুন জোৱাই হিচাপে অৱশ্যে শাহু, শহুৰ আৰু সি পক্ষৰ অন্যসকলে চাবই। বেহ-ৰূপ ঠিক দেখিলে, 'ইষ্টেওৱাৰ' দেখুৱাব পাৰিলে তেওঁলোকেও ভাল পাব। কব—"জোৱাই কিন্তু ঠিক পালা দেই" "...অমুকৰ জোৱায়েক কিন্তু সাধি পালে দেই— ছোৱালীৰ কি ভাগ্য..."।

যোগীনে কলেহি, "ফিটফাট হৈ যাবি, ফিট ফাট হৈ বহিবি. কথা বেছিকৈ নকবি। আৰু এটা কথা, তোৰ মনটোযে বহল আৰু ডাঙৰ এই কথা যাতে তেওঁলোকৰ মানুহবোৰেও বুজি পায় সেই কথাতে মন দিবি। ইষ্টেওৱাৰটোহে আচল কথা— বুজিছ নে নাই ?"

ৰাইফেও ক'লে, "চাবা কিন্তু, ভাত মই যেন চৰম নাপাওঁ। মানুহ-চৰে আমাক দেখি ভাজ্জৱ দেখিব যেন। পূজা চাবলৈযে যাব খুজি-ছিলোঁ—সেই মাফিক তুমি মোৰ হাতত ধৰি ধৰি হেনচেক কৰি যাবা। ৰুক্মিনীৰ জামাই 'চহুৰ বাবাঁ' গৈছিল চব মানুহ তাজ্জুৱ হৈছিল... আমিও সেই মাফিক যাম দেই !"

হয়, পূজাৰ ভিতৰতে দিন ঠিক হ'ল।

যোগীন মহৰীয়ে 'টেক্সী-মটৰ খন নাপালে, আগতেই কৈছো। যেগীয়েৰ আকৌ বাছ মটৰত যাব খোজা নাই। তেওঁ ক লে, "কিবা এটা কৰা. মই কিন্তু বাছ-মটৰত যা-তা মানুহৰ ঠেলা-হেঁচাত যাব নোৱাৰো দেই। মানুহে কি কব ?"

যোগীনে ক'লে, এটা কাম নকৰ কিয় ? চব মানুহে বাটত বৈ বৈ চাব, গাওঁৰ মানুহেও তাজ্জুৱ মানিব।"

কিবা এটা অভিনৱ উপায় যেন হঠাতে আৱিষ্কাৰ হৈ গল। যেগী আৰু মই প্ৰায় একেলগে প্ৰশ্ন কৰিলো "কি ?"

"কি মানে ? সাহিত্য সভাৰ সভাপতিজনক ডাঙৰ মানুহ হয় নে নহয় ?"

"হয় ।"

"সকলোৱে তেওঁক বেচপেক আৰু চেলুত কৰে নে নকৰে ?

"কৰে ।"

"মটৰ গাড়ী সজাই তেওঁক তুলি আঁদিত লৈ শোভাযাত্ৰা কৰে নে নকৰে ?"

"কৰে । কিন্তু মটৰগাড়ী

"হেই বুৰ্বক—মটৰ গাড়ী নাই নাই । আমি ঠেলাগাড়ী সজাম, ৰিক্সা সজাম

এক বিপুল আনন্দত উদ্বাউল হোৱাৰ নিচিনাকৈ দুয়ো প্ৰায় চিঞৰাৰ দৰে কৈ উঠিলো 'হৰ—"

'কি আনিম ঠেলা নে ৰিক্সা ?"

ৰাইফৰ মুখলৈ চালো, তেওঁৰো মোৰ মুখলৈ চালে । দুয়োৰো চকুত প্ৰশ্নবোধক চিন—ঠেলা নে ৰিক্সা ?

যোগীনে ক'লে, "চা ৰিক্সাখনত কোনো নতুনত্ব নাই ; তাত্তৰ তাত্তৰ মানুহ মানে আত্মীয়সকল ৰিক্সাত নাযায়, যায় তোৰ মোৰ দৰে সাধাৰণ-বোৰে । একো ইন্টাৰেচ নাই ।"

"তেন্তে ?"

"ঠেলাগাড়ী এখন ঠিকহে বং বিৰঙৰ ফুল-মালাৰে সজাবি, তাতে দুয়ো বহি লবি,—বাটৰ মানুহে ৰ-লাগি চাব । কোন এক 'দেখিবাক শোভন । ৰথত চৰিয়া যাৱন্ত লক্ষ্মী নাৰায়ণ । সমস্তে দেৱতা পথে স্থিত হৈয়া হৰিষে দেখন্ত নিৰন্তৰে শ্বশুৰ গৃহ মিলল মিলল' "

তিনিও আনন্দতে অধীৰ হলো । মৈণীয়ে ক'লে. 'মহুৰীলাৰ বেৰেইমত যে ইস্মান মহালা আছে...... !"

যথাসময়ত যাত্ৰা আৰম্ভ হল । ঠেলাগাড়ীখনত যাহৰ স্বামী বাদ্দি, লৈ কৰি দিলে । কামীবোৰত তিনিকোণীয়াকৈ কটা ৰঙা নীলা আকৰ-...

ৰোধি আঁৰি দিলে। মাজতে ৰঙা নীলা কাগজেৰে থাক কৰি শিকলিৰ নিচিনাকৈ গাঁঠি মালা কৰি লগাই দিলে। ঠেলাৰ ওকোত ৰঙা পাৰি তাৰে ওপৰত পাৰি দিলে ডমকা-ডমক ফুল থকা এখন কাপোৰ।

দুয়ো তাতে বহিলো। ঠেলাৱালাই যোগীনৰ ইঙ্গিতমতে যাত্ৰা আৰম্ভিলে ঠেলি ঠেলি।

যোগীনে ক'লে, "তইঁত গৈ থাক; মই চাইকেলেৰে গৈ আছো।

আলিবাটত মানুহবোৰ।

ঠেলা-ৰথৰ ভিতৰত আমি।

ঠেলাৱালাই ঠেলি ঠেলি নি আছে, বাটৰ মানুহবোৰে এই অভিনৱ যাত্ৰা আৰু বাহন দেখি বৰ বৰ ওঁঠত আঙুলি দি চাই গৈছে। তেওঁলোকৰ ভিতৰত কোনোবাই কিবা কৈছে হয় পায়, ঠেলাৰ ঘৰঘৰণিত একো নুশুনি। চোৱাৰ ধৰণবোৰ কিবা আচহুৱা, নতুবা কিবা ইঙ্গিকিং কৰা ধৰণৰ। [illegible]ক্ষ কলো

"নেদেখিছা মানুহবোৰে আমালৈ কেনেকৈ চাইছে? চাৱনিবোৰৰ লগত যেন গোবৰ মিহলাই সিঁইতে আমাৰ গালৈ দলিয়াই আছে, তেনে লগা নাইনে?

ৰাইফে ক'লে, "কি কেয়াৰ কৰাহে সেইচবক! হিংসাত জ্বলি পুৰি মৰিছে,.........চা যেটাহ'ঁত, তিৰীৰ.........নকওঁ দিয়া মুখত কিবা ওলাব এতিয়া।"

পদুলিমুখত আমাৰ ৰথখন ৰল। ভিতৰৰ পৰা শাহু-শহুৰকে ধৰি আঠমঙলালৈ নিমন্ত্ৰণ কৰা ছোৱালী, তিৰোতা আৰু সৰু সৰু লৰা-ছোৱালী-বোৰে আদৰিবলৈ ওলাই আহিল। আমি ৰথৰ পৰা নমাৰ লগে লগে শাহু আৰু শহুৰে কিবা লাজ কৰা যেন কৰিছোন আৰু ভিতৰলৈ সোমাই গল। বাকী লৰা-ছোৱালীবোৰে ঘেৰি ধৰিলে। মুখত কাপোৰ দি

বহুতে ফুচফুচাই কিবা কব লাগিছে। এজনীয়ে কোৱা শুনিলো, "ডিনাৰতো টোওৱে কি আক! গৰু গাড়ী এখনো নাপালেনে?"

"সেইজনী নয়ন নহয়নে?"—প্ৰায় খং কৰাৰ নিচিনাকৈ কৈনীয়ে কৈ উঠিল। লগে লগে সকলোবোৰ নিমাত।

ভিতৰলৈ সোমায়েই দেখিলো যোগীন মহৰী বহি আছে। সি পাৰ্টৰ ভিতৰুৱা পোন বাটেৰে চাইকেল চলাই আমাৰ আগতে পাইছিলহি। চকুৰ থাৰতে সি বুজালে 'কোনো কথাতে কম নেদেখুৱাবি, কোনো কথাকে ভলত নকৰি, 'ইষ্টেন্সাৰ' ৰাখি চলিবি…'। চকুৰ থাৰতে কথাখিনি বুজি পালো। ময়ো চকুৰ ঠাৰতে বুজাই দিলো, 'ভয় নকৰিবি, মই ঠিক আছো।"

পেণ্ট, কোট, টাই মাৰি যোৱা জোৱাই আৰু শেলোৱাৰ-পাঞ্জাবী-দোপাত্তা পিন্ধি যোৱা জীয়েকক হাতত ধৰাধৰি কৰি যোৱা দেখি বোধকৰো শহুৰ-শাহুৰ মন আনন্দত নাচি উঠিছিল। শহুৰে খৰখৰকৈ ওলাই আহি ক'লে,

"হেৰ' কি চাই আছ তহঁতে? জোৱাইক বহিবলৈ পীৰাখন আনি নিদিয় কিয়?"

যোগীনে মোৰ মুখলৈ চালে– চাই ইঙ্গিত মাৰি ক'লে, 'ডাঙৰ মানুহৰ ডাঙৰ ডাঙৰ কথা হব লাগে'। যোগীনৰ মুখলৈ চাই কথাটো বুজি পালো আৰু লগে লগেই কৈ দিছিলো "পীৰা নহয়—চিয়াৰ টেবুল।"

চকী মাজিল হব পায়? লগে লগেই শহুৰে মূঢ়া এটা আনি বহিবলৈ দিলে।

এজনীয়ে বিচনী এখন আনি বিচিবলৈ ধৰিলে। মুখমণ্ডলী লম্পটীয়া-হয় হব পায়। ক'লে,

"ডিনাৰেবেলো এই গৰমখনত কোটচোলাটো খুলি নথয় কিয়? আৰু লাগিছে নেকি, নে কৰ… ?"

'ভলত কথা নকৰি' সাৰবাক্য বোলা যোগীনৰ কথাকেইষাৰ মনত কৈ উঠিলো, "টাইকোন!"

উত্তৰ শুনি তাই ৰাগিয়ে বল। বিচিবলৈ এৰি ভিতৰলৈ দৌৰ মাৰিলে।

তাৰ পিছতচোন শঙ্কৰ ওলাই আহি ডাক্তৰক মুখৰ ফালে চালে। মই কিবাখন পালো। হঁাহিও উঠিব খুজিছিল। কোনোমতে হঁাহিটো চম্ভালিব খোজোঁতে উঠিক এটা মস্ত কাণ্ড। ডাক্তৰকে শঙ্কৰে সুধিলে, বোপাৰ পানীও লাগিছে হব পায়; কাহিছাওঁৱে?"

"—পানীলগা নহয়—টি-বি।"

কথাখিনি ঠিকত পৰিছেনে নাই বুজিবলৈ যোগীনৰ ফালে চালো। চকুৱে চকুৱে পৰাতে বুজি পালো যে কথাটো আৰু ওপৰত কব লাগিছিল। হেন জানি শঙ্কৰৰ ফালে চাই লগে লগেই কৈ উঠিলো, 'ও ক্ষমা কৰিব, টি-বি নহয়, কেন্সাৰহে।"

শঙ্কৰ ভিতৰলৈ সোমাই গল; একো নকলেও, ঘূৰিও নাচালে। তাৰ পিছত দেখিলো ইজনী সিজনীয়ে ফিচ-ফাচকৈ শুনা-নুশুনাকৈ কিবা কৈ কৈ বেৰৰ জলঙাৰে জুমি জুমি মোৰ ফালে চোৱা আৰম্ভ কৰি দিছে।

এটা সমস্ত খোৱাৰ ডাক পৰিল।

মজিয়াতে সজাই দিয়া ডাঙৰ কাঁহীখন যে মোৰ বাবে নিৰ্দিষ্ট কৰা সেই কথা মই দেখিয়েই বুজি পালো। সেইমতে পীৰাখনো ডাঙৰ। মোৰ কাষৰ পীৰাখন অলপ সৰু; সজোৱা কাঁহীও সেই অনুপাতে মিলোৱা। বুজি পালো সেইখন আসন যোগীনৰ। বিয়াৰ দিনাও যোগীন মোৰ 'দৰাধৰা' মাহুজন আছিল, সেইমতে আজিও।

সকলোবোৰে নিজৰ নিজৰ পীৰাত বহিল। খুৰা-শহুৰেহে পায়—তেওঁ ক'লে; "পেন্ট চোলা পিন্ধি বোপাৰ অসুবিধাই হব নেকি পীৰাত! হেৰ' তহঁতে বহিবলৈ এটা মূঢ়া আৰু কাঁহী-বাতিৰ বাবে এখন টুলকে দিব নোৱাৰিলিনে? ইহঁতবোৰক কি আৰু...!"

মই কব খুজিছিলো 'নালাগে খুৰা, পীৰাতেই চলি যাব [illegible] যোগীনৰ মুখৰ ফালে চাই কলো, "নালাগে, মই থিৰ হৈ থাম।"

ৰাইফ ওচৰতে আছিল। তেওঁৰো প্ৰায় লগে লগেই কৈ উঠিল, "এওঁৰ বহি খোৱা অভ্যাস নাই, টেবুলত খায়। বাগানৰ মেম চাহাব সকলে যে কিবা 'বুফে' কৰি থিয় হৈ হৈ ভোজ-ভাত খায় এওঁৰো সেই মাফিক খায়।" তাৰ পিছত কাঁহীখন এঁহাতে আৰু বাটি এটা এহাতে ওপৰলৈ তুলি ধৰি মোক ক'লে, "তুমি খাই লোৱা- মই ধৰি আছো।"

আঠ-মঙ্গলা খোৱা কৰ্ম সমাধা কৰি বিদায় লবৰ হৈছে। যোৱাৰ আগতে বাটে পথে কৰবাত অসুবিধা হব পাৰে বুলি আগতীয়াকৈ কৰ্ম সমাধা কৰি আহো বুলি কোট পেণ্ট পিন্ধাই পিন্ধাই বাৰীৰ কালে সোমালো। × × × খাৱৈৰ পাৰতে কৰ্ম্মকেৰা সমাধা কৰি কোনোমতে লেখে বুলি বহি বহিয়ে পেণ্টৰ বুটাম মাৰি লোৱা হল। এতিয়া বাওঁহাতে লোটাটো লৈ যে থিয় হবলৈ চাওঁ মইচোন উঠিব নোৱাৰো মোক কিহবাই তললৈ টানি নিয়ে। হায় কপাল—এতিয়াহে মৰিলো, কৰবাৰ ভেও-ভূতৰ কবলত পৰিলো বুলি ভয়তে থৰ্‌থৰকৈ কপিছোঁ। এই উঠিব খোজো—এই টানি ধৰে।

আগতে বোপীনেও এবাৰ কৈছিল বোলে এইকালে ভূত-প্ৰেতৰ সংখ্যা বেছি। বিয়াৰ আগতে মোৰ ৰাইফৰ লগত এদিন সন্ধিয়া সি নদীৰ পাৰত বহি কথা পাতি থাকোঁতে অকলশৰীয়াকৈ পাই হেনো ভূতে দুয়োটাইলৈকে চপৰা দলিয়াইছিল। তাৰ পিছত হেনো অমৰা জোপাত উঠি ভূতটোৱে তাক মোৰ এনেকৈ জোকাৰি দিছিল যে ভয়তে দুয়ো দুয়োকো সাবটি ধৰি আছিল। তাৰ পিছত নিশা বহুত হোৱাতহে দুয়ো জ্ঞান পাই ঘৰলৈ আহি কথাখিনি কলত শ্ৰীমতীৰ মাকেও বোলে কৈছিল, "তাইৰ এই ৰাতিখন কিয় গৈছিলা? সেইখন বাৰীত যখিনী আৰু পকাবুঢ়া একেলগে থাকে।" কোনোমতে সৰিয়হৰ গুটি পাত জটিয়াই তুলসীৰ পানী খুৱাই বস্তা কলকীয়া পুৰি গুণ্ডাই দিলতহে বোলে দুয়ো: কেনা সুস্থিৰ হৈছিল। গতিকে সেই ভূতেই মোকে ধৰিলে হব পাৰে।

মই প্ৰায় অজ্ঞান হোৱাৰ নিচিনাকৈ মাটিতে কুঁজা হৈ বাগৰি আছিলো, কঁকাল পোনাব নোৱাৰি, আঠু চিধা কৰিব নোৱাৰি—কিহবাই টানে।

মোৰ সমস্ত শৰীৰত ঘাম। কোট চোলাৰ তলত নেকটাই মাৰি থকা চোলাটো তিতি গৈছে।

কিমান পৰ তেনেদৰে পৰি আছিলো কব নোৱাৰো। এবাৰ জ্ঞান পোৱা যেন হৈ দেখিলো—কোনোবাই মোৰ চকুত পানী মাৰিছে। চকু মেলি চাই দেখো যে বহুত মানুহে মোক ঘেৰি ধৰি হৈচৈ আস্ আস্ কৰি আছে। তাৰ পিছত কোনোবা দুজনে মোক তুলি চিট্‌টৈকে শুৱাই দিব খুজিও নোৱাৰে। চিধা হব নোৱাৰি। তাৰ পিছত এজনে কিবা পৰীক্ষা কৰি চালে। তেওঁ কোৱা শুনিলো "পেন্টৰ বুটামবোৰ কোটৰ বুটামৰ বাভত মৰা? দিয়া কটাৰীখন" বুলি বুটামটো কাটি দিলত কেঁকাল পোন হৈ, চিৎ হৈ মাটিতে ভৰি মেলি বাগৰি পৰিলো। অৱশ্যে তেনেদৰে বেছি পৰ বাগৰি থাকিব নালাগিল, কোনোবাই থিয় কৰাইও দিলে।

তেতিয়া বাতি হৈ আহিছিল। ঘৰলৈ নি কোনোবাজনে মূঢ়া এটাতে বহুৱাই দিলে। ৱাইফ ওচৰলৈ আহিল; সুধিলে "নাৰ্ভাজ হৈছিলা নেকি?"

'ও' বুলি কব খুজিছিলো; তেওঁৱেই বাকীবোৰক ক'লে, "এওঁৰ নাৰ্ভত মাজে মাজে ভাঁজ লাগে সেই কাৰণে নাৰ্ভাজ লাগিলে পৰি যায়। জুই আৰু পানীৰ কিনাৰত বৰ ভয়, সেই কাৰণে ডাক্তৰে তেওঁক জুই আৰু পানীৰ কিনাৰ হবলৈ ইস্টপ কৰিছিল—তেওঁহে কথা নুশুনে।"

শাহুৱে হব পায়, বৰ ভয় খালো বুলি ভাবি এঘটি পানী আনি সুধিলে, 'এধোক পানী খাই দিয়া বোপাই, ভাল পাবা।"

ৱাইফেও ক'লে, "এতিয়া সন্নিয়া হলতো, তেওঁৰ কিনাৰলৈ মনত পৰিছে হব পায়। এওঁলোকৰ কিনাৰটো আকৌ বৰ ডাঙৰ; বিলাতীহে চলে।"

কথাবোৰ শিলৰ ৰেখা।

আচলতে বক্তাৰত কথাটো যেনে খবৰে'ৰ যিমানখিনি উলাইছে ঠিক তিমান নহয়। অৱশ্যে মই কব খোজা নাই যে কথাটো একেবাৰে মিছা। আপোনালোকে বাতৰি কাগজ পঢ়া মানুহবিলাকে হেনো কেতিয়াবা কেতিয়াবা কোনোবা মন্ত্ৰী বা এম.এল.এ বা কোনোবা নেতাৰ কথা কিবা দুৰ্কাৰ্য্যৰ কথা পঢ়ে। পিছত বোলে সেইবোৰ কথা সম্পূৰ্ণ মিছা, মনে সজা ৰাজনৈতিক অভিসন্ধিমূলক, চৰিত্ৰ হননৰ কাৰণেহে কোনোবাই সেইবোৰ লিখিছে—ইত্যাদিবোৰ লিখি পৰিষ্কাৰ কৰি দিয়া কথাও পঢ়িবলৈ পায়। পিছে কেতিয়াবা আকৌ সেই কাগজৰে সাংবাদিকে হেনো ঘটনাৰ সত্যতা বৰ্ণাই দিছে বুলি কোৱা কথাক প্ৰত্যাহ্বান জনায় আৰু সিপক্ষই বোলে কেতিয়াবা নমতা হৈ পৰে। আপোনালোকে বোলে তেতিয়া ভাবি লয় যে কিবা নহয় কিবা এটা লেঠা আছেই। কিবা এটা সূত্ৰ নহলে কথাবোৰ ওলাব কেনেকৈ?

আমাৰ কথাও তেনেধৰণৰে বুলি, সাহস কৰি, আমি অন্ততঃ বুকু ফিন্দাই কব পাৰো। আপোনালোকে শুনা বা হাটে বজাৰে আলোচনা কৰা কথাটোৰ সত্যতা আচলতে একেবাৰে নাই বুলি আগতে কৈ থোৱা সকলৰ মতে যেনিবা পোণপোণেই অস্বীকাৰ নকৰো। আৰু সঁচা কথা কবলৈনো আমি কাক 'পৰোৱাই' কৰিম! মোৰ ঘৈণীও এই বিষয়ত খাটি। আৰু এটা কথাও দিয়কচোন—নিজৰ গুণ আৰু সাহস থাকিলে বাটে-ঘাটে আলোচনা কৰি কোনে কাক কি কৰিব পাৰে হেৰি? আচল কথাত ঠিক থাকিলে কোনে কাক সাপৰ কৰি নুছুৱাব পাৰেনে? মোৰ ঘৈণীয়েও যি কথা ভাবে সেইটো যেনিবা শিলৰ বুটা, যি কয় সেয়া যেনিবা শিলৰ ৰেখা। উদাহৰণ লাগে নেকি? চাওক কৈছো:

বিয়াৰ সাত কি আঠ দিনমান' পিছতেই—এদিন তেওঁক ক'লো,

"হেৰি নহয়, বাহি দাঁত ঘুঁপাৰি থুলি থৈ বাহিপুৰা পিন্ধিবলৈ পাহৰি আলহীক মাত লগালাগৈ। অইনেও গম পালে কথাটো, কি হবৰ হ'ল—আজিৰ পৰা দাঁত ঘুঁপাৰি নোখোলাকৈয়ে শুবা; লাগিলে পুৱাই উঠি বাথৰুমত সোমাই ভালকৈ ব্ৰাছ কৰিবা; তেতিয়া অইনেও গম নাপাব অ'ক লগৰ জিনিছ লগতে থাকিব যেতিয়া ভুল হবৰো ভয় নাথাকে। ইতিমধ্যে গম পাই যোৱা আলহীজনেও নিজেই দেখাত ভুল বুলি ভাবি নিজ নিজেই লাজ পাই যাব।"

কথাটো কৰহে পালো'—উঠিল নহয় জিকাৰ মাৰি। মোলৈ চকু ঘোঁপা কৰি চাই ক'লে,

"তুমিহে একেবাৰে নট-কেৰাৰ—একদম এবচেন-মাইন (*) মানুহ। মই ন-কইনাজনীয়ে আলহীৰ আগত কি ৰকম ওলাইছো, কি ৰকম ভেবেচ কৰিছো—এইচব কথাত তুমি নজৰ দিব নালাগে নেকি? মোক যে চকুত পেলাই মৰিলা -তোমাৰ দিল খাৰাপ নালাগিলনে .... ?"

তাৰ পিছত হুকহুকাই কান্দি কান্দি কবলৈ ধৰিলে, "আজি অত বছৰে বিয়েদীত মোক কোনেও এবাৰ 'তু' বুলি কথা কব পৰা নাই, কোনেও মোৰ মুখৰ ফালে চাই ফেচ-টু-ফেচ কথা কব পৰা নাই, কোনেও ইয়াৰ্কি মাৰিব পৰা নাই—অথচ আজি এইজনৰ লগত পৰি মোৰ কি হল ঐ .... হাচবেন হৈ মাইকক কি বে-ইজ্জতি কৰি মাৰে ঐ

মোৰ বেয়া লাগিল বুজিছে? তেওঁৰ চকুৰ পৰা বৈ অহা খৰস্ৰোতা জলধাৰাই মোৰ মৰুৰ দৰে শুকান আৰু শিলৰ দৰে কঠিন হৃদয়খনিক গলাই পানী কৰি পেলালে। মুহূৰ্ততে মই তেওঁৰ ওচৰ চাপি গৈ কলোঁ; "নাকান্দিবা মোৰ জানটি, তোমাৰ চকুত পানী দেখি মোৰ যে অন্তৰ ফাটি গৈছে.....অ' মোৰ সোণজনী।" —এই বুলি তেওঁৰ কাষ চাপি মৰম কৰি দিওঁ বুলি হাতখন মেলিছোঁহে—তেওঁ বহাৰ পৰা হাত্ কৰি উঠি ক'লে,

"নালাগে -নালাগে মোক মৰম কৰিব; মই আজিৰ পৰা নিজৰ মেক আপ নিজে কৰিম, নিজৰ চুলিৰ কপপ নিজে কৰাই লম,

(*) এবচেন মাইন্ড এবচেন্ট মাইণ্ডেড

নিজৰ চুলিৰ খোপা নিজে বজাবৰ পৰা বাচি আনিম .. .. নালাগে নালাগে মোক কোনেও .... ।”

সেই দিন ধৰি মোৰ বাইক এই বিষয়ত 'ইন্দিপেণ্ডেণ্ট' । তেওঁৰ মুখৰ পৰা যি এবাৰ কথাষাৰ ওলাল সেই দিন অৱধি সেয়া শিলৰ ৰেখা হৈ আছে ।

আচলতে আপোনালোকে ওলাব নিচিনাকৈ কিন্তু মোৰ বাইক বদ্‌মেজাজী নহয় দেই ! বৰং বহু ক্ষেত্ৰত তেওঁ সহনশীলাহে (আপোনালোকে ভুল ধাৰণা লব পাৰে বুলিহে কব লগা হ'ল) । প্ৰমাণ স্বৰূপে কওঁ শুনক ।

এদিনৰ এটি ঘটনা । ঘটনা মানে আচলতে "ঘটনা" নহয় এটা ইন্‌চিডেণ্টহে ।

সিদিনা আছিল দেওবাৰ । ওচৰৰে হেৰম্ব শইকীয়াৰ ডাঙৰজনী জীয়েকক আঙঠি পিন্ধাব । নিমন্ত্ৰণ কৰি গৈছে—আমি যেনেতেনে মতে যাব লাগে ।

গলোঁ । চোতাল পোৱাৰ লগে লগেই শইকীয়া আৰু শইকীয়ানীয়ে আগবঢ়াই নি মোক সমাজতে বহিবলৈ দিলে আৰু শইকীয়ানীয়ে তেওঁক ভিতৰলৈ মাতিলে । তেওঁ অলপ পৰ হৈহু-নেহুকৈ থাকি পিছত লাহে লাহে গল আৰু আধাঘণ্টামানৰ ভিতৰতে ওলাই আহি মোৰ কাষত থিয় হৈ ফুচ্‌ফুচাই কবলৈ ধৰিলে, “বাওঁ বলা, মোৰ ভাল লগা নাই........ ।”

মই আচৰিত হৈ সুধিলো, “কি হ'ল ?”

“—ভাল লগা নাই, ছোৱালীবোৰে দেখোন কেনেবা কেনেবাকৈ চায়, মোলৈ চাই ইকাণ-সিকাণ কৰি কিবা ফুচ্‌ফুচাই কথা কয় আৰু ওঁঠৰ তলতে হাঁহে ....”

“হলেওতো যাব নোৱাৰি; এখন মানুহৰ ঘৰলৈ আহিছোঁহে, এতিয়াই উঠি গলে মানুহে কি বুলি ভাবিব...... ..?”

“যি ভাবে ভাবক, তুমি নাহা যদি থাকা, মই আহিলোঁ”—এই বুলি তেওঁ আগবাঢ়িলেই ।

মই কোনোমতে “তেওঁৰ গা বৰ বেয়া; মই তেওঁক লগত লৈ আহোঁ”

বুলি মাত লগাই আ'হাঁমানে তেওঁ ইতিমধ্যে আগবাঢ়ি বহুদূৰ পাইছে।

অন্ধকাৰ ৰাতিৰ বাট। তেওঁ বহুদূৰ পালেগৈ বুলি বেগাই খোজ লৈ আহি ঘৰ পালোঁ। কপ্তা! তেওঁচোন নাই! বাটতোচোন মই কতো তেওঁক পাব লৈ অহা নাই—ভালদৰে চাই আহিছোঁ।

সিদিনা ৰাস্তাৰ লাইটকেইটাও জ্বলা নাছিল গোটেই বাটটোৱেই আন্ধাৰত বুৰ গৈ আছিল।

আকৌ উভতি আহিলোঁ। শুনিলো- আগত কাৰোবাৰ কোলাহল: "ধৰা—ধৰা, ভোলা- ভোলা……..."

মানুহে জুম পাতিছিল। কথা হ'ল—এওঁ গল ক'লৈ? নে মোৰে কিবা ভুল হৈ গল? ঘৰলৈ আহো বুলি নাহি পুনৰ কোনোবা ফালেদি আকৌ শহকীয়াৰ ঘৰতে সোমালগৈ নেকি?

গৈ আছোঁ। গৈ আছোঁ। মনত কিমান চিন্তা? কিজানি কিবা দুৰ্ঘটনাই হৈ গল……যিহে দিনকাল—কিজানি কিবা ঘটনা ঘটি গল……… কিজানি কোনোবাই দাঙি……!

মোৰ কি হৈছিল কব নোৱাৰো বুজিছেনে! মোৰ মনৰ গতি আৰু খোজৰ গতি মিটাৰত কিমান উঠিছিল সেই কথা ভাবিবলৈ মোৰ অৱসৰ নাই; মাথোন এটাই ধান্দা, এটাই কথা আৰু বহুত কুভাব।

গৈ আছোঁ—গৈ আছোঁ: সেই জুম পাতি গোলমাল কৰি থকা মানুহখিনিক কোন ফালেদি পাৰ হৈ গুচি গলোঁ কব নোৱাৰো; মুঠতে মই গৈ আছোঁ, গৈ আছোঁ…… ।

এনেতে পিছফালৰ পৰা কোনোবা এজনে চিঞৰি চিঞৰি দৌৰি আহিল আৰু মোৰ কাষ চাপি উধাই-মুধাই গালি পৰাৰ নিচিনাকৈ ক'লে, "আপুনি কি মানুহহে নগৰীয়া; আপোনাৰ বাইক ড্ৰেইনত পৰি হাত-ভৰি ভাঙি, লুতুৰ পুতুৰ হৈ পৰি আছে; অথচ আপোনাৰ খবৰ নাই……… ।"

"হেঃ! কি কলে? মোৰ বাইক ……… ?"—প্ৰশ্নৰ উত্তৰ আৰু শুনিবলৈ নহল; ওলোটা পাকেঁ ঘূৰি জমা হৈ থকা মানুহবোৰৰ ওচৰলৈ

আহি চাওঁ যে তেওঁ আন্ধাৰতে কেঁকাই কেঁকাই মানুহমখাৰ মাজতে পকা আলিৰ ওপৰত পৰি আছে। মই গৈয়ে তেওঁক সাৱটি ধৰি তোলো বুলি কাষ পাওঁতেই ভেকেচ্‌কৈ নাকত লাগিল এটা গোন্ধ—মদৰ গোন্ধ (ব্ৰেইনতে আছিল হব পায়)। তথাপি দুহাতেৰে ধৰি দাঙি বহুৱাবলৈ চেষ্টা কৰো; কিন্তু তেওঁ বহিব নোৱাৰে; কেৱল গেঠনি। মানুহবোৰে ক'বলৈ ধৰিলে.

"কি চাই আছে—হস্পিটেললৈ নিনিয়ে কিয় ?"

এজনে ৰিক্সা এখনো আনি দিলে।

হস্পিটেলত ডাক্তৰে ততালিকে অপাৰেশ্যন কৰাবলৈ নি মোক ক'লে, "কিবা এটা 'এব্‌নৰমেলিটি' দেখিছোঁ।"

বাহিৰত মই, ভিতৰত ডাক্তৰ, নাৰ্চ আৰু পেচেণ্ট।

মই উদগ্ৰীৱ হৈ আছো, বুকুখনে খিপখিপাই আছে, অন্তৰত বিদীৰ্ণ কান্দোনৰ ৰোল ··কিবা এটা হৈ গলেনো মোৰ কি হব ঐ····· এই দীৰ্ঘনাসাৰ ওচৰলৈ আৰুনো কোনজনী আহিব ঐ·········।'

হঠাৎ বুকুখন বিষাবলৈ ধৰিলে। তাৰ পিছতেই উঠিল দুক-দুক কঁপনি হিয়াৰ মাজত। তাৰ পিছতে মূৰটো আচন্দ্ৰাই কৰা যেন পালোঁ; তল পেটত কিবা বিষ উঠা যেন লাগিল। হস্পিটেলৰ বাৰান্দাতে বহি পৰিলোঁ। মূৰে কপালে হাত দি। মুখখনো বমি বমি লাগিছে... ...।

এইখিনি পৰতে মোৰ আকৌ মনত পৰিল বৈণীলৈ। বিয়াৰ কেইদিনমান পিছত এদিন এনে এটা সময়তে তেওঁৰো মূৰটো আচন্দ্ৰাই কৰিছিল, তলপেটটো বিষাইছিল, বমি বমি ভাব হৈছিল। বুকুখনত কঁপনি উঠিছিল। ডাক্তৰে কৈছিল, "বহুদিনীয়া মানসিক যন্ত্ৰণা থাকিলে এনেকুৱা ধৰণৰ অসুখ হব পাৰে·······" এজন মনোতাত্বিকে, কৈছিল: "বিফল প্ৰেম বা সাংঘাতিক ভয়তো এনেকুৱা হব পাৰে, আৰু এজনে কৈছিল, গৰ্ভপাতৰ সম্ভাৱনা ঘটিলে বা সঘনাই গৰ্ভস্ৰাৱ হলেও বহুদিনলৈ এনেবোৰ অসুখ হব পাৰে " (হেবৌ—বিয়া কৰোৱা কেইদিনমানহে হ'ল ?)··· আমাৰ ভাড়া ঘৰৰ কাষতে থকা এগৰাকী বুঢ়ীয়ে কৈছিল, "কিমোখন কৰ ভাইছেহে জান········ বুঢ়ী এজনী চপাই আনিছ; হাড়ে-হাড়ে জলাটো

চলে কোটৰত সোমোৱা আপদৰে কিবা লেঠা ।’ বৃটীজনীলৈ মত খং উঠি গৈছিল। তাৰ পিছত আৰু এদিন তেওঁৰ ঘৰকৈ লৈ বিৰাইছিল তাৰ পিছত বহুত কিবাকিবি হওঁতে এজনী ডাক্তৰনীয়ে দৰৱ দিহে ভাল কৰিছিল। ডাক্তৰনীজনীয়ে কৈছিল ‘ব্লিডিং বেছিকৈ হৈছে শক্তিকে দুৰ্বল। তেজ অহা দৰৱ খুৱাওক ।’’ শক্তিক সিদিনা হস্পিতেলৰ বাৰান্দাত মোৰো মি থৰথৰ মূৰ ঘূৰোৱা, মূৰ আচন্দ্রাই কৰা বুকু ধৰফৰ কৰা আদিবোৰ হৈছিল, তেতিয়া মোৰ ভয় হৈছিল কিজানি মোৰো ৰাইফৰ দৰে কিবা এটা হয়েই। ভাগ্যে যেনিবা একো নহল, আৰু অলপ পিছতে ভাল পোৱা যেন পালোঁ।

প্ৰায় আধাঘণ্টা পিছত ডাক্তৰ ওলাই অহিলত মোৰ আৰু ভয় লাগিল—যেন ভয়ানক কিবা এটা অমঙ্গলীয়া খবৰ লৈ আহিছে। ডাক্তৰে আহি পোনচাটেই সুধিলে “ৰাতি নেদেখে নেকি—অৰ্থাৎ কুকুৰী কণা জাতীয়

এৰা হয়েই, ঠিকেই ৰাতি হলে তেওঁৰ আন্ধাৰত মস্কিল হয়। এই কাৰণে দুই এটা ঘটনাও ঘটি গৈছে। যেনে—এদিন ৰাতি তেওঁ পায়খানালৈ যাব লগা হ’ল। আমাৰ পায়খানাটো যিফালে আছে তাৰ বিপৰীত ফালে পাখোৱা ঘৰটো। আন্ধাৰত দিশ ভুল কৰি খেপিয়াই খেপিয়াই গৈ পায়খানা বুলি বাথৰুমতে সোমাল আৰু তাতেই

আৰু এদিনৰ কথা। শুবৰ সময়ত ক’লে ‘ বাহিৰৰ লাইটটো নাই টৰ্চটোৰো বেটাৰী নাই।’’

“কিয়—কি কৰা ?”

“বাহিৰলৈ আন্ধাৰে যুক্তাৰে ।’

“কিয় ভয় লাগে নেকি ? বলা মইয়েই চাই থাকো।”

দুয়ো বাহিৰলৈ ওলালোঁ। তেওঁক ক’লো, “তুমি যোৱা—একো ভয় নাই, মই ইয়াতে আছোঁ।”

তেওঁ দেখোন অলপমান আঁকোৰাটিয়েই কণা মানুহে কিবা খেপিয়াৰ ধিটিনাইক হাত এখনেৰি খেপিয়াই আখৰাহি আকৌ পিছুৱাই আহি মোক

ক'লে, "হেৰি নহয়, তুমি ক'ত ?"

'কিয়—মই দেখোন ইয়াতে আছোঁ।—ভয় নাই দিয়া।"

"নহয় মানে ··· আহাচোন, মই দেখোন বাটটোকে আন্দাজ কৰিব নোৱাৰো।"

মই আগবাঢ়ি গলোঁ। কলোঁ, "আহিছোঁ। দিয়া– ভয় নাই মোকা।"

তেওঁ দেখোন যিফালে যাব লাগে সিফালে নগৈ বাওঁহাতলৈ গল আৰু পুনৰ খেপিয়াবলৈ ধৰিলে।

মই কলো, 'তুমি কি কৰিছা এইখন, কোনফালে গৈছা ?"

'বৰা মই দেখোন এ'কো তৰ্কিবই পৰা নাই।"

সেহে মই যেনিবা আগবাঢ়ি গৈ তেওঁক ধৰিলোঁ আৰু ঠাইখনত থিয় কৰি দি পিছুৱাই আহি কলোঁ পলম নকৰিবা তুমি নেদেখা নেকি ?"

তাৰ পিছত তেওঁক হাতত ধৰি ঘৰলৈ আনি আকৌ সুধিলো, "বাতি হলে তুমি নেদেখা নেকি ?"

প্ৰায় মূৰ জোকাৰি নিচিনকৈ তেওঁ ক'লে যে আচলতে তেওঁ নেদেখা নহয়। পিছে মই তেওঁক কিমান মৰম কৰো সেই কথা চাবলৈহে তেওঁ ভেনেখন কৰিছিল।

তাৰ পিছত মই অৱশ্যে সদায়ে তেওঁক মৰম কৰি আঁজাৰত হাতত ধৰি অনা-নিয়া কৰি আহিছো।

ডাক্তৰে কোৱা কথাষাৰ শুনি মোৰ কৰৱ মন গৈছিল—'তেওঁ কিজানি ডাক্তৰৰ পৰাও মৰম বিচাৰিছিল।" কিন্তু কিয় ? ডাক্তৰে সুধিলে কিয় ?

ডাক্তৰক কলো, 'নহয় মানে.........।

ডাক্তৰে হাঁহিলে আৰু কলে, "তেওঁক ভালকৈ দৰৱ খুৱাওক।"

"হব বাৰু দৰৱ খুৱাম ; কিন্তু অপাৰেশ্বান চাকুচেন্দুলনে ?"

ডাক্তৰে কলে, 'অপাৰেচন কেলেই ? তেওঁৰ আচলতে 'একো' হোৱা নাই—গাটো শকত যেন দেখুৱাবৰ কাৰণে গুলত কেইবাজৰপো কাপোৰ মেৰিয়াই থোলে যিয়া ঘৰলৈ গৈছিল; মোইনৰ পানীয়ে মানুহজনীক কাপোৰ

কানিৰে সৈতে জপতিয়াই ধৰিলে, এনেকৈ আঁতি ধৰিলে যে তেখেতে উশাহ পৰ্য্যন্ত লব নোৱাৰা হৈ পৰিছিল। একো হোৱা নাই -আমি কেচিৰে কাটি কাটি কাপোৰবোৰ এৰুৱাইছোঁ। আপুনি এবোৰ কাপোৰ আনি তেখেতক পিন্ধাই ঘৰলৈ লৈ যাওক

এদিন নিশা কাষৰ ঘৰতে থকা মজুমদাৰে মোক আহি ক'লে, ' হেৰি দলবীয়া আপোনালোকৰ মতা-তিৰোতাৰ কাজিয়া'ৰ কাৰণে আমি চুবুৰীয়া মানুহবোৰ থকা টান হৈছে। দিন নাই, ৰাতি নাই—কেৱল কাজিয়া, দ্বন্দ্ব, হাই-উৰুমি খেং তেৰি, হয় আম্যাকে বওক ইয়াৰ পৰা যাবলৈ নহলে আপোনালোকেই যাওকগৈ অশান্তি লগাই নাথাকিব।"

মই বোলো "হেৰি ববচোন, আপুনি ইমান গৰম হৈছে কিয়? গৰম মেজাজ আমাৰো আছে বুজিছে? আমাৰ মতা মাইকীৰ কথা; ইয়াত আপোনালোকে মাত মাতিবহি কিয়?'

মজুমদাৰে ক'লে 'মতা মাইকীৰ আচৰণ যদি এনেকুৱা হয় তেন্তে আপোনালোক এই ঠাইত বা ভদ্ৰ সমাজত থকা উচিত নহয়।"

ৰাইকে ভিতৰৰ পৰাই শুনি আছিল। তেওঁ বায়ুবেগে ওলাই আহি মোক সম্বোধি কোৱাৰ নিচিনাকৈ ক'লে,

"গিৰিয়েক-ঘৈণীয়েকৰ মাজত হোৱা কথা-বতৰাত মাত মাতিবলৈ আন মানুহৰ লাজ নালাগে নেকি কৈ নিদিয়া কিয়?"

মজুমদাৰ মনে মনে থাকিল।

ৰাইকে পুনৰ ক'লে, "ভিতিত মেখেলা লোৱা মানুহৰ মুখত মাত নোহোৱা হ'ল নেকোন? কৈ দিয়া আনৰ নিচিনা তিৰোতা সেকুৱা তুমি নহয় বুলি! তোমাৰো এটা প্ৰেক্‌টিচ (*) আছে। কিন্তু আনৰ নিচিনা চোট-মনৰ আমি মানুহ হব নোৱাৰো নহয়—আমাৰ পুৰুষো প্ৰেক্‌টিচৰ মানুহ, কত কি হৈছে এইচৰ কথা শুনি বুজিব। হেৰা, কি চাই আছা, মুখৰ আগত এচপেচ কৰি নিদিয়া কিয়? নহলে আৰু লাই পাই যাব নহয়।'

(*) প্ৰেক্‌টিচ—প্ৰেচটিজ।

মজুমদাৰে ক'লে, "অলপ ভদ্ৰ হওক, মই আপোনাক একো কোৱা নাই, আপুনি ভিৰোভা মানুহ।"

মজুমদাৰে কথা শেষ নৌ কৰোঁতেই এওঁ ক'লে, "এতিয়া এই মাজ ৰাতি আমাৰ গৃহস্থই কাৰ গিৰিয়েক ঘৈণীয়েকে কি কৰিছে এইচব কথাৰ খবৰ লবলৈ যোৱা নাই নহয়; হাল্লা কৰিলেও আমিয়েই কৰিছোঁ, কাকো 'ডিচ্‌টুৰ্ব' কৰা নাই ...... হেৰা; আহা—আৰু যদি কোনোবাই কিবা কয় আমাৰো বাঢ়নী আছে বুলি কোৱা।"

তাৰ পিছত দুয়ো সোমাই দুৱাৰখন বন্ধ কৰি দি বিচনাত বহিলহি।

তেওঁ ক'লে "কেনে বেয়া হ'ললে? মাত্ৰ তুমি ঠিক থাকিবা। আমি দুয়ো যদি 'ইউনেট' হৈ থাকিব পাৰো আমাক কোনে মাৰে? সকলোৱে চমজি থাকক—আমাৰ কথা শিলৰ ৰেখা, ইষ্টুপিড মানুহৰ নিচিনা আমাৰ ভাঁজ নাই ......

।। দাম্পত্য জীৱনত বানপানী ।।

আপোনালোকৰ বহুজনে সোধা কথাবোৰ যেনিবা মোৰ ৰাইজৰ কাণত পৰাগৈ নাই। অৱশ্যে মই তেওঁৰ কাণত পৰিবগৈ পৰা অৱস্থা এটা তৈয়াৰ কৰা নাই। আৰু এটা কথা, তেওঁৰ কাণত পৰিলেও যে কিবা এটা ডাঙৰ অঘটন ঘটি যাব তেনেও নহয়; তেনে ধৰণৰ কোনো ভয়ৰ কাৰণো মই দেখা নাই। সম্ভ্ৰান্ত পৰিয়ালৰ কন্যা, সাধ্বী পত্নী হিচাপেও তেওঁৰ যিখিনি সহনশীলতাৰ আৱশ্যক সেইখিনি তেওঁৰ আছে। সেই গুণৰ কাৰণেই অতবোৰ মানুহৰ তেওঁ প্ৰিয়পাত্ৰ আৰু পৰম বিশ্বাসী হব পাৰিছে। ভেম কৰিব জনা ছোৱালী হলে তেওঁ কাহানিবাই কৰি দেখুৱালেহেঁতেন। অৱশ্যে কথাটো আছিল গোপন; সেই কাৰণে গুপুত কথাটি গুপুতে থকা হলে ভাল আছিল; তেওঁ এনে ৰিএক্সন, অৰ্থাৎ প্ৰতিক্ৰিয়া, প্ৰকাশ কৰিব নালাগিলেহেঁতেন।

মোৰ দাম্পত্য জীৱন, অৰ্থাৎ আপোনালোকৰ বহুজন পাঠকে ইংৰাজীত কনজুগেল লাইফ'—বোলা জীৱনটো, অতি সুখৰ, অতি মধুৰ বুলি কাৰোবাক কব লাগিব নেকি বা কলেহে হব নেকি? পতি-পত্নীৰ যি মৰম, যি সৌহাৰ্দ্য যি প্ৰীতি, যি ভাল পোৱা সেই আটাইবোৰ থকাই কেৱল নহয়, বহুক্ষেত্ৰত আমাৰ মাজত তাতোকৈ বেছিকৈ থকা বুলিহে বহুতে কোৱাকুই কৰে। অৱশ্যে সেইবোৰ ব্যক্তিগত কথা, ক'লে আমাৰো লাভ নাই; বৰং—আপোনালোকৰ লোকচান হববহে ভয় বেছি। আপোনালোকৰ যিসকলে বিয়া-বাৰু কৰাইছে সেইসকলে নিশ্চয় মোৰ ৰাইজৰ গুণ-গৰিমাৰ কথা শুনি নিজৰজনীৰ গাত সেইবোৰ আছে নে নাই সেই কথা বিচাৰি চাব; আৰু যিসকলে আমাৰ নিচিনা আনন্দময় দাম্পত্য জীৱন লাভ কৰা নাই সেইসকলেও হিংসাত দেই-পুৰি মৰিব।

কোনো কোনোৱে হয়তো নিজৰজনীক এইবোৰ দেখুৱাই পোৱা লোপোৱাৰ খতিয়ান উলিয়াই নিজৰ নিজৰ দাম্পত্য জীৱন অশান্তিময় কৰি তুলিব। আনহাতে এনেকুৱাও হব পাৰে যে আপোনাৰ সিজনীয়েও যদি মোৰ দৰে পুৰুষসুলভ গুণ নিজৰ জনৰ পাত নেদেখে তেনেহলে সেইফালে-দিও বিসঙ্গতি আহিব পাৰে। হেনজানি নিজৰ নিজৰ কাম কৰি যাওক, নিজৰজনীৰ (যদি দ্বিতীয় আৰু এজনী নাই) লগত যেনে তেনে ধৰণে সংসাৰ চলাই আছে তাতেই সন্তুষ্ট থাকি সেইখন সংসাৰ স্বৰ্গপুৰী বুলি সান্ত্বনা লৈ থাকক।

অৱশ্যে এটা কথাও। এই সংসাৰৰ সকলোবোৰ স্বামী-স্ত্ৰী যদি আমাৰ নিচিনা হলহেঁতেন তেতিয়াহলে এইখন পৃথিৱী আৰু স্বৰ্গৰ কি পাৰ্থক্য থাকিব পাৰে এইকথা জানিবলৈহে অৱশ্যে বৰ মন যায়। সেই কথাকেই আমি দুয়ো মাজে সময়ে আলোচনাও কৰোঁ। আমাৰ পৰস্পৰৰ মাজত বহু ক্ষেত্ৰত বিবোৰ দ্বিমত (ত্ৰিমত, চতুৰ্মত বা ধৰক আৰু বহুমত) আছিল—সেইবোৰ যে কেনেদৰে একাকাৰ (অৰ্থাৎ একাত্মকৰণ) কৰা হৈ গল সেই কথা ভাবি নিজেই আচৰিত হওঁ।

এদিনাখনৰ এটি কথা। এটা জোনালী নিশাৰ স্নিগ্ধ শান্ত পৰিৱেশ উপভোগ কৰিবলৈ দুয়ো গৈ আমাৰ কাষৰ নদীৰ পাৰতে বহিলোঁ।

বহুপৰ ধৰি প্ৰকৃতিৰ এই আনন্দময়ী অ-চঞ্চল পৰিৱেশৰ মাজত নিমাতে বহি থকাৰ পিছত তেওঁ সুধিলে, "কি ভাবিছা?"

"—নাই, একো ভবা নাই, বৰ ভাল লাগিছে এই পৰিৱেশটো"

—মই কলোঁ।

"মোৰ বৰ ভাল লাগে। আমি যেন বহুবছৰ অতীতলৈ ঘূৰি গৈছো"। তেওঁৰ কথাখিনি এটি সুৰ্দি পোৱা ছন্দোবদ্ধ কবিতাৰ নিচিনা লাগি গল।

"এনা—জীৱনটো যেন কিবা নতুন নতুন … … …।" বাক্যটো মই শেষ কৰিব নোৱাৰোতেই তেওঁ কৈ উঠিল "নতুন নতুন মধুৰ—ঠাইকা টাইকাহে।"

“এৰা টাট্কা টাট্‌কা, ঠিক শব্দটো প্ৰয়োগ কৰিছা। আগৰ কিবা কথা মনত্‌ পৰিছেনে? মোৰো পৰিছে।”

“—তোমাৰো?”

“উঁ”—অলপমান ৰৈ আকৌ কলেঁ, তোমাৰখিনি কোৱা বাৰু আগতে। মই মোৰখিনিও কম। পেটত কথা ভৰাই ৰখা ভাল নহয়। আজিয়ে আমি দুয়ো খালাচ কৰি দিওঁ দিয়া।”

“তোমাৰখিনি কোৱানা আগতে, তেহে মোৰবোৰো মনত পৰি যাব ... ... ।”

সচাঁসচিকৈ তেওঁৱেই আৰম্ভ কৰিলে, “বহুত বছৰ আগৰ কথা। ধৰা কুৰি-পঁচিশ বছৰ আগৰ। তেতিয়া মোৰ আৰু এজন ‘বয়-ফ্ৰেণ্ড’এ মোক এনে এটা টাইমতে ঠিক এইচা মাফিক মুহব্বত কৰি ফুৰ্তি দিছিল। অৱশ্যে কিছুদিন পিছত সেই ননচেন্সটোৱে এৰা দিলে × × × তাৰ পিছত [illegible] এজন ‘দোস্ত’ পালোঁ × × × ×। তিনি-চাৰিবাৰ তিনি চাৰিজন বয়ফ্ৰেণ্ডে মোক এইচা মাফিক চেইম চেইম আনন্দ দিছিল। সেইবুলি মোৰ কিন্তু কাৰো লগতেই আপচোচ নাছিল—জানা! একদম বেলেগ বেলেগ। এতিয়া পাইছো মই তোমাক। চোৱা কেনে বঢ়িয়াভাৱে মই তোমাৰ লগত এদ্‌জেষ্ট (মোৰ ৰাইজে ‘এৰজাষ্টৰ’ শব্দটোক ‘এদজেষ্ট’ বুলি কয়) কৰি লৈছোঁ। অৱশ্যে কিছুদিন মোৰ মনটো একেবাৰে ভাঙন হৈছিল। এতিয়া চোৱা কেনে বঢ়িয়াকৈ মই মোৰ মনটোক তোমাৰ লগত এদজেষ্ট কৰি দিব পাৰিছোঁ।”

তাৰ পিছত—তেওঁ কিছুপৰ মনে মনে থাকিল, মনে মনে কিবা ভাবিলে আৰু ক'লে, “হওক দিয়া এতিয়াতো আৰু মোৰ জিন্দেগীৰ আগৰ বয়সো নাই; আমি যি পাইছোঁ এতিয়া সেয়েই বহুত ভাল, নে কি কোৱা?”

এনেহেন কথাৰ পিছতো তেওঁৰ-মোৰে আৰু কিবা ব্যৱধান থাকিব পাৰে নেকি, কওক।

এজন বন্ধুৱে চিঠি এখনেৰে মোক সুধিছিল, “আপোনাৰ এতি

যিচেহ নগৰীয়াৰ মৰম কেনেকুৱা ?” এনে এটি প্ৰশ্ন কোন ভদ্ৰলোকে কৰে ? আৰু ভদ্ৰলোক হৈ মহোদয়া উত্তৰ দিব কিয় ? চিঠিৰ উত্তৰতে এইবোৰ অনুভূতি প্ৰকাশ কৰিব পাৰি নেকি ? ইয়াতে নহয় বাৰু ? মই খণ্ডতে বন্ধুজনৰ চিঠিৰ উত্তৰেই নিদিলো । কাৰণতে পোৱাছে তেওঁ ক'লোহেঁতেন যে মৰম বোলা বস্তুটো কাকো দেখুৱাই দিয়া বস্তু নহয় ; ই ভিতৰৰ বস্তু, অনুভৱ কৰা বস্তু, আদান-প্ৰদানৰ বস্তু । তাকে আৰু পেখেখিয়াই পেখেনিয়াই মই সংসাৰৰ মানুহৰ আগত কৈ ফুৰিবনে ?” আমাৰ অনুভূতি প্ৰবল থাকেই গৃহিনীয়েও প্ৰায়েই অভিযোগ কৰে যে মই ঘৰত থকা সময়খিনি তেওঁৰ বৰ অশান্তিত যায়, তেওঁ “ভীষণ আকলশৰীয়া” অনুভৱ কৰে ।

অকলশৰে কিমান সময় কটাব পাৰি ? লগত মই নাথাকিলে তেওঁ কৰোবাৰ লগততো থাকিব লাগিব !

তেওঁ ক'লে, “এনেকৈ অকলশৰে পাৰি নেকি ? মোৰোতো এটা মন আছে ! তুমি নিশা দুই বজালৈকে ঘূৰি ফুৰিবা আৰু মই ইয়াত অকলে . . .” —তেওঁ কান্দিয়েই পেলালে ।

কথাটো যে নহয়—এই কথা মই কয়েই বোজা নাই । কিন্তু কথা হৈছে—মই নিশা দুই বজালৈকে থাকো কিয় ? মোৰোতো ইনকাম বোলা কথা এটা আছে ; অথচ সেই কথাটোকে তেওঁক মই বুজাব পৰা নাই কিয় ? বন্ধু-বান্ধৱৰ লগত দুই-চাৰি খেল খেলো—খেল মানে সেয়াওতো এটা ইনকামৰ ৰাস্তা । এজাৰচোম একে ৰাতিতেই পাঁচশ ইনকাম কৰি দেখুৱাইছো । আৰু এনে ধৰণেৰে টকা অহা-যোৱা কৰা কামকে বিজিনেছো নোবোলে জানো ? বিজিনেছত লাভো আছে লোকচানো আছে । লোকচান হোৱা শুনিলে তেওঁ কিন্তু কয়, “তুমি এভিয়া মোৰো 'লাইন'ত ধৰিব পাৰাচোন ; এদিন যদি দিয়া না— দিয়ে পায় তাৰে হয়, তুমিও আৰু ফ্ৰি হব পাৰিবা ।” এনে কথা শুনি উত্তৰেইবা দিব কি, বুজিমেইবা কি । হাঁহি এটা মাৰি থাকো মনে মনে ।

সঁচা নোহোৱাও তেওঁৰ কষ্ট হৈছে—এই কথা মই কিবা নাজানো নেকি? তেওঁৰ কষ্টৰ কথা মই সহিব নোৱাৰো; মনক দমাই ৰাখিবৰ কাৰণে বন্ধু-বান্ধৱৰ লগত ফুটোপা লৰবি নোৱাৰো। ৰাইফেও কৈছিল, "ডাঙৰ ডাঙৰ মানুহে ড্ৰিংক কৰে; ঘৰতো কৰে—বাহিৰতো কৰে। ড্ৰিংক কৰা মানুহৰ ইকৈতাবেই বেজেলন। তুমিও কৰিবাচোন মাজে মাজে।" সেইমতে ধৰিছিলোও। মাজে মাজে খিলাতী, দাপালে কলহৰ। অৱশ্যে কেতিয়াবা বন্ধু বান্ধৱৰ লগত ফুৰ্ত্তি কৰিলেও ঘৰলৈ অহাতো 'দেৰী' হয়। নিশা বোলে মোৰ মুখৰ গোন্ধত তেওঁৰ ওকতি বমি আহিব খোজে। পিছত তেওঁ এদিন কৈয়েই পেলালে, "আপুনি খালো বাদ হল—এতিয়া কমাই দিয়া; সি সোপাৰ গোন্ধত মই একেখন শেতেলীত শুব নোৱাৰো। মোৰ মনৰ ফুৰ্ত্তি চব বৰবাদ হৈ যায়।" এদিন কি হ'ল জানে? তেওঁৰ সেই একেটা কথা সদায় শুনি শুনি মই অধৈৰ্য্য হৈ পৰিলো। কিবা খং উঠিল জানে? থাপ মাৰি চুলিত ধৰি আনি দিলো নহয় কেইচাটমান। পিছে পিছদিনা ৰাতিপুৱাহে দেখো যে তেওঁৰ গাল-মুখ ৰঙা দৰবি হৈছে, ব্লাউজ কাটি পিঠিৰ ছাল ফঁাটো ফঁাটো। দেখি মৰ দুখ লাগি গ'ল বুজিছে! দুখক চম্ভালিব পৰা নাই। মনৰ দুখ মাৰো বুলি পুনৰবাৰ গলো আগৰ নিচিনাকৈ—চেনেহীৰ ওমটিলৈ। চেনেহী মানে নামটোহে তাইৰ, বাপেকে চপায় তাইৰ নামত ওমটিটো। তাইও বহে কেতিয়াবা কেতিয়াবা। সিইতৰ ঘৰতে 'বনায়'; বুজিছে একদৰ খাটি বুলিব শিৱৰ মাল—খাটী উদ্যোগৰ প্ৰত্যক্ষ বুলিও কব পাৰি। পিছত সেই এক্সাইজ নে কি—সেইবিলাক চকুৰ পৰা আঁতৰত থাকিবলৈ ওমটিৰ পৰা মাল চেনেহীহঁতৰ ঘৰলৈ নি তাতে চলোৱা কৰিলে। এইবাৰ বাপেক বহে ওমটিৰ পান-বিড়িৰ দোকানত; আৰু ভিতৰত 'খাটী' উদ্যোগত তৈয়াৰী 'মাল' চম্ভালে চেনেহী আৰু মাকে।

এদিন কথা নাই বতৰা নাই—ৰাতি ন-বাম বজাত আঁহি ৰাইফ ওলালহি চেনেহীহঁতৰ ঘৰ। ভিতৰলৈ সোমায়েই আৰম্ভ কৰি দিলে:

"চাৰি বাটিমী, মোৰ মানুহটোক চোৱাপ খুৱাই খুৱাই কেৰেকুটাৰ নষ্ট কৰিছি... ... ... টকা পইচা লুটি... ... ... মোৰ হাতৰ কাপৰ

চৰ খাই মোক লেংটা বনালি… … চালি ৰেণ্ডি × × × ×।"

চেনেহী আৰু তাইৰ মাকেও উঠিল ফেৰ পাতি। ক'লে, "কাক ৰেণ্ডী বনাইছহি বেটী? তোৰ কেৰেকটাৰৰ কথা দুনিয়াই জানে, কিমানৰ জিণ্ডেগী তই নষ্ট কৰিছ, এতিয়া বিয়া কৰাই সতী সাবিত্ৰী বনিছ × × তোৰ মানুহ ভাল যদি কিয় আহে ঐ আমাৰ মেখেলাৰ গোন্ধ শুঙি শুঙি নিচা কৰিবলৈ? … … তেওঁ কিয় কৰহি তোৰ ওপৰ কথা চেৰাপৰ নিচাত মাতাল হৈ × × × নিচাত মাতাল হৈ বাটে বাটে অশ্লীল গালি পাৰিবলৈ তোৰ মৰদক আমি মাতি অনা নাই অ' কুকুৰনী, গোটেই ৰাতি দেৰেইনত পৰি থাকিবলৈ তইয়ে ভেজিছ … … ।"

"কোনে—কোনে? মই ভেজিছু—মই পঠাইছো? চালি জৱান ছোৱালী এজনী হৈ চকুৰ ইচাৰা মাৰি মাৰি আনি নিচা খুৱাবি—বেটী আক্কেল নোহোৱাৰ জাত … … … ।"

কথাত ৰব নোৱাৰি হব পায় চেনেহীৰ মাকেও কেপেৰি মাৰি ওলাই আহিল। হাতত এডাল আধা পোৰা খৰি। ক'লে, "কি কলি, কি কলি ঐ নষ্ট মাইকী? মোৰ আপি ৰেণ্ডী হৈছে? আৰে বেটি শুন—তই বেণ্ডী, তোৰ মা বেণ্ডী, তোৰ মাৰ মা বেণ্ডী। তোৰ ভাটাৰ ভাল হলে আমাৰ কিনাৰত আহিব কিয়, নিচা কৰি তোৰ ওপৰ কথা কৰহি কিয় নিজে নিজে। তোৰ মৰদ ভাল হলে পুলিচে ধৰি নি লালঘৰত ৰাখে কিয়, জেলখানাৰ ভাত খায় কিয়? মাইকী হৈ মৰদক চম্ভালিব নোৱাৰে—এতিয়া ইয়ালৈ আহি… … চালি বে-চৰমৰ জাত!"

কথা শুনি মোৰ কিবা হচ আছিল বুজিছে? মই বোলো মই বিয়াসভত সিইতক যদি কিবা কৈছিলোও সিহঁতে তেল ভাজি দিব কিয়?

বাইকক ক'লো, "বলা বলা—কি হবৰ হ'ল।"

এই বুলি উঠি যাবলৈ ওলাইছোঁহে—পিছফালৰ পৰা এজনে আহি চুলিত খাপমাৰি ধৰা মাৰি ধৰিলে। উভতি চাওঁ যে পুলিচ। লগে লগে হাতকেৰেয়া লগাই পিঠিত দুচাটমান বেতৰ কোব লগাই ক'লে, "বেটী পকেটমাৰ—চালা চোৰ!" মোক বিচাৰি বিচাৰি … … । আৰু

কেইচাটমান । তাৰ পিছত ।

এদিনাখন বাতিপুৱাই ওলাই পৈছিলো । সম্ভিয়াহে উভতি অহাৰ কথা আছিল পিছে কিবা কাৰণত দুপৰীয়া ঘৰলৈ আহিব লগা হ'ল । সন্মুখৰ আধামেলা দুৱাৰখন ঠেলি ভিতৰলৈ সোমাব পিছতে দেখিলো মোৰ বন্ধু এজনে তেওঁৰ ঘামচি ভাঙি দি আছে । বন্ধুৱে ক'লে "এওঁক ঘামচিয়ে বৰকৈ কষ্ট দিছে । আপুনি নিজৰ গিৰিয়েকজন হৈ এওঁৰ ঘামচিবোৰ দেখা নাই ? কি মানুহহে আপুনি ?"

[illegible] দেখিয়েই [illegible] কান্দিবলৈ ধৰিলে আৰু কেঁকুৰি কেঁকুৰি ক'লে আহ-হ হ কি কষ্ট ঐ ঘামচিৰ উৎপাতত মই [illegible] বৰ নোৱাৰোঁ, [illegible] মোৰ হাচবেণ্ড হৈ এই দুখ নুবুজে, লোকৰ মানুহহে এইবোৰ দেখি [illegible] দিব লাগে

গৃহিনীৰ এই দুখ মই সহ্য কৰিব নোৱাৰিলো । [illegible] তেওঁৰ কাষলৈ গৈ বহি সুধিলোঁ, 'বৰ কষ্ট পাইছা নেকি ?"

তেওঁৰ ফেঁকুৰণি বেছি হ'ল । নাকৰ পানীয়ে চকুৰ পানীয়ে একাকাৰ হ'ল । গাৰুটো চপাই আনিলে আৰু তাতে মুখখন গুজি থাকিল ।

বন্ধুজনক ফুচফুচাই সুধিলোঁ, ডাক্তৰ আনোগৈ নেকি ?"

বন্ধুৱেও ক'লে অন্য যেয়া নহয় ।"

[illegible] কৈ [illegible] কোঁচত সোমাই যেনো [illegible] টোপনিত লালকাল । বন্ধুৱে [illegible] বহি বিচি [illegible] আছে।

[illegible] একটু [illegible] এখন কোনো [illegible] ।"

[illegible] চিকিৎসা কৰি [illegible] ।

[illegible] কোনো [illegible] বিচাৰ [illegible] এবাৰ [illegible]

একেধ্যানে চালে। মুখত কোমল কোমল মৰম মৰম' ভাব। ওচৰলৈ মাতি আনি বিচনাত বহিবলৈ কৈ ক'লে 'এইবাৰ পদখনত তুমি চককিলৰ পালা মই উঠি এদিনাও চৰণত কৰি দিওঁনে? ইমান কষ্ট হৈছে তোমাৰ—মোৰ কাৰণেই তোমালোক চবেই হাৰাশান হব লগা হৈছে। তোমাৰ পিয়াহ লাগিছে নেকি বাৰু?"

কেঁয়াৰী দেহাৰে হাঁচকৰ এজনেহে মৰমক যদি আপোনালোকক "সজ্জন আৰু আন্তৰিক' বুলি মনত ভাবে যদি আৰু যে আপোনালোকক অতি নিষ্ঠুৰতাৰো সীমা চেৰাই গৈছে। মোৰ প্ৰতি দীৰ্ঘনাসাৰ অনেইৰ মৰমৰ কথাকো মিছকলে সন্দেহৰ চকুৰে চাইছে বা মোৰ অৱস্থাৰো দীৰ্ঘ কৃত্রিম মৰম বুলিছে কব খোজে তেওঁলোকক এই কুচক্ৰক্ষী যে তেওঁলোকে নিজৰ নিজৰ দৈৱী স্বকল্পনাকৰ ওচৰত 'স্ত্রীত্বৰ' মৰ্যাদা দেখুৱাব নাইবা নিজৰ নিজৰ দৈনন্দিনকৰাৰ গাত মোৰ দীৰ্ঘনাসাৰ অনেকোৰ নেদেখি হিংসাতে কেই পুৰি মৰে . . . ।

॥ ঘৈণীৰ গৰ্ভধাৰণ ॥

অলপ দিন হল। এদিন তেওঁ ক'লে যে তেওঁৰ গাটো কিবা কিবা লাগি থকা যেন হৈছে, মাজে মাজে বমি বমি ভাব হয়, খাবলৈ-বৰলৈ মন নাযায়, মূৰটো ঘূৰা ঘূৰা যেন পায় ...... ইত্যাদি। মই বোলো কথা বিষম; লো ব্লাড প্ৰেচাৰ, হাই ব্লাড প্ৰেচাৰ, পিত্তশূল, পেপ্টু আদি কিবা এবিধ - নতুবা বহুবিধ অসুখে লভিলে হব পায়।

কেৱল তাকেই চিন্তা কৰিছোঁ। চিন্তা কৰিছোঁ—এনেহেন এজনী স্বাস্থ্যৱতী আৰু ৰূপৱতী তিৰোতাৰ স্বাস্থ্য আৰু দেহৰ সৌন্দৰ্য্য কেনেবাকৈ যদি ম্লান হয় তেন্তে মোৰ কাৰণে তাতকৈ দুৰ্ভাগ্যৰ কথা আৰু একো নহব। সকলোৱে জানে যে তেওঁক লৈয়ে মই মানুহৰ আগত থিয় হৈ গৌৰৱ কৰিব পৰা হৈছো। অকল ময়েই নহয় মোৰ বন্ধু-বান্ধৱৰ বহুজনো তেওঁৰ স্বাস্থ্যৰ প্ৰতি হুচিয়াৰ।

ৰাইফক ক'লো, "এটা কাম কৰিলে কেনে হয়? ৰাতিপুৱা দুয়ো মেডিকেললৈ যাওঁ বলা আৰু ডাক্তৰক কওঁগৈ .....। এনেকৈ ভৱা চিন্তা কৰি থাকিলে মোৰ ভয় বাঢ়িহে যাব।"

তেওঁ ক'লে "তুমি যিহে জবৰজং মানুহ, কিবা কওঁতে কিবাখন কৈ পেলাবা। তাতকৈ মাতা মনোজদাক; তেওঁ হলে কথাবোৰ ভালকৈ বুজাই কব পাৰিব।"

মনোজদা মানে—মোৰ বন্ধু মনোজ। ৰব, এওঁৰ পৰিচয় নিদিলে মই আপোনাক মোৰ বৰ্তমানৰ আটাইতকৈ অন্তৰঙ্গ বন্ধুজনৰ প্ৰতি অন্যায় কৰা হব।

এওঁ আমাৰ জীৱনলৈ আহিল হঠাংকাৰে। আচলতে তেওঁ আহিল আমাৰ ঘৰৰ কাষতে থকা এটা মেছত। কিছুদিন পিছত এদিন ৰাইফকেই ক'লে, "... সুবিধা অসুবিধাত তুমি যেখোন মনোজদাকে মাতি আনি বজাৰ-সমাৰলৈ পঠাব পাৰা!"

“এওঁনো কোন” বুলি মই সোধাত তেওঁহে ক’লে বোলে কাষৰ স্নেহ-টোতে থাকে; আমাৰ বিয়াৰ আগৰে পৰাই বোলে আছে। অথচ মইহে তেনে এজন মানুহৰ লগত চা চিনাকি হোৱা নাই। তাৰ পিছত তেৱেঁই এদিন মেছৰ পৰা মাতি আনি মোক পৰিচয় কৰি দিলে। সেই পৰিচয়ৰ পিছত মোৰে-তেওঁৰে সম্বন্ধ অতি গাঢ় হৈ পৰিল। ক্ৰমে ক্ৰমে তেওঁ হৈ পৰিল মোৰ আপোনৰো আপোন, কলিজাৰো কলিজা। আমাৰ বিপদে আপদে তেওঁ যিমানখিনি সহায় কৰে সেই কথাৰ তুলনা মই কাকো দিব নোৱাৰো। এটা সৰু উদাহৰণ দি কওঁনে?

তিনিমাহমান আগতে এদিন মাইকে ক’লে, “হেৰা কথা এটা কওঁনে? বিয়াৰ পিছত মানুহে বাহিৰলৈ ফুৰিবলৈ যায়। বলানা এবাৰ দাৰ্জিলিঙৰ পৰা ফুৰি আহোঁগৈ। তোমাৰো ভাল লাগিব আৰু কিছুদিন জিৰণিও লোৱা হব।”

ফুৰা বুলিলে টকা। ৰিক্সা, মটৰত অ’লৈ ত’লৈ যোৱা, হোটেলত থকা, ইটো সিটো কিনা……। কি বুলি কওঁ এতিয়া। দুদিনমান মনে মনে থকা দেখি এদিন তেওঁ আকৌ সুধিলে, “কি কৰা? মইনো কিবা এটা কৈছিলো—কাণত নোসোমালেই নেকি? বোলো শুনিছা নে নাই?”

“ৰবাচোন—যাওঁ বুলিলেই যাব নোৱাৰি নহয়; সময়ৰ কথা আছে, টকা-পইচাৰ কথা আছে……।”

“টকা—টকা—টকা, খালি টকা। টকাৰ কাৰণে কি কাম পৰি থাকেহে? কংজুচ মানুহে পাৰে নেকি? সেই চোৱা মনোজদাক—যাওঁ বুলি ওলাইছে—যাবই, কিবা তোমাৰ নিচিনা কংজুছ বুলি ভাবিছা নেকি?”

তাৰ পিছত সুৰ বদলাই ক’লে, “কালি মনোজদাই কি কৈছে জানা? কৈছে—যদি টকা পইচাৰ কাৰণে তেওঁ মন ঠাণ্ডা কৰিছে তেন্তেহলে কবা যে মই থাকোঁতে সেই কথাৰ চিন্তা কৰিব নালাগে। জীৱনজোৰ বহুত কামাই কৰিলো, মই নোৱাৰিমনে? অন্ততঃ এজনৰ খৰচতো মই দিব পাৰিম।”

মনতে ভাবিলো—এজনৰ খৰচ যদি ওলায়েই তেন্তেহলে এবাৰেই যোৱা ভাল। ক’লো,

"মই নগলে তুমি বেয়া পাবা নেকি ?"

তেওঁ কিবা কব খুজিছিল, কিবা বেলেগ ধৰণেৰে কথা কব যেন লাগিছিল। মইয়ে বাধা দি কলো,"—নহয় নহয়—মানে মই কব খুজিছিলো—যদি মনাজে হেলা নকৰে আৰু আগ্ৰহে।

কথাখিনি মুখৰ পৰা থাপ মাৰি নিয়াৰ নিচিনাকৈ পিছিজকৈ উঠি তেওঁ ক'লে, "মনোজদা তোমাৰ মাফিক কংজুচ নহয়, তুমি যদি ৰাৰনৈ টাইম কৰিব নোৱাৰা তেন্তে হব বাৰু—মই মনোজদাৰ লগতে যাম।"

তেওঁলোক ঘূৰি চাকি আহি পোৱাও ভেৰ দুমাহ হৈছে। ৰজাৰ সমাবো একেবাৰে নকৰাকৈ থকা নাই। মোৰ কাৰণে বুকে-পিঠিয়ে ছাপ মৰা পেজী এটাও আনিছে।

ৰয়! ৰাইফৰ অসুখৰ কথাৰে আৰম্ভ কৰি মইচোন পেৰেনিয়াই পেৰেনিয়াই নলগা কথাবোৰহে মলকিব লাগিছো। মোৰ এই দোষটোৰ কাৰণেই সকলোৱে বেয়া পায়। ৰাইফেও কেইদিনমো মলকিছে— 'তোমাৰ ইম্‌বেলেন্স নাই, কেৱল নেচেচেৰী কথাবোৰ কৈ থাকা, সেইকাৰণেই তোমাক চুৰে নেগ্‌লেক্ট কৰে।" এৰা হয়হো! কেজিয়াৰা কেজিয়াৰা মহো কথাটো বিয়োলাইজ কৰো, তথাচ বেখোৱ

ৰয়—ক'ত এৰিছিলো? × × × হয়' ৰাইফক ডাক্তৰক দেখুৱাৰ কথা। তাৰ পিছত কি হল জানে? মনোজকে মাজিৰ এৰি ৰাইফৰ লগত হস্পিতেলকৈ পঠালো।

ঘূৰি আহিয়েই তেওঁ মোক কলে, চকু দেখুৱাই চাৰ্জ কৰিলে "তোমাৰ কাৰণেই মোৰ ৰয়ফিনি হয়ৰাণীয়া হল।"

মই বোলো কথা কি। মোৰ মুখটো প্ৰায় আচৰাই কথা গেল পাৰলো। কিবা মানসিক এনেক অনুভৱই পাইছে হব পোৱা? ডাক্তৰে এদিন কৈছিল যে অতি খতাম বা অৱথা গভীৰ চিন্তা অভুৱাকেইি কাৰণ

শাৰীৰিক বা মানসিক কষ্ট পাই থকা মানুহৰ হাই বা লো-ব্লাড প্ৰেচাৰ হব পাৰে। এবাৰ হাই প্ৰেচাৰে পালে বোলে গত্যন্তৰ নাই। মূৰ ঘূৰণি হয় পা বোলে নিচা খোৱা মনুহৰ দৰে ঢলং পলং কৰে থাকলৈ-বহলৈ মন নোযোৱা হয় আৰু বোলে বমি বমিও লাগিব পাৰে। মোৰ বৰ ভয় লাগিল। কাষলৈ গৈ সুধিলোঁ, "ডাক্তৰে প্ৰেচাৰ বুলি ক'লে নেকি ?'

"তোমাৰ মূৰ বুলি কৈছে।

আহ! আজি সেখোন কথা বিপৰীত। তেন্তে আৰু কিবা। সেই পিত্তশূল, সে কিবা এবিধ পেলু, সে কেন্সাৰ নে !!! তিনিৰ হে একেখ্যানে তেওঁৰ মুখৰফালে চাই আছোঁ। মোৰ হচকুত এক অবাক বিস্ময়ৰ চিন হিয়াত অজান বিষ্ণু ক্ৰান্তিৰ সমগ্ৰ প্ৰেম স্নেহ মিলনৰ দৰে 'অস্থিৰতা' (মোৰ মাইকৰ ভাষাত তেওঁৰ অস্থিৰতা শিলৰ দৰে অচল) " । মুঠতে মই কিবা হে পৰিলোঁ

লাহেকৈ কলেঁ। "মই সপত খাব লাগিছিল নোখোৱাটোহে ডাঙৰ ভুল হ'ল । ডাক্তৰে পথ্যাপথ্যৰ ব্যৱস্থা দিছে নেকি তুমি কিবাণি খোৱা, মই এতিয়াই প্ৰেচক্ৰিপচনৰ দৰব আৰু পথ্য আনোঁগৈ

মনোজে ক'লে 'নহয় ডাক্তৰে কৈছে তেওঁ বোলে কনচিভ কৰিছে এতিয়া ।"

মই "বিস্মিত চিত্তে" "উচ্চগ্ৰীৱ কণ্ঠে" ওৰকালেই সুধি পেলালোঁ, 'হা ? হু মাহ ? মনৰ মাজেদি কিবা যেন উগ্ৰ বতাহ এজাতি বাগৰি গ'ল। তাৰ পিছত মুখেৰে এই বুলি ওলাব খুজিছিল '(কেনেকৈ।') । নোলাল যেনিবা ।

তেওঁক ভাগৰুৱা যেন দেখা গ'ল। মই ক'লো, তুমি খুব চাওঁ তুমি হাতত মৰহিলা উঃ মই কৈছো নহয় তুমি আৱশ্যকতে মাহালিবাতোম ০ ০ ০ ০ ০ ।"

॥ ৰাইফৰ পূৰ্ণ—গভ ॥

ৰভাহ গৈ কথা হ'ল, কথাই সঁচাসচিকৈ নিজৰ ৰূপ ধাৰণ কৰিলে, ব্ৰহ্ম পৰমব্ৰহ্ম হ'ল, পৰমব্ৰহ্মই নৰৰূপে স্থিতি ল'লেহি মোৰ পৰিবাৰৰ গৰ্ভত .. নৰৰূপী নাৰায়ণ। ৰাইফক বুজাই আছোঁ : অপাৰ মহিমা-মণ্ডিত ভগৱানে সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডত ঘূৰি ঘূৰি ভাগৱত তেওঁৰ শৰীৰৰ পৰা ঘাৰ্ম-বিন্দুৰ প্ৰকাশ পাইছে আৰু সেই ঘাম বিন্দুমণ্ডলৰ পৰা এক বিন্দুৱে তোমাৰ দেহত আশ্ৰয় লৈ এতিয়া নৰৰূপে বিকশিত হোৱাৰ চেষ্টাত আছে। তুমি বিদুষী, তুমি মহীয়সী, তুমি সতী—মহাসতী। মই নহলেও মোৰ আৰু তোমাৰ উভয়ৰে বন্ধু মনোজ চৌধুৰীৰ গুণত পুত-পৱিত্ৰ স্থানসমূহ দৰ্শন কৰি শৰীৰত নৰনাৰায়ণ অথবা বিপৰীত লিঙ্গক ধাৰণ কৰি তুমি ধন্যা হৈছা, লগতে মোকো ধন্য কৰিছা।

ডাক্তৰে কৈছিল — “গৰ্ভাৱস্থাত তেওঁৰ মনত কোনো দুখ দিব নালাগে, সদায় আনন্দত ৰাখিব।” আমাৰ গাৱঁৰ সত্ৰৰ জগন্নাথ কেৱলীয়া ভকতে মোক উপদেশ দি কৈছিল, গৰ্ভাৱস্থাত নাৰীক ধৰ্মৰ কথা কৈ থাকিব লাগে, ঈশ্বৰৰ কথা কব লাগে আৰু পেটৰ সন্তানটোক ঈশ্বৰৰ আংশিক অৱতাৰ বুলি কৈ থাকিব লাগে। পেটৰ সন্তানে হেনো মাতৃয়ে যি কৰে, যি দেখে, যি ভাবে সেই কথা বুজে, আৰু মাকে শুনা কথা শুনি থাকে। প্ৰহ্লাদেও বোলে মাকৰ গৰ্ভত থাকিয়েই হৰিৰ কথা শ্ৰৱণ কৰিছিল। এইবোৰ কথা শুনা আৰু জনাৰ পিছত আজি আঠমাহ ধৰি অহোৰাত্ৰি মই ৰাইফক এন্‌কাৰেজ কৰি আছো, মানসিক শান্তিৰ প্ৰতি তদাৰক লৈ আছো আৰু জগন্নাথ কেৱলীয়া ভকতে দিয়া উপদেশমতে দিনে-নিশাই ভগৱানৰ নামকে শ্ৰৱণ কৰাই আছোঁ......। এতিয়া তেওঁক কোনো কাম কৰিব দিয়া নাই; ভাত ৰন্ধা, পানী অনা, বিচনা পৰা তেওঁৰ কাপোৰ কানি ধোৱা মেলা ইত্যাদি বিবিধ ঘৰুৱা কাম-কাজ মই স্ব-হস্তে কৰিছোঁ।

হঠাতে'চোন আমাৰ পৰম বন্ধুজনে এদিন মোক চাৰ্জ কৰিলেহি "আপুনি কেনে ধৰণৰ মানুহহে? বেচেৰীক বিচনাৰ পৰা উঠিবলৈ দিছে, খোৱাখিনিও নিজে তুলি খাব লাগে — আপুনি গিৰিয়েকজন হৈ কি কৰি আছে — অথচ ডাক্তৰে তেওঁক বেছি লৰচৰ কৰিবলৈ মানা কৰি দিছিল নোৱাৰিলে কৰ লাগে!!'

এৰা হয়েই—ভুল কৰি মই এই কথাটোৰ ফালে মনেই কৰা নাই। নাই মানে—মোকচোন এই কথা কোনেও কোৱা নাই। হওক বাৰু এতিয়াও হব।

তেতিয়াৰে পৰা তেওঁক বিচনাতে খোৱাৰ ব্যৱস্থা কৰা হ'ল। সকলো ধৰণৰ খাদ্যকে তেওঁক মইহে চামোচেৰে খুৱাই দিওঁ। অৱশ্যে তাৰে মাজতে তেওঁ কেতিয়াবা কৰলগীয়া হয়, "উঁ—উঁ—উঁ"—চাওঁ মাআগো, মই হতভাগিনীৰ কোনো নাই— পানী পিলাচো তুলি নিজে লৈ খাব লগা হৈছে

তাৰ পিছত অৱশ্যে মোৰ কষ্ট দেখি তেওঁ কেতিয়াবা কয়, "তোমাৰ অকলে ইমান কষ্ট হৈছে। মনোজদাই কি কৰে? বন্ধু হিচাপে তেওঁৰ কোনো ডিউটী নাই বুলি ভাবিছে নেকি?' নাইবা কেতিয়াবা বন্ধু মনোজক পালে কৈ দিয়ে, 'তুমি কোন ধৰণৰ মানুহহে মনোজদা? মোৰ এনে অৱস্থা দেখিও এনেকৈ থাকিব পাৰিছানে? তুমিচোন পলাই ফুৰিব ধৰিছা? নে দুচৰা লোকক দায়িত্ব দি সাৰি পৰাৰ খুজিছা?'

বন্ধুৰ প্ৰতি বন্ধুৰ কৰ্তব্য সুঁৱৰি মনোজ কাষতে বহে, হাত আৰু মূৰ পিটিকি দিয়ে, আঙুলিবোৰ টানি (বা ফুটাই) দিয়ে, ঘামে তিতি পৰা তেওঁৰ দেহাটিত পাউদাৰ সানি বিচি দিয়ে।

বন্ধুৰ এনেহেন সাহায্যত মোৰ অন্তৰে গৌৰৱ কৰি উঠে।

কেইদিনমানৰ পৰা ৰাইজে বৰকৈ চিন্তা কৰি থকা কথাটো বন্ধুৱে মন কৰিছে। এদিন আমাৰ কেওঁশীয়া ডকতৰেও কৈছিল "চাবাহে—বেছি ভাব-চিন্তা কৰি থাকিব নিদিবা, এনেকুৱা সময়ত মন ভাঙি পৰা বেয়া। কোনো ধৰণৰ ভাবনা চিন্তাইও যেন লগ ধৰিব নোৱাৰে তাৰ প্ৰতিও চকু ৰাখিবা।" "আমাৰ ঘৰৰ কাষতে থকা নিকহী বুঢ়ীয়েও এদিন কৈছিল

"প্ৰহ্লাদে মাকৰ গৰ্ভ'তে ঈশ্বৰৰ কথা শুনিছিল...... গতিকে ভাল কথাবোৰ মাকৰ কাণত পেলাই থাকিবি অ' বোপাই।"

আমাৰ তেওঁবোতো প্ৰায়েই কৈ থাকে, 'মোক ভাল কথা শুনাই থাকিব নোৱাৰা, মনটোক সহজ কৰি ৰাখিব নোৱাৰা, মুখত মুহব্বত দেখুৱালে কি হব ?"

তাৰ পিছত তেওঁ মোক তেওঁৰ বিচনাত বহুৱাই প্ৰায় মৰম কৰা ধৰণৰ কথাৰ সুৰেৰে সুধিলে, "ল'ৰা হলে ভাল পাবা নে ছোৱালী ? দেখাত কিন্তু ধুনীয়া মতন হব লাগিব দেই ?"

এৰা, এই কথাটো মইচোন ভৱাই-নাই ! ল'ৰা যদি হয় তেন্তে কেনে হব ! বগা, নাকটো জোঙা, ওথ–পাখ ·····সি তেকাই যদি .. ..

আৰু যদি ছোৱালী হয় ? ছোৱালী হ'লে যদি পিছত তাই ?

বহুপৰ ধৰি এই কথাটোকে চিন্তা কৰিছো। বহুপৰ ধৰি একেৰাহে তেওঁ মোৰ মুখৰ ফালে চাই আছে। তাৰ পিছত তেওঁকে সুধিলো, "কোনটোন –ৰা হলে ভাল নে ছোৱালী" ?

হঠাতে কিবা খং কৰি উঠা মানুহৰ দৰে তেওঁচোন কৈ উঠিল, "তোমাৰ মূৰটো হ'লে ভাল।"

"তাৰ মানে ? মোৰ মূৰটো আকৌ হব কেনেকৈ ?'

"তাৰ মানে মোৰ ল'ৰাক তোমাৰ নিচিনা 'অমূৰ্খ' হবলৈ নিদিওঁ (মূৰ্খ' নকৰাৰ অৰ্থ কৰিছিল হবপায়), তাক 'ৰাজনীতি' হবলৈ দিম ('ৰাজনীতিবিদ' কৰাৰ কথা কৈছিল হব পায়) – তেতিয়াহলে তোমাৰ নিচিনা খাব নোপোৱা হৈ খেৰী ঘৰৰ তলত মূৰ গুজি মৰিব নালাগে। নহলে মই তাক 'আৰ্টিচ' কৰিম · ···।"

মই ক'লো, "নহয়—মই কি ভাবিছো জানা ? তাক প্ৰথমতে পঢ়াই-শুনাই লম, পিছত সি মাষ্টৰ-চাষ্টৰ হৈ খাব পাৰিব। নহলে যদি বেছিকৈ পাৰে তেনেহলে কলেজতো শিক্ষক হব পাৰিব। কলেজৰ মাষ্টৰ হৈ সোমাব পাৰিলেতো বচ্—তোমাৰ ল'ৰা 'প্ৰফেচৰ' হ'ল ; নামৰ আগত মুকুট ৰহিল। আমাৰ দেশত নতুনকৈ পতা কলেজৰ পকাশ টকাত কামত

সোমোৱা মাষ্টৰেও 'অধ্যাপক' লিখিব পাৰে।"

'মাষ্টৰ কৰিম? কি ক'লা—মাষ্টৰ কৰিম? হেৰা, তুমি মোৰ মাথাটো খাৰাপ কৰি নিদিবা। হব নোৱাৰে—জিন্দেগীত তেনে কথা হব নোৱাৰে। পঢ়িব পাৰে যদি 'চাপ্রাই' হব (মোৰ পৰিয়াৰে চাপ্রাই চুপাৰিণ্টেণ্ডেণ্ট, চাপ্রাই ইন্সপেক্টৰ, চাপ্রাই অফিচৰ কেৰানী, পিয়ন আদি সকলোকে 'চাপ্রাই' বুলি কয়।) নহলে টেক্‌চ উনিচপেক্টৰ (টেক্স ইন্সপেক্টৰ) বা পুলিচ হব, নহলে মণ্ডল হব। নহলে সি বাহৰ কনটেকডৰ (কণ্ট্ৰেক্টৰ) হব, যাহিৰা নোপোৱা চাকৰিত খাটিবলৈ মই মোৰ ল'ৰাক দিব নোৱাৰো। নহলে 'লিডাৰ' হব; আজিকালি লিডাৰবো পইচা আছে। বদে বৰমুণে কাম কৰিও ঘুৰিব নালাগে, নিজে-নিজে পইচা আহে ঘৰলৈ......!"

"—আৰু যদি লিখা-পঢ়া কৰিব নোৱাৰে ..... নকল মাৰিও পাছ কৰিব নোৱাৰে—তেতিয়া ?

"—লীডাৰ হবলৈ স্কুল-কলেজ পাছ হব লাগে নেকি? নেদেখিছা ধৰণী মণ্ডলৰ পুতেকক, কিচিম কিচিম গাড়ী মটৰ ঘৰৰ চামনোত, হবেক কিচিম মানুহৰ ওলোৱা সোমোৱা"" "নহব নেই—মই এতিয়াই কৈ থলো।"

মোৰ মত হাঁহি উঠিছিল। মই হুঁহা দেখি তেওঁৰ খং জিলি গল চৰিল। তাৰ পিছত হঠাতে বৈ দৈ লেখোম অলপলৰ নিৰৱ হ'ল। কিবা ভৱাৰ নিচিনাকৈ তলমূৰা কৰিলে।

হঠাতে তেওঁৰ কি হ'ল তাকে চাবৰ কাৰণে ওচৰ চাপি সুধিলো,

"কিবা অসুখ কৰিছে নেকি? মূৰটো আচম্‌ৰাই কৰিছে নেকি?"

তেওঁ গহীন হৈ ক'লে,

"নহয় —একো হোৱা নাই জানা! মই কিবা এটা ভাবিছিলো, মানে মই ঠিক ভাবিছো যে সি লিডাৰ হোৱাই ভাল হব। লেতা হবলৈ বেছি বেবেইদ নহলেও লেচকাৰ মাৰি কথা কলেই হয়। পিছত মন্ত্ৰী-চন্ত্ৰীও হব পাৰিব —সে কি কোৱা!"

মই উনাহটো অলপ দীঘলকৈ টানি ললো, বুকুলৈ কিবা পানী অহা যেন লাগিল। কিবা এক নতুন প্ৰেৰণা পোৱা যেন হৈ তেওঁ

মোৰ মুখৰ ফালে চালে। তেওঁ পুনৰ ক'লে,

'ৰাজনীতিবোৰে মটৰ চলাই ফুৰে, একো কাম কৰিব নালাগে, মিতিং পাতি দিহা দিলেই হৈ যায়। খবৰ কাগজত ফটো উঠে, ৰেডিঅ'-বোৰে৷ বক্তন-জনাই থাকে ....."

মোৰ হাঁহি ওলাল।

তেওঁ মুখ ওন্দোলাই ক'লে, "সংসাৰখন তোমাৰ নিচিনা বুৰ্বক বুলি ভাবিছা নেকি? অলপ দেশ-বিদেশ দেখিলেহে কথাবোৰ মেৰেইনত সোমাব।'

এৰা, এই কথাখিনি মোৰ মগজুত সোমোৱাই নাছিল। ল'ৰাক দেখোন নেতাকে কৰিব পৰা যায়।

গতিকে ঠিক কৰা হ'ল এতিয়াৰ পৰা গৰ্ভত থকা সন্তানটোক প্ৰহ্লাদক নাৰায়ণৰ কথা শুনোৱাৰ নিচিনাকৈ নেতাৰ কথাকে শুনাই থাকিম। আমাৰ শোৱা বিচনাৰ চাৰিও কাষে বেৰত দাড়ি থকা, দাড়ি নথকা, পেণ্ট-চোলা পিন্ধা, ধুতি পাঞ্জাবী পিন্ধা, গান্ধী টুপী পিন্ধা... ইত্যাদি হবেক ধৰণৰ নেতা মন্ত্ৰী আদিৰ ছবি আঁৰি থোৱা হল।

বন্ধুবৰ চৌধুৰীও সন্মত হ'ল। আমি দুয়ো বহি ঠিক কৰিলোঁ।—মই ঘৰত থকা সময়ত যিমান পাৰো খবৰ কাগজত ওলোৱা নেতাসকলে কোৱা কথা আৰু বাণীবোৰ পঢ়ি শুনাই থাকিম, আৰু মই ঘৰত নথকা সময়ত বন্ধু চৌধুৰীয়ে ডাঙৰ ডাঙৰ নেতাসকলৰ জীৱনীবোৰ সাধু কথাৰ দৰে ঘৈণীৰ কাণত সোমোৱাকৈ পঢ়ি থাকিব।

পিছ দিনাৰ পৰাই কাম আৰম্ভ কৰা হ'ল। ৰাতিপুৱাই এখন খবৰ কাগজ কিনি আনি ৰাইফৰ কাষত বহি পঢ়া আৰম্ভ কৰি দিলোঁ:

"বিধান সভাৰ বজিয়াত বিৰোধী দলৰ নেতা সকলে-দেশত চাউলৰ দাম অতিপাত বঢ়াত ক্ৰয়শক্তি নোহোৱাৰ কাৰণে অনাহাৰত হাজাৰ-বিজাৰ মানুহ মৰিছে বুলি উঠা অভিযোগৰ উত্তৰ দি মন্ত্ৰীজনাই কয় যে অনাহাৰত মানুহ মৰিছে বুলি চৰকাৰে নাজানে। অৱশ্যে পুষ্টিকৰ আহাৰ নোখোৱাৰ কাৰণে দুই চাৰিজন মৰিবও পাৰে...."

ৰাইফে সুধিলে, "মানুহ মৰিছে? কিয়?"

"নহয় কাগজতহে লিখিছে—চাউল কিনি নোখোৱাৰ কাৰণে মৰিছে বুলি।"

"—আৰু মন্ত্ৰীয়ে কিয় মৰিছে বুলি কৈছে বুলি পঢ়িলা?"

"—ভাল স্বাস্থ্যকৰ বস্তু নোখোৱাৰ কাৰণে।"

শোৱাৰ পৰা গপ্‌কৈ উঠি বহিয়েই ডেওঁ ক'লে, "সিহঁতে চাউল খাই কি বল পাব; চাউল, মাছ, মাংস, কণী গাখীৰ, ঘিউ আদি নাখায় কিয়? জহা চাউল, মালভোগ কল, মাখন ক্ৰিম আদি নাখায় কিয়? চাউল কিনিব নোৱাৰে— আটা কিনক— ৰুটি কিনক— এই কাৰণেইতো আমাৰ অচমীয়া মানুহবোৰক মানুহে মূৰ্খ বুলি কয়। সিহঁত নমৰি কোন মৰিব ...?"

ডেওঁ অলপ উত্তেজিত হোৱা যেন হ'ল। মই বোলো "ৰবাচোন ৰ'বা—কথাবোৰ পঢ়ি যাওঁ—তুমি শুনি যোৱা।"

"বাদ দিয়া, তুমি সেইবোৰ পঢ়িব নালাগে। অন্য কি আছে পঢ়া।

ময়ো বোলো ঠিকেই। এইবোৰ পঢ়ি মূৰ গৰম কৰা কথাহে। খবৰ কাগজত কোনে কি লিখে, লিখাৰ উদ্দেশ্য কি থাকে এক ধৰিব নোৱাৰি।

সেই প্ৰসঙ্গ তাতে এৰি অন্য খবৰ বিচাৰি যাওঁ যাওঁ এই সব খবৰ কাগজখনত কেৱল অনাটন, দুৰ্ভিক্ষ মৃত্যু আদিৰ কথাকে লিখি ভৰাই থৈছে।

বিচাৰি বিচাৰি পালো এটি কোণত এই খবৰটো ঃ বানপানী চাৰবৈলৈ গৈ নেতাজনে ক'লে বানপানীয়ে 'আমাক যিমান অনায় কৰিছে তাতকৈ বহুগুণে উপকাৰো আনিছে। বানপানী আহিলে যিদৰে বহুত লাভ কৰিব পাৰি সেইদৰে পানী শুকালেও বহুত বেছি লাভ কৰিব পাৰি......

এইখিনি পঢ়া শুনি ৰাইকে আগ্ৰহ প্ৰকাশ কৰি ক'লে; আৰু ক'লে

"পঢ়াচোন—আৰু পঢ়া এই কথাখিনি।"

পঢ়িলোঁ।

তেওঁ কিবা আনন্দত নাচি উঠাৰ দৰে উৎফুল্লিত হৈ কলে। "হেঁ — এই কথা কিন্তু ঠিক কৈছে।"

মই বোলো এওঁ কয় কি? বানপানী আহিলে বা গলে মানুহৰ বিপদ-বিপত্তি হয়। এওঁচোন কি কয়!

লাহেকৈ সুধিলো, "তুমি কি বুজিলা মই কিন্তু ধৰিব নোৱাৰিলো দেই!"

"তুমি কি বুজিবা? তোমাৰ মাথাত কিবা গোবৰ থাকিলেহে। হেৰা ডাঙৰীয়া—শুনা, বানপানী আহিলে নৈৰ বান্ধ আৰু মথাউৰি বহা ঠিকা ওলায়, আৰু বানপানী শুকালে হিপা বান্ধ, হিপা মথাউৰি, হিপা বাট-পথ মেৰামতিৰ কামৰ বাবে বহুত ঠিকা ওলায় নে নোলায়?

"ওলায়।"

"ঠিকাদাৰৰ বহুত টকা হয় নে নহয়? হেৰা এটা কাম কৰিলে কেনে হয়? ল'ৰাটোক জীৱাৰ সৰবনাই ঠিকাদাৰ বনালে কেনে হয়?"

কথাটো মনো ভাবি চালো। হয়েই—তেওঁ বেয়া চিন্তা কৰা নাই। কলো:

"—বেয়া নহয়!"

"—মলোকনাকো সুধিবাচোন। মোৰ হলে ঠিকাদাৰ বনাবলৈহে বৰ মন গৈছে। ঠিকাদাৰ থকা কথা কিবা আছে যদি তাক পঢ়া।"

কাগজখনত আকৌ নতুনকৈ চকু ফুৰালো। হেঁ। এইয়া ঠিকাৰ বিজ্ঞাপন:

॥ ঠিকা কামৰ জাননী ॥

'ডিব্ৰুগড় জিলাৰ চকৰীপাৰ গড়াৰতৰ অধীনত ব্ৰহ্মপুত্ৰৰ পৰা বহোৰা অঞ্চলৰ বান্ধ, মথাউৰি আদি পুনৰ নিৰ্মাণৰ উপলক্ষে নতুনকৈ কম-সৰা কামৰ ঠিকা ওলাইছে। ইচ্ছুক ঠিকাদাৰসকলে এই জাননী প্ৰকাশৰ তিনি মাহৰ ভিতৰত নিৰ্দিষ্ট ফৰমত টেণ্ডাৰ দিব।'

× × × ×

ৰাইকৰ মুখত হাঁহি বিৰিঙিল। তেওঁ আকৌ ক'লে, "বেহ বেহ...... দৰ্খাস্তৰ সময় কেতিয়ালৈ আছে?"

"—তিনি মাহলৈ।"

তেওঁ এটা তৃপ্তিৰ হাঁহি মাৰিলে।

।। কন্যালাভ ।।

বতৰটো বৰ জৰকাল নাছিল। টোপনিৰ বাপো এৰা দিয়া নাছিল। টোপনি মানে—গাটো কিবা টোপনি টোপনি লাগি আছিল। আগনিশা পাৰ বিৰত তৰ পৰা নাই, ইকাতি সিকাতি হৈ পৰা নাই, চকুৰে ঝলক-ভপক লগাই আছে। তাতে ৰাতিপুৱাৰ জিলমিল ৰদৰ বেঙুনি লাগি চকু টানি নিব খুজিছে। কম্বলখন গাত মেৰিয়াই পৰি আছিলো।

কোনোবা এজনে চিঞৰি দিয়াত প্ৰায় চক খায়েই উঠিলো। চকু দুটা মেলি চাওঁ যে কালি হেণ্ডকাপ লগাই টানি অনা চিপাহী দুটাৰ এটা। চকু ৰঙা কৰি একপ্ৰকাৰ গোজৰাৰ দৰেই কৈ উঠিল,

"আবে কুকুৰৰ বাচ্চা, লক-আপতো কোনোবাই মাল খুৱাই গলাহি নেকি?" তাৰ পিছত ক'লে, "কেই কলহ টানিছিলি কালি? পকেট মৰা পইচাবোৰ কি কৰিলি?"

"নহয়—মানে চাৰ······মই আচলতে······নহয়।"

হাতৰ বেতডালেৰে মোৰ কম্পমানৰ ওপৰতে আৰু দুইহাত দি ক'লে,

"টকাখিনি কি কৰিলি হাত চাফাই কৰি কাৰ হাতত গতাইছিলি?"

কালি আবেলি বাছৰ পেচেঞ্জাৰৰ মাৰ-কিল আৰু পিছত পুলিচৰ কোব খাই খাই হাজোতত থাকি মুখটো কিবা হৈ গল। মুখটোৰে কাম নকৰা হল। আচলতে মানুহজনৰ জেপ কটা নাছিলো, হাতত থকা বেগটোহে কায়দা কৰি হাত কৰি দৌৰ মাৰি লগৰজনলৈ ট্ৰেন্সফাৰ কৰিবলৈ ধৰোঁতেই ধৰা পৰি গলো। লগৰজনে বস্তুটো পালেনে নাই তকিবই নোৱাৰিলো। মানুটো এতিয়া আছে কাৰ হাতত মই কওঁ কেনে কৰি? ক'লো,

"মানে তাৰ বেগটো কাৰ হাতলৈ গল কব পৰা নাই। নে মানুহবোৰে ······ নে পুলিচৰ কোনোবাই ······ নে"

"আৰে কুত্তাৰ বাচ্চা, পুলিচ বাপেৰে পোৱা হলে তোক সুধিবলৈ আহো।"

নাহে হয়, পিছে আহিলেওনো কি হয়? একো নামাতিলো, বেত-ডাল জোকাৰে বুলি চকুলৈও নাচালো, তললমুৰ হৈ থাকিলো।

হাতৰ বেতডাল মোৰ কপালত লগাই দি আকৌ সুধিলে, "অই! কিমান আছিল, বেগটোত কিমান আছিল সিমানেইনে?"

সিমানেই নহৈ আকৌ কিমান হব? কিবা মূৰ্খৰ নিচিনা সোধে কথাবোৰ। মই বেগটোত হাত দিয়াৰ লগে লগেই ভিতৰত থকা টকাই কণী পাৰিব নেকি? কিবে কথাবোৰ সোধে। মুখ খজুৱাই কলো,

'কিমান আছিল নাজানো। বেগটো গধুৰ হোৱালৈ চাই ভিতৰত মালৰ ওজনো কেইবাহাজাৰৰ কম নহব।"

তাৰ পিছত ভাবিলো—তাৰ মানে বেগটো পুলিচেও দেখা পাইছে? দুখ লাগিল—বৰ কষ্ট কৰা হৈছিল বহুত পৰ ধৰি। লগৰ জনেও বাৰে বাৰে দূৰৰ পৰাই ইচাৰা মাৰি আছিল আৰু মাজে মাজে একোটা কাহ মাৰি সাৱধান বাণী শুনাইছিল—যাৰ অৰ্থ আছিল 'সাৱধান, অন্য এজনে ে ৰ

কাণে চাই পৈছে, ধৰা পৰিব পাৰ, অপেক্ষা কৰ……, তাৰ পিছত আঙুলিৰ ইঙ্গিতেৰে কৈছিল, 'চাই-চিতিহে কামটো সমাধা কৰ, ইকালে মই ৰেডী আছো… ।' শেষত যেনিবা এবাৰ সুযোগটো ওলাল। পকাকী-জনে অন্যমনস্ক হৈ সিকালে চাই চাই বেগৰ কাণে পাহৰা যেন হওঁতেই মাৰি দিলো থাপটো ; আৰু চিলনীৰ নিচিনাকৈ খামুচি ধৰিয়েই বন্ধুজনলৈ ট্ৰেন্সফাৰ কৰিব খোঁজোতেই কোনোবাই মোক খপ মাৰি ধৰিলেহি। তাৰ পিছত বাছৰ পেচেঞ্জাৰসকলৰ চৰ, ভুকু……… ; আৰু তাৰ পিছত ? ছিঃ বৰ যত্ন কৰি বস্তুটো পায়ো হেৰুৱালো, মাজতে কোনোবাইহে …নে পুলিচেই … নে মালিকজনেই পাই গল !

এনেকুৱা ঘটনা মোৰ জীৱনত এইটোৱেই প্ৰথম নহয়, আৰু পুলিচৰ হাততোমে এইবাৰহে ধৰা পৰিলো তেনে নহয়; কিন্তু এইবাৰৰ মোকাটো ডাঙৰ আছিল, ঠিকচে ধৰিব পৰা হলে বহুদিনলৈ চপি পলয়েঁতেন। বহু-দিনলৈ চলোৱাৰ উপৰিও ৰাইকৰ এইবাৰ 'নাৰ্‌চিং হ'মচ'ত থৈ আৰামত ডেলিভাৰী কৰাই আনিব পাৰিলোঁহেতেন। ৰাইকেও কৈছিল "ডেলিভাৰি যদি হব লাগে মই কিন্তু নাচিং হ'মতে হ'ম। মানুহেও কব—এটা ইজেপাৰ ৰাখি ডেলিভাৰী হৈছে। ডাঙৰ ডাঙৰ ডাক্তৰসকলেও আমাক ডাঙৰ লোক বুলি জানিব আৰু তাৰিফ কৰিব। বেহেৰা, জমাদাৰসকলেও চালাম ঠুকিব আৰু আমি ডাঙৰ মানুহৰ মতন বকচিচ দিম…… তুমি মাত্ৰ টকা যোগাৰ কৰা …… চকু চৰহাসকলক এইবাৰ ঠিকচে দেখুৱাই দিম।"

কিন্তু পাইয়ো মোকাটো ধৰিব নোৱাৰিলো।

হাজোতত পেচাবৰ আৰু গাত লোৱা কম্বলখনৰ চেমেঠা চেমেঠা গোন্ধৰ লগতে মহ, মাখি, উৰহৰ সৈতে পতা মিতিৰালিয়েও মোৰ মনত দুখ দিব পৰা নাছিল। অথচ হাতত পোৱা বস্তুটো হেৰুৱাবলগীয়া হোৱাত যিমান দুখ পাইছো তেনে দুখৰ কথা একমাত্ৰ মোৰ ৰাইকেহে বুজি পায়। এই দুখৰ কথা পুলিচটোৱে কি বুজি পাব ?

মৈণীলৈ মনত পৰাৰ লগে লগে গাটো চিৰিঙকৈ উঠিল। তেওঁৰ-চোন সময় উপস্থিত। ডাক্তৰে কোৱামতে তাৰিখটো আজি সে কাষি পৰিছে। নে ইতিমধ্যে কিবা হৈয়েই গল, হল যদি ক'ত হল—ঘৰতে নে ডাক্তৰ-

খানাতে,……ডেলিভাৰীৰ সময়ত ডাক্তৰ, নাৰ্চ আছিল নে নাই, আছিল যদি কেইজন ? বৰ কষ্ট পালে নেকি ? ল'ৰা নে ছোৱালী হ'ল, ল'ৰা হল যদি তেওঁ আনন্দতে মতলীয়া হৈছে নেকি… বাগৰি বাগৰি হাঁহিছে নেকি, আৰু মই কাষত নথকাৰ কাৰণে দুখ কৰিছে নেকি ? ৰাইফেডো আৰু গম পোৱা নাই যে মই যোৱা কালিৰে পৰা এই হাজোতত বাস কৰি আছো।

মনটো হঠাতে বৰ উকণ্ঠা হ'ল। বৈণীৰ কোলাত এটি পুত্ৰ সন্তান বহি থকা যেন লাগি গ'ল। ল'ৰাটোক লৈ তেওঁ যেন অকলে বং বিৰঙৰ কাঁপোৰ পিন্ধাই চুমা খাইছে, আৰু হাত মেলিও মই যেন তাক মোৰ কোলালৈ 'আনিব পৰা নাই

হঠাতে পুলিচটোৱে চুলিকোচাত থাপ মাৰি ধৰি ক'লে,

"আৰে জমিদাৰৰ বাচ্চা, উঠ " নেদেখিছা তাৰ ডেমাক—যেন পঢ়াই কৰা নাই।"

কম্বলখন পকাৰ ওপৰতে থলো। পায়জামাৰ কঁকালৰ ৰচীদাল খোল খাই আছিল। থিয় হৈ পায়জামাটো টানি ওপৰলৈ লৰ ধৰোঁতেই হাত-খনত কিবা ভিজা ভিজা লাগিল। তাৰ মানে ৰাতি কৰ নোৱাৰাকৈয়ে পায়জামা পিন্ধা অৱস্থাতে……!! লেতেৰা হাতখন ধোৱাৰ উপায় নাই। কম্বলখনতে হাতখন মচি থিয় দিলো।

পুলিচটোৱে হাতত ধৰি লক-আপৰ পৰা মোক উলিয়ালে আৰু ভিতিত ধৰি টকিয়াই নিয়াৰ নিচিনাকৈ সিফালৰ কোঠাটোলৈকে লৈ গল।

খোজকাঢ়ি যাব পৰা শক্তি মোৰ নাছিল। পৰি যাওঁ পৰি যাওঁ লাগিছিল। চকু দুটা আধা মেলা আধা মুদা অৱস্থাৰে মই সিটো কোঠা-লৈত দাৰোগাৰ ওচৰত থিয় হলো। দাৰোগাজনে ব্যস্তভাৱে কাম কৰি আছে। তাৰ পিছত মোৰ ফালে চাই ক'লে, "এই পাপীটো নেকি অ'—সেইয়ে কেইমাহমান আগতে জেলৰ পৰা ওলাই গৈছিল ?"

এজন পুলিচে ক'লে, "হয় ছাৰ।"

কথা নাই বতৰা নাই দাৰোগাজনেও গৰ্জি উঠিল, "মাৰ তাক—পিটি

দে, আঙুলিত বেজী ভৰাই ভৰাই দে, পোৰা চিগাৰেট গাত লগাই লগাই সোধ বৃত্তিটো সি এৰা নাই কিন্তু.....

দাৰোগাজনৰ গৰজনিত মোৰ বুকুখন এইবাৰ থৰ্‌থৰকৈ কঁপিবলৈ ধৰিলে। তেওঁৰ চকুলৈও চাব নোৱাৰা হলো --এইবাৰৰ আকৌ কোনপিনে দিয়ে !

যোৱা কালি পেচেঞ্জাৰ আৰু পুলিচে দিয়া কিল, চৰ, ভুকুত কাহিল হৈ পৰা দেহাটো আজি থিয় কৰি ৰাখিব নোৱাৰা অৱস্থা, আকৌ যদি......

হঠাৎ চকু দুটা দাৰোগাজনৰ টেবুলখনৰ ওপৰত পৰিল। এডাল ডুহাত-মান দীঘল বেত, বেতডালৰ এটা মূৰত পিতলৰ টুপী লগোৱা। বেতডালৰ এই টুপীতে মুঠি মাৰি ধৰি বেতেৰে......

......উঃ উঃ উঃ। নিজেই যেন এইডাল বেতেৰে কোবাই গৈছো— মধে মধে— মোৰ নিজৰ গাত, পিঠিত, ভৰিৰ কলাফুলত, মেজখনৰ ওপৰত ভালকৈ পাৰি লৈ সোঁহাত আৰু বাওঁহাতৰ আঙুলিবোৰত।

আকৌ চালো টেবুলখনলৈ। বেতডালৰ কাষতে পৰি আছে- সেইটো কি? সেয়াচোন সেইটোচোন...... সেই বেগটো— মই কালি থাপমাৰি উধাও কৰিব খোজা বেগটো। বেগটো দেখিয়েই এনেকুৱা লাগি গ'ল যেন মোৰ বুকুত কোনোবাই একুৰা জুইহে জ্বলাই দিলে, এই বেগটোৰ কাৰণেই ·· ··। বেগটোৰ পৰা যেন দাউ দাউকৈ জুইহে ওলাইছে, জুয়ে যেন পুৰি দিব এতিয়া মোৰ চকুদুৰি, মোৰ সৰ্বাঙ্গ দেহাটো। মই যেন চিঞৰি দি কাবোবাক কম— ‘‘এই বেগটো মোৰ সন্মুখৰ পৰা লৈ যোৱা, তাৰ ভিতৰত থকা বিহুৰ টোপোলাটো লৈ যোৱা।

যুৱকটো আচল্লাই কৰিলে। চকুদুটাই যেন দেখা পাইছে মাত্ৰ কিছুমান ৰঙা-নীলা ৰবৰৰ বেলুনৰ ৰং। মুখখনেৰে যেন হোঁক-হোঁককৈ ওলাই আহিব কিবাবোৰ বিজতুৰা বিজগুৰা.....। মই খিতাতে ভাৱেই বহি পৰিলোঁ। হুব পাৰু......।

× × × × × × ×

এইবাৰো জেলত মই অকলে নহয় । পুৰণা দোস্ত তিনিজনকো একেলগে পাইছো । আচলতে পূৰ্বতে আমি একেটা দলতে আছিলো । দলটোও বেছ ডাঙৰ আছিল । ডাঙৰ ডাঙৰ 'কেচ'বোৰ চম্ভালোতে বহুত মানুহৰ দৰ্কাৰ হয়, দুই তিনিজনীয়া দল কৰি কৰি কেইবাটাও ভাগত ভাগ কৰি লোৱা হয়. দলকেইটা দূৰে দূৰে থাকে । এটা দলে 'ফুটাৰ' নোৱাৰিলে আনটো দলক দিয়া হয় । সিটোৱেও কিবা কাৰণত নোৱাৰিলে পিছৰ দলটোৰ হাতত এৰি দিয়া হয় । মূঠতে এটা নহয় এটা দলে সৰকাৰই । সৰকোৱা 'মাল'খিনি শেষত আটাইকেইজনে ভাগ কৰি লোৱা হয় ।

এবাৰ কি হ'ল জানে ? এজন দোস্তে জনালেহি যে ৰেলৰ সাত নম্বৰ ডবাটোৰ ওঠৰ নম্বৰ চিটত বহি যোৱা পাতল নীলা পাঞ্জাবী পিন্ধা পেটুৱা মহাজনজনৰ পাঞ্জাবীৰ তলত পিন্ধা গেঞ্জীটোৰ বাওঁখন পকেটত নাই-কয়েও পঞ্চাশহাজাৰ আছে ।

"গতিকে দোস্ত, লাগি যোৱা ।"—সি ক'লে

বহুত প্ৰবন্ধ কৰি মহাজনজনৰ কাষতে হেঁচা মাৰি বহি দোস্তী পকালোঁ । লগৰ দুজন অনতি দূৰে দূৰে ৰেডী হৈ গৈছে—যেন ইফালে চাক্‌চেচ হলেই 'কাট থ্ৰো ট্ৰিক্স' পদ্ধতিৰে দ্বিতীয়জনলৈ দলি মাৰি ট্ৰেন্সফাৰ কৰি দিব পৰা যায় আৰু সিজনেও যেন খাপ মাৰি ধৰি সেই একেটা পদ্ধতিৰে তিনি নম্বৰ দোস্তলৈ ফৰৱাৰ্ড কৰিব পাৰে ।

এই পদ্ধতিটো বৰ ভাল । উপযুক্ত প্ৰশিক্ষণ লোৱা থাকিলে আৰু হাত চালু হলে ইয়াৰ নিচিনা ভাল ট্ৰিক্‌চ আৰু একো নাই । পকেটৰ পৰা প্ৰথমে কৌশল কৰি উলিয়াই আনিলা আৰু লগে লগেই থ্ৰো কৰি দোস্তলৈ চিক্ৰেটমতে দি দিয়া, তেওঁ তেওঁৰ কাম কৰক—আৰু তুমি লাহেকৈ তোমাৰ ঠাইৰ পৰা ভদ্ৰলোকৰ দৰে শুচি আহা আৰু যদি কেনেবাকৈ ধৰাও পৰি যোৱা তেতিয়াও নিৰ্ভয় থাকা, কিয়নো মালখিনি তুমি ইতিমধ্যে তোমাৰ দোস্তলৈ প্ৰেৰণ কৰিলাই । মানুহে তোমাক ধৰিলে হয়—পিছে তোমাৰ

লগত 'মাল' নাপাই তোমাক দোষীও কৰিব নোৱাৰা হ'ল। পুলিচক গতাই দিলেও কোনো প্ৰমাণ নথকাত তুমি সাৰি গলা; আৰু পিছত তোমাৰ ভাগটোও দোস্তসকলৰ পৰা পাই গলা।

এই ব্যৱসায়ৰ দোস্তীৰ সমান দোস্তী কতো নাই। এই বন্ধুত্ব পাচ আৰু ইমান বিশ্বাসযোগ্য যে ইজনৰ আগত সিজনে কথা লুকায়, কেতিয়াও মিছা নকয় আৰু পোৱা ধনৰ ভাগ-বাটোৱাৰাতো কেতিয়াও হ্ৰস্ব-দীৰ্ঘ নকৰে। তুমি যদি জেলতো ছমাহ কটাব লগা অৱস্থা হয়, জেলৰ পৰা ওলাই আহিও তুমি তোমাৰ ভাগটো পাবাই।

কি কৈছিলো? আচল কথাটো এৰি অন্য কথালৈ গুচি গলো, পিছত কি হ'ল শুনক।

কথা পতাৰ চলেৰে, হাঁহি তামোচাৰ চলেৰে দোস্তা পাতি লোৱা মহাজনক অন্য মনস্ক কৰি লৈ আচল সেই ঠাইতে হাত বুলাই চালো।
—হয়েই, একদম ঠিক ঠাইতে ঠিক মাল যত্ন সহকাৰে ৰাখিছে।

ৰসাল কথাৰ মহলা মাৰি ভালকৈ গাতে গা লগাই বহি ললো।

অলপ পিছতে টোপনিৰ নিচা লগা যেন ভাও ধৰি তেওঁৰ গাতে ৰাবে ৰাবে হাউলি যাওঁ, বাৰে বাৰে তেওঁ সচেতন হয়। বহুবাৰ এনে কৰাৰ পিছত তেওঁৰো হেলা কৰা হ'ল।

গৈ আছো—গৈ আছো। ৰেলো চলি আছে—আমিও গৈ আছো।

এটা সময়ত এটা ষ্টেচনত ৰেলখন থামিল। ৰেল থমাৰ লগে লগেই আগতে কৈ থোৱা মতে লগৰ দোস্তে অনতিদূৰত চিঞৰি দিলে—"চোৰ চোৰ,—নিলে নিলে।"

তেতিয়া যাত্ৰীসকলৰ মন সিফালে ধাবিত হ'ল, মহাজন বাবুৱেও সিজৰ কথা পাহৰি সিফালকৈ মন দিলে। তেওঁৰো খবকবাই চিঞৰি উঠিল, "ক'ত-ক'ত, ধৰ-ধৰ।"

এইবাৰেই চান্স। তেওঁ নিজৰ কালে পাহৰি সিফালে মনযোগ দিয়াৰ সুবিধাতে দিলো হাতখন তেতিয়াই যথাস্থানত। একে থাপতে 'বস্তু'ৰ মোনাখন হাত কৰিয়েই তেওঁলোকৰ মুখতে যেনো একে লগে চিঞৰি উঠিলো "ধৰ ধৰ, ধৰ....।" তাৰ পিছতে সেই সুযোগতে একেদমে থিয় হৈ থাকিলো

দৌৰ। ইতিমধ্যে মোৰ দোস্তেও 'চোৰ চোৰ—ধৰ ধৰ' বুলি চিঞৰি চিঞৰি ওলাই গৈছিল আৰু বাকী যাত্ৰীসকল থিয় দিয়াৰ সুযোগতে ময়ো দোস্তৰ পাছে পাছে দে দৌৰ। ইতিমধ্যে যিজন প্লেটফৰ্ম পাৰ হৈ গৈছিল, পাছে পাছে দৌৰি দৌৰি ময়ো সি যোৱা বাটে বাটে গৈ প্লেটফৰ্ম পাৰ হৈ লগ লাগি গলো আৰু একেলগেই দুয়ো লুকাই পৰিলো।

তাৰ পিছত এটা সময়ত বেলখনে উকি মাৰি গুচি গল আৰু আমিও ওলাই গৈ মাৰি নিয়া মোণাখন খুলি চাওঁ—টকাই টকা—টকাই টকা—একলাখ।

বিয়া কৰোৱাৰ পিছতেই আহিছিল এই 'দাইন'টো। ভাগ্যৱতী মোৰ গৃহিণী, তাইক ভাগ্যৱতী বুলি নকৈ কাক কম? তাই ঘৰ সোমোৱাৰ লগে লগেই সোমাই পৰিলহি স্বয়ং লখিমী। মানুহেও কয় লখিমী আনিলি ঐ দীৰ্ঘনাসা—স্বয়ং দেৱী সোমালহি তোৰ গৃহত।"

× × × ×

সিদিনা আছিল মঙ্গলবাৰ। এই মঙ্গলবাৰটো আহিলেই মোৰ কিবা ভাল ভাল লাগি যায়। আইয়ে কৈছিল— মই বোলে মঙ্গলবাৰতেই শেতেলীস্থ হৈছিলো। আই বোলে শেতেলীত শুই আছিল। কথা নাই বতৰা নাই,—মই বোলে আইৰ পেটৰ পৰা ওলাই আহিলো আৰু শুই শুই বোলে জেঠীৰ পোৱালীটোৰ দৰে হাত-ভৰি মাৰিবলৈ ধৰিলো। তাৰ পিছত কোনোবা এটা মঙ্গলবাৰে বোলে মোৰ পিতা ঢুকাল। পিতা মৰিলত মই স্বাধীন হ'লো। তাৰ পিছত আৰু এটা মঙ্গলবাৰে মোৰ আইও মৰি থাকিল—এইবাৰ মই স্বৰাজ পালো। বিয়াও হ'ল মোৰ মঙ্গলবাৰতে। এইদৰে মঙ্গলবাৰেই মোৰ জীৱনত একোটা উল্লেখযোগ্য দিন হৈ আহিছে। সেই কাৰণেই হবলা মঙ্গলবাৰটো আহিলেই মোৰ মনটো কিবা ভাল ভাল লাগি যায়।

সিদিনা মঙ্গলবাৰীয়া দিনটোৰ দুপৰীয়া খবৰ পালো যে মোৰ থানা-চৰ হুকুম হৈছে। খবৰ শুনি দোস্ত মানুহে ক'লে, "তই 'ফিৰি' হলি. যা এইবাৰ কিন্তু জিলেপী বলিব লাগিব—দুইহ '? চুৰবৰ খাজ্ঞাইতে আমাক 'জাল খৰত, ৰাখিব কেইদিন। ঐ দোস্ত, মাৰ হাত।"

দোস্ত চামচুদ্দিন আৰু কালা-জগতে ক'লে, "অই যা যা, 'কিলিং' বেডী ৰাখ'গ, এইবাৰ আমাৰ নতুন ৰকমৰ মোকা আহি যাব চাই থাক।"

এক প্ৰতিশ্ৰুতিপূৰ্ণ ভৱিষ্যতৰ কথা মুখেৰে আপোনা-আপুনি ওলাল। চাৰিওজনে প্ৰায় সাৰতা-সাৱতি আৰম্ভ কৰি দিলো।

তিনিও সাৱতা-সাৱতি কৰি আছো। এনেতে আৱিৰ্ভাৱ হ'ল হৰিলাল। সি আমাৰ জেলৰ ৱাৰ্ডেন।

হৰিলালকে ধৰি ৱাৰ্ডেনসকল অল্পদিনে আমাৰ বন্ধু হৈ গৈছে।

দূৰৰ পৰাই প্ৰায় চিঞৰাৰ দৰে হৰিলালে কৈ আহিল, "অই নাৰাৰ সোন্তৰ! বেডী হৈ যা অফিচলৈ—খালাচ পালি।'

মঙ্গলবাৰটোলৈ আকৌ মনত পৰিল। হ'বই—এই দিনটো মঙ্গলবাৰ নহৈ কি হব। বেডী হোৱাৰ লগে লগে দোস্তসকলৰ চকুৰ পানী ওলাল।

এটা সমগ্ৰত বন্ধুকেইজনে লোহাৰ প্ৰকাণ্ড গেটখনলৈকে লৈ গ'ল। মই দেখিলো যে আজিৰ তাৰিখত মই অকলেই নহয়—আৰু বহুজন খালাচ হৈছে।

জেলৰ প্ৰকাণ্ড গেটখনত ভেঙঁলোকৰ লগত মৰো লগ লাগিছো— গেট খুলিলেই একেলগে ওলাম। ভেঙঁলোককো আগৰচাই থৰলৈ ভিতৰৰ পৰা একেলগে জেলত সোমোৱা আৰু কেইজনমানো আহিছিল।

সুধিলো, "এওঁলোকেও খালাচ পালে হব পায়?'

এজনে ক'লে, আজি খালাচ হ'ল।"

ভেঙঁলোকৰ মুখৰফালে ভালৈক চালো। এজনো চিনাকি নহয়। মুখবোৰ মৰম লগা গহীন।

এজনক মাতি আনি সুধিলো, "এওঁলোকে হবলা আজি খালাচ হ'ল? এওঁলোকে কি অপৰত জেলত সোমাইছিল?"

ভেওঁ ক'লে, "পোলিটিকেল।"

উত্তৰটো ভালদৰে বুজি নাপালো যদিও বুজি পোৱা মানুহৰ দিচি-নাকৈ মূৰ দুপিয়ালো।

আটাইবোৰে একেলগে বৈ আছো। এটা সময়ত এজনে আহি ভিতৰৰ পৰা মাৰি থোৱা গেটৰ তলাটো খুলি দিলে। আমি একেলগে

গেটৰ পৰা ওলোৱাৰ লগে লগে দেখিলো বাহিৰত অজস্র মানুহ। হাতত মালা লৈ আমি ওলোৱা গেটৰ ফালে চাই অধীৰ অপেক্ষাত ৰৈ আছে।

মন্ত্ৰী ভেওঁলোকৰ লগত একেলগে ভিতৰৰ পৰা ওলাইছোঁহে—মানুহবোৰে আমাক ঘেৰি ধৰি তেওঁলোকক মালা পিন্ধালে, এডাল মালা মোৰ ডিঙিতো পৰিল। দুজনমানে সম্ভাষণো জনালেহি। কেইজনমানে আনন্দত উত্‌ফুল্ল হৈ আকৌ আকোৱালি ধৰিলেহি। তাৰ পিছত আৰু দুডালমান মালা আহি মোৰ ডিঙিতো পৰিল, মোকো কেজনমানে সাৱটি ধৰিলেহি........... .. ।

তাৰ পিছত এটা বিৰাট শোভাযাত্রা। আগে আগে ফুলৰ মালা ডিঙিত পিন্ধি আমি আগবাঢ়ি আছো, নগৰ কেইজনে হাতযোৰ কৰি গৈ আছে। তেওঁলোকেও বাটত জুম পাতি আমালৈ চাই থকা মানুহবোৰৰ অভিবাদন গ্রহণ কৰি গৈছে। তেওঁলোকে কৰাৰ নিচিনাকৈ মন্ত্ৰী মানুহবোৰলৈ চাই হাতযোৰ কৰি গৈছো। বাটত জুমবোৰে তেওঁলোকলৈ দলিয়াই থকা ফুল আহি মোৰ গাতো পৰিছিল। নগৰ মানুহবোৰৰ এজনেও কিন্তু নগৰ আনজনলৈ চোৱা নাই— মাত্র বাটৰ কাষৰ মানুহবোৰলৈ মূৰ দোৱাই গৈ আছে, মই কিন্তু বাটৰ কাষৰ মানুহবোৰলৈও চাই গৈছো আৰু মোৰ কাষৰ এই সকললৈও এনেভাবে চাই গৈছো যেন তেওঁলোকৰ কোনোবাজনৰ চকুৰে চকুৰে পৰিলেও মই যেন তেওঁলোকৰ নগৰে কৰ্মী আৰু অন্য কোনোবাখন জেলৰ পৰা ওলাই অহা বুলি ধাৰণা কৰি লব পাৰে।

পাছে পাছে মানুহবোৰৰ জয়ধ্বনি, "জয় আই অসম, আমাৰ নেতা জিন্দাবাদ, আমাৰ নেতা দীৰ্ঘজীৱি হওক ·....।"

তাৰ পিছত তেওঁলোকে আমাক নি এখন মঞ্চত তুলিলে। চাৰিওফালে অগনণ মানুহৰ ভীৰ আৰু কেৱল জয়ধ্বনি, আমাক ঘেৰি ধৰি জনতাৰ কেৱল আনন্দ।

মই কেৱল ভাবিছো ভাবিয়েই আছো—কি "পাল্লাত" পৰি গলো, কি কাম কৰি জেলত সোমালো, কি হৈ ওলালো..... আৰু এইবোৰ কি... ? জনগণৰ চকুযুৰি থাকি লাহেকৈ এবাৰ ওচৰৰ কেইজনলৈ ভেঙাকৈ চাই

পঠিয়ালো। তাৰ পিছত দেখিলো—কোনোবা কেইজনমানে মঞ্চত উঠি আছে। এজনৰ পিছত এজনক ভিতিত মালা আৰু গামোচা পিন্ধাইছে। পাওঁতা-জনে বাইজক নমস্কাৰ কৰি আকৌ আগৰ ঠাইতে বহিছে। এটা সময়ত মালা আৰু গামোচা মোৰ ডিঙিতো পৰিলহি আৰু মই আগৰ সেইজনৰ নিচিনাকৈ............।

মঞ্চত উঠি এজনৰ পিছত আনজনে বক্তৃতা দি গৈছে; কোনে কি কৈছে মই একো ধৰিব পৰা নাই. মাত্ৰ কথাবোৰ কাণতহে পৰিছে, মই যেন শুনা নাই, বুকুখনত কিবা এটা ধপ্‌ধপনি, কিবা যেন ধৰা পৰি যাওঁ, ধৰা পৰি যাওঁ অৱস্থা।

এবাৰ এজনে কোৱা শুনিলো "এওঁলোক অসমৰ সু-সন্তান, এওঁলোকে বাইজৰ হকে আন্দোলন কৰি পুলিচৰ মাৰ খালে, কাৰাবৰণ কৰিলে ....এইসকল দেশপ্ৰেমিক বীৰক আমি সম্ভাষণ জনাওঁ.....এওঁলোকক জাতীয় বীৰ হিচাপে স্বীকৃতি দিব লাগে...........।"

চকু দুটা মুদি মনে মনে ভাবিলো। এইবাৰহে যেন কথাবোৰ মগজুত সোমাইছে।

তাৰ পিছত এবাৰ ইফালে সিফালে চালো—কোনোবাজন 'দোষ্ট' এইসকল মানুহৰ জুমৰ মাজতে সোমাই আছে নেকি, কোনোবাজন 'দোষ্টে' কৰবাত "সুবিধা" কৰিছে নেকি, সিইওৰ কোনোবাজনে মোক চিনি পালে নেকি!

তাৰ পিছত মঞ্চৰ ওপৰত মাল-গামোচা পিন্ধা কেইজনমানে কিবা কথা ক'লে, আৰু মই কেৱল তন্ময় কৰি শুনি থাকিলো।

× × × × ×

ক্ৰমে ক্ৰমে সক্ৰিয়া লাগিল। আঙ্কাৰ হৈ অহা দেখি নিজকে কিবা ভাল ভাল লাগি প'ল।

কেইজনমান ডেকা ল'ৰা আহিল আৰু এখন মটৰ গাড়ীত তুলি মোক মোৰ ঘৰৰ সন্মুখতে নমাই দিলে। যাবৰ সময়ত ক'লে, 'দাদা, আপোনালোকেই আমাক পথ দেখুৱাই দিব লাগিব, আপোনালোকেই আমাৰ ....।"

মই একো মাতিব নোৱাৰিলো।

এইখিনি পৰত মই কি ভাবিছো একো কব নোৱাৰো।

অলপপৰ থৰ হৈ থাকি হঠাতে যেন মই সম্বিত ঘূৰাই পালো। দেখিলো ল'ৰা কেইজনে মোক নমস্কাৰ জনাই গ'ড়ীখন চলাই ইতিমধ্যে গুচি গৈছে।

পঞ্চলিমুখত থিয় হৈ আন্ধাৰতে মই মোৰ দেহাটি এবাৰ ভালকৈ চাবৰ যত্ন কৰিলো—নাই, একো নেদেখি' মই যেন দেখা পালো মোৰ ভিতৰত এজন মানুহ। মানুহজ'ন যেন মোৰ ফালে চাইছে আৰু চাই চাই হাঁহি হাঁহি কৈছে—হেৰ, তই তোৰ ডিঙিৰ মালা কেইডালেৰে কৰবাত ফাঁচ লগাই মৰ।' তাৰ পিছত আকৌ যেন সুধিছে, · পিন্ধি থকা অৱস্থাতে ঘৰ সোমাবিনে·· নে সোলোকাই বাটতে পেলাই থবি ?

বহুত ভাবি চিন্তি ডিঙিৰ পৰা মালা কেইডাল উলিয়াই হাততে ললো।

এেখ জ-ঢ় খ জকৈ অন্ধাৰে-মুন্ধাৰে নদলা পাৰ হৈ গৈছো মাত্ৰ, এনেতে ঘৰৰ ভিতৰৰ পৰা অহা এটি কেচুৱাৰ কান্দোনে মোক উদ্বিগ্ন কৰি তুলিলে। ভিতৰত কোনোৱা দুজন কথা পাতি হাঁহিছে।

কিবা এটি আনন্দ লাগি গ'ল। আনন্দতে মই অহাৰ জাননী দি কাহ এটা মাৰি দিলো।

দুৱাৰখন খোলা গ'ল। ভিতৰৰ পৰা জুমি চাই এজন আগবাঢ়ি আহিল। প্ৰায় সাৱতি ধৰাৰ নিচিনাকৈ আহি তেওঁ ক'লে, ''বন্ধু আহিলা ? বৰ ভাল কৰিলা। আমি ভাবিয়েই আছিলো—ছোৱালীৰেই ভাগ্য ভাল। কালিলৈ গণনা পাতিছো।''

''—তাৰ মানে ?''

''—তাৰ মানে ছোৱালী এজনী— সাক্ষাৎ লখিমী এজনী পালা।''

বুজিবলৈ একো বাকী নৰলমে মোৰ গৃহিনী ইতিমধ্যে কন্যাৰ মাক হৈছে ......।

আমি আনন্দতে খবখনত মুকলিভাবে কথা পাতিছো। সকলোৱে

আনন্দ—মোক এটি শুভদিনতে একেলগে পাইছে। আজি যেনেকৈ পৰা ওলোৱাৰে পৰা ভিভিত মালা গামোচা পিন্ধা, শোভাযাত্ৰা কৰাই বাইজে মঞ্চত তোলা, সম্বৰ্দ্ধনা জনোৱা, ঘৰৰ সন্মুখলৈ আনি গাড়ীৰে আগবঢ়াই থোৱা ইত্যাদি কথাবোৰ এটা এটাকৈ বিবৰি ক'লো। নকলো মাত্ৰ যেনেও সোমোৱা কাহিনীটো।

এজন বন্ধুৱে ক'লে, 'চোৱা আমাৰ কেনে ভাগ্য, তুমি ডাঙৰ মানুহ হৈ গ'লা, দেশৰ নেতা হৈ গলা।''

খৈণীয়ে কেচুৱাটোৰ কাষতে শুই আছিল। কিন্তু আগ্ৰহ কৰি উঠি আহিল আৰু ক'লে,

''নেতা মানুহ এলেকচন হয় নেকি ?''

বন্ধুৱে ক'লে, ইলেকচনেই নহয়—ভগদীৰ থাকিলে ৰজা-মন্ত্ৰীও হ'ব পাৰিব।''

"- তুমিও হবা নে ?'' মোক উদ্দেশ্য কৰি খৈণীয়ে সুধি আকৌ ক'লে, ''তুমি যদি ৰজা বা মন্ত্ৰী হোৱা, তেনেহলে মোক কিন্তু দালান-ঘৰ চেঁচকী মটৰ লাগিব, মই কিন্তু পুৰস্কাৰৰ সভাবোৰত যাম দেই ......চাকৰ আৰু বান্দীবোৰক কিন্তু মইহে চলাম দেই ....।''

পিছদিনা ৰাতিপুৱা তাইৰ গণনা—তাইৰ ভৱিষ্যত কি হ'ব, কি নহব এইবোৰ কথাৰ গণনা কৰি চোৱাৰ কাৰণে গণক আৰু দুই চাৰিজন বন্ধু গোট খাইছে। মানুহ বেছি মতা নাই, খৈণীয়ে কৈছে যে তাইৰ ভৱিষ্যতৰ কথাবোৰ শুনাবলৈ মানুহক মাতি আনিব নালাগে; কিয়নো তাইৰ ভৱিষ্যতৰ কথা শুনি সেইবোৰ মানুহ হিংসাতে দেই পুৰি মৰিব।

গতিকে অনুষ্ঠানটো অতি সৰুকৈ পতা হ'ল।

গণকে গ্ৰহ-নক্ষত্ৰ চাই গণি-পিতি আমাৰ কন্যাৰ ভৱিষ্যতৰ বিষয়ে পদ্যেৰে চমুকৈ ৰিখিনি ক'লে সেই কথা ইয়াত দাঙি ধৰাৰ লোভ সামৰিব নোৱাৰিলো :

কন্যা জন্ম শুনি তব আমি আনন্দিত সব

ধন্য ধন্য ভাৰতবৰিষ,

বহু গুণী হব সিটি দিলো লগ্ন গণি-পিতি
গ্ৰহগণে দিছে শুভাশীষ।
গৌৰৱণা প্ৰসৱিনী সাধ্বী সতী তপস্বীনী
ধন্যা মাতৃ তুমি নগৰীয়া,
তোমাসম গুণৱতী কন্যা হব যশমতী
এই বাক্য হব যুগমীয়া।
দ্বাদশ বছৰে কন্যাই আৰম্ভিব যুৱা কাল
ত্ৰয়োদশে পূৰ্ণ ব্যৱহাৰ,
পঞ্চবিংশ ষোড়শত যশস্যা প্ৰচাৰ হব
সপ্তদশে স্বাধীন বিহাৰ।
কন্যা হব বুদ্ধিমতী লয়লাসে খোজেপতি
নানা ভঙ্গী নানা সুবচন,
লোকৰ যহতে পাব জোতা, বস্ত্ৰ, অলঙ্কাৰ
নালাগিব পিতৃ অৰ্জা ধন।
পৰধনে চিনেমা চাব বিখ্যাত নটবত যাব
অঙ্গে পাব নানা প্ৰসাধন,
স্ব-মতে প্ৰপেম হব 'খুচিমতে' ভৰমিব
পিতৃ-মাতৃৰ মুগ্ধ কৰি মন।
পঞ্চাশ বৰ্ষত তেওঁ ত্ৰিশবৰ্ষ ডেকা স'তে
বিবাহোপাশত বদ্ধ হৈব,
পতি হৈব ভোলানাথ পিতৃ দীৰ্ঘনাসা যেনে
মাতৃমান নিজে তেওঁ অক্ষুণ্যে ৰাখিব।
স্ব-নামতে ধন্যা হই পিতা-মাতাক ধন্য কৰি
ধন্য তেওঁ কৰিব বংশ গোট,
এই কন্যাৰ আৱিৰ্ভাৱে দিছে সম্ভাৱনা যত
সেইমতে গণি-পিতি
কোষ্ঠীখন কৰিলো যুগুত।

[দৈৱজ্ঞ পুৰুষ জনাই সেইবোৰ গণি-পিতি কোষ্ঠীত আৰু লিখি-

ছিল তেওঁৰ জন্ম মেষ ৰাশিত, শৃগাল বৰ্ণ—মতান্তৰে নেউল বৰ্ণ, (জাৰ্চী গৰুৰ অস্থি—মতান্তৰে নাহৰফুটুকী বাঘৰ অস্থি), অষ্টোত্তৰী শুক্ৰৰ বিংশোত্তৰী শনিৰ দশা, দেৱাৰিগণ (যা চিধা ভাষাত ৰাক্ষসগণ বুলি কোৱা হয়) হুতাশন যোগ । নামৰ আদি আখৰ—অ, ল]

এনে'হেন সু-লক্ষণা, ৰূপৱতী আৰু গুণৱতী কন্যা লাভ কৰাত পৰম মহিয়সী সতী সাধ্বী বুলি বাইজে বিবেচনা কৰা 'সৌভাগিনী' নাৰী অৰ্থাৎ আমাৰ অৰ্দ্ধাঙ্গিনী প্ৰেয়সী) শ্ৰীমতী নগৰীয়ানীয়ে ক'লে, "আমাৰ কোনেও নৰখা—অৰ্থাৎ আন কমন' নাম ৰাখিব লাগে অভিধান আনা ।'

অভিধানত বিচাৰি বিচাৰি কন্যাৰত্নৰ নাম ৰখা হ'ল—'অ' আখৰেদি 'অক্সিজেন' আৰু 'ল' আখৰেদি 'লজেন্স'। আমাৰ গৃহিনীয়ে যুক্তি দি ক'লে যে যিহেতু ছোৱালীজনীয়ে সকলোকে মুগ্ধ কৰি পৰাৰো প্ৰাণত মৃত সঞ্জীৱনী সুধা থকা ৰক্ত-প্ৰৱাহৰ সঞ্চাৰ কৰিব পাৰিব আৰু যিহেতু তাইৰ ক্ৰিয়া অক্সিজেন গেচৰ তুল্য হব গতিকে 'অক্সিজেন' নাম তাইৰ প্ৰকাশ্য নাম হব, আৰু যিহেতু 'লজেন্স' বুলি ক'লে ল'ৰা, ডেকা, বুঢ়া সকলোৰে জিভাৰ পানী ওলোৱা'ক এক লোভনীয় নাম হয়, আৰু যিহেতু কোষ্ঠীমতে তেৰ বছৰ বয়সৰ পৰাই তাই সকলোৰে লোভনীয় হব বুলি কোষ্ঠীয়ে সিদ্ধান্ত দিছে, গতিকে লজেন্সৰ বাহিৰে তাইৰ কোনো উপযুক্ত নাম হব নোৱাৰে। মই অৱশ্যে গৃহিনীক কৈছিলো যে 'অ' আখৰেদি 'অক্ষৌহিণী ৰাণী' (অৰ্থাৎ চতুৰঙ্গ সেনা বাহিনীৰ নায়িকা) হওক, (কিয়নো তাই সকলোকে জয় কৰি ফুৰিব বুলি গণকে কৈছেই) আৰু 'ল' আখৰেদি 'লেবেজান (অৰ্থাৎ ভাগৰ লাগি অলস হোৱা) হওক (কিয়নো কন্যাই তেৰ বছৰৰ পৰা ঊনপঞ্চাশ বছৰলৈ নানাবিধ লীলা খেলা কৰি পঞ্চাশ বছৰতহে বিয়াত বহিব—সিটো বয়সে কন্যাৰ জীৱন-যৌৱনক লেবেজান কৰি দিব আৰু এনেকি বিজন ত্ৰিশ বছৰীয়া যুৱকক পাকৃয়াও কৰি বিয়া কৰাব সেইজন পুৰুষৰ লগত দাম্পত্য জীৱ-

নহয় তাই 'লেবেজান' শব্দটিৰ যথাৰ্থ ব্যৱহাৰ কৰিব পাৰিব। মোৰ প্ৰস্তাৱ শুনি শ্ৰীমতীয়ে বায়ুত ধনঞ্জয় ঘোঁৰাৰ ৰথ চলাই এনে অৱস্থা কৰি তুলিলে যে সেই বায়ুৰ কোবত মই প্ৰায় ধৰাশায়ী হৈ পৰিছিলোঁৱেই। পিছে কোনোমতে 'অক্সিজেন' আৰু 'লজেঞ্চ' নাম দুটা উৎকৃষ্ট হব বুলি কৈহে ৰক্ষা পৰিলোঁ।

নামৰ নিৰ্বাচনৰ বিষয়ত মোৰ আৰু আমাৰ শ্ৰীমতীৰ বান্ধৱ বান্ধৱী সকলেও "শ্ৰীমতী দীৰ্ঘনাসাৰ কবিত্বপূৰ্ণ চিন্তা-শক্তি'ৰ তাৰিফ কৰিলে। কোষ্ঠীৰ নাম দীঘলীয়া হোৱাত সদায় মাতিবলৈ অসুবিধা হব বুলি তাইৰ এনেয়ে ৰখা গুপ্তনামৰ লগত সঙ্গতি ৰাখি লুজ কৰাৰো সিদ্ধান্ত হ'ল। নাম গণনাৰ দিনা ৰাইজৰ সকলোৱে এটা কথাকে বাৰে বাৰে ক'লে যে যিহেতু ছোৱালী দেশ বিদেশৰ বহু ভাষা-ভাষীলোকৰ লগত সঙ্গত কৰিব গতিকে অক্সিজেন লুজেঞ্চ আৰু লুজ—এই তিনিওটা নাম ইংৰাজী ফেচন'ত হোৱাত এই নামৰ এক ইণ্টাৰনেচনেল (অৰ্থাৎ আন্তৰ্জাতিক) গুৰুত্বও থাকিব। আৰু ক'লে যে অসমীয়া ছোৱালী ইণ্টাৰনেচনেল পৰ্য্যায়ত উঠিব পৰাটো অসমৰ বাবেই সৌভাগ্য কথা হ'ব।

এই কন্যাৰত্ন যে 'সৌভাগিনী' হৈ আহিছে এই কথা মই আনক জনাব নোখোজো। গৰ্ভতে তাইৰ মহিমা দেখিছিলো। মাকৰ দেহত সুলক্ষণী লক্ষণ' দেখি বহুতে কৈছিল, ' মিচেছ নগৰীয়া, আপুনি কিন্তু আচল জিনিচ গৰ্ভত লৈছে দেই প্ৰমাণো পালো। তাই উপজিবৰ পিছতেই মই জেলৰ পৰা খালাচ পালো তাইৰ ভাগ্যৰ ফলতে মই জেলৰ পৰা ওলায়েই ভিত্তিত ফুলৰ মালা গামোচা পালো, ৰাইজে মোক নেতা বুলি আদৰিলে আৰু ঈশ্বৰে কৰিলে মই যে এদিন এম্‌এল-মন্ত্ৰী নহম এই কথা কোনে জানে? ফুলৰ মালা পিন্ধাই ঘৰলৈ আগবঢ়াই থৈ যোৱা ডেকা-ল ৰাকেটটাইতো কৈয়েই গৈলালে, "দাদা আপুনি কিন্তু আমাৰ দেশক নেতৃত্ব দিব লাগিব নিৰ্বাচনলৈ বেছিদিন নাই আপুনি আমাৰ এম্‌এল আৰু মন্ত্ৰী হব লাগিব আৰু যদি দিল্লীলৈ এমপি কৰি পঠাব পাৰো তেনেহলেতো প্ৰধান মন্ত্ৰী বা তাৰো ওপৰত "। গতিকে দিন যে ভাললৈ আহিছে এই কথা মই কিন্তু চৰ্চিবলৈ বাকী নাই। আৰু মোৰ কন্যাজনী—তাই সোণৰ খনিত

তুখন ভৰি আৰু দুহাতত বস্তুৰ ভাণ্ডাৰ লৈ উপজিছে।—দেখা নাই উপজিবৰ দিনাই আমাৰ ঘৰৰ মুখহত বহি এহাল বগা ফেঁচাই উকলি দিছিল, চোনহাঁইতৰ গাইজনীয়ে আমাৰ ঘৰৰ ফালে মুখ কৰি দীঘলকৈ দীঘলকৈ হেম্বেলিয়াইছিল আৰু চিত্ৰহঁতৰ দামুৰী পোৱালীটোৱে চেকুৰ মাৰি আমাৰ বাৰান্দাতে জাপ মাৰি উঠিছিলহি।

কথাখিনি কোৱাৰ লগে লগে কন্যা-ৰত্নৰ জন্ম কণটোলৈ সঁচাকৈ মনত পৰি গল: তাই উপজিবৰ ঠিক আগে আগে হেনো ইফালে মাকৰ প্ৰসৱ বেদনা —সিফালে ঘৰৰ মাৰলীত পকাই পকাই তুলাল সাপে যোৰ বন্ধা দেখিছিল মদনৰ মাকে, জীৱনৰ মাক বোলে নিজে দেখি আহিছিল আমাৰ পাছ ফালৰ খালটোত এটা ভেকুলীয়ে এদাল খোৰাসাপক গিলিব ধৰিছে, প্ৰসৱ হবৰ ঠিক আগে আগে বোলে মাকে হঠাতে চকুৰে বিজুলীৰ দৰে বগা পোহৰ দেখিছিল আৰু এনেকি সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগে চন্দ্ৰাৰ বায়েকে সন্তানৰ গাৰ চাৰিওফালে উজ্জ্বল পোহৰৰ চকাৰ দৰে এটাই আঙুৰি পোহৰ দিয়া দেখিছিল। মই নিজেও প্ৰমাণ পাইছিলোঁ যে ছোৱালীৰ নাম-খোৱা দিনৰ ৰাতিপুৱাই চেনি, চাহ পাত আৰু বিস্কুট বিচাৰি হৰকান্ত মহাজনৰ দোকানলৈ গৈ কোৱাৰ লগে লগেই মহাজনে বস্তুখিনি মোক কালীয়নে দিছিল। মুঠতে কথাবোৰ মিছা নহয়—কন্যা যে পৰম সৌভাগিনী আৰু চোকা বুদ্ধিৰ হ'ব এই কথা বুজিবলৈ আৰু বাকী নাথাকিল।

সঁচাই নিয়ক—পূৰ্ণিমাৰ জোনটি কাৰ দৰে আমাৰ লুভ আইটি বাঢ়ি আহিল। তাইৰ ৰূপ, তাইৰ হাঁহি, তাইৰ মুকলি-মুৰীয়া গীত যেন বগা খোকাথুকি মাত আৰু অঙ্গি-ভঙ্গি দেখি কাৰোবাৰ মুখ লাগে বুলি কিন্তু বহুজনে সঁকিয়াই দিছে। ধনজয় খুৰাৰ খুৰীয়েকো কৈয়েই পেলালে, "এনেকুৱা ছোৱালী বাচিবলৈ ওপজা নাই দেই। চাবি, কিন্তু যাকে-তাকে চাবলৈ নিদিবি, কদমতলিৰ থানৰ আইৰ পৰা জেঠা নমনা কিনি জাপ আনি মাদলি আনি তাইৰ গাত বান্ধি দে। হাজাৰ হওক—দাঁৰা-ছোৱালীৰ গাত

এনেয়ে বান্ধ থাকিব লাগে, তাতে তাইৰ নিচিনা ছোৱালীক এনেদৰে উদং কৰি ৰখা ঠিক হোৱা নাই।"

হয়েই—অকল ধনঞ্জয় খুড়াৰ খুড়ীয়েই নহয়—আমিও অনুভৱ কৰি আছো। চিতলপুৰৰ কালা বেজে ৰূপৰ তাবিজত দবৰ ভৰাই ক'লা সূতাৰে মঙ্গলবাৰে আঁৰি দিবলৈ দিয়া তাবিজটোও অন্য হোৱা নাছিল, অনোৱা হ'ল। শিমলুগুৰিৰ জাতি বুঢ়ীয়ে মাছ মৰা জালৰ গুটি এটা কঁকালত আঁৰি দিবলৈ কোৱা কিমান দিন হ'ল, এতিয়াও আনি নিদিয়াত স্বাভাৱিকতে ঘৈণীৰ খং উঠিবই দিয়কচোন। হঠাতে লাগি উঠক লেঠাখন; দেও-ভূতেও যেনেকৈহে চল চাই থাকে—সোনকাল নকৰাটোহে ভুল হৈছে বুলি মনো জানো।

কিবা ভয়-ভয়খন লাগি আছিল। এদিন বাস্তুপূজাতেই ওলাই সোপাকে জোগাৰ কৰি পেলালো। ইফালে ঘৈণীয়েও মহেনৰ হতুৱাই এযোৰ ক'লা পাৰ, এটা ক'লা পঠা, ন-টা কুকুৰা কণী, জহা চাউল, আলু, দাইল, সেন্দুৰ, ধূপ, এখন ক'লা কাপোৰ আৰু তিনিখন গামোচা, এখন কটাৰী ইত্যাদি মঙ্গল পূজাত লগা সামগ্ৰীও যোগাৰ কৰি থৈছিল।

আবেলিৰ বেলিটোৱে মস্তা চকাৰ ৰথত বহাৰ আগে আগে সুতুজি বেজিনীৰ পুতেক জগত বেজে আহি আসন পাতিলে। দিনটো লঘোণে থাকি আমাৰ গৃহিণীয়ে কলপাতত বহি লুজ আইটিক কোলাত লৈ বৰণ কৰি দিলে। তাৰ পিছত "...সন্ধ্যা নামে চামুণ্ডা গোসানী তুষ্ট হৈবা, খণ্ড-মণ্ড-লণ্ড নামে যত ভূতক খেদিবা, কামৰূপৰ কামাখ্যা ধণ্বন্তৰী আই, বেহুঁ বান্ধি বাধিবাহা এহি মাত্ৰ ঠাই ......" বুলি নানা তন্ত্ৰ-মন্ত্ৰ কৰি প্ৰথমে কন্যাৰ মাকৰ কঁপালত এটা সেন্দুৰৰ তাঙৰ ফোঁট আৰু খোপাত শুভ্ৰ ফুল গুজি দি পিছত কন্যাৰ গাই-মূৰে সেন্দুৰ ছটিয়াই তাবিজ আৰু নানাবিধ জাপ কন্যাৰ ডিঙি, কঁকাল আৰু বাহুত বান্ধি দিলে। তেহে যেনিবা ছোৱালী ছোৱালী হৈ আছে। কাৰোবাৰ বেঙা চকু আৰু বেয়া মুখৰ কাৰণে কলৰ ঠোক, হালৰ কোমোৰা, লহৰ জলকীয়া ধৰি পকাৰ দৰে যেন জুৰুমণিৰো জেনে হবলৈ নাপাব তাৰ কাৰণে জগত বেজে কিন্তু নড়াই নড়াই কৈ গৈছিল, "যেই সেই মানুহৰ আগত ছোৱালী নুলিয়াবা নেই, এবাৰ মুখ লাগিলে ভঙা টান।"

চৈধ্য বছৰৰ পিছত

ভাওৰীয়াসকল,

নগদ চৈধ্যটা বছৰ আপোনাসৱৰ লগত দেখাদেখি হোৱা নাই। আপোনা-সৱে কিজানি ভাবিয়েই পেলাইছিল—স্বয়ং শ্ৰীৰামচন্দ্ৰই সীতাক লৈ চৈধ্য বছৰ বনবাস খটাদি এই দীৰ্ঘনাসা নগৰীয়াজনো কিজানি পৰমা সুন্দৰী সতী শ্ৰীমতী দীৰ্ঘনাসা নগৰীয়াজনীক লগত লৈ কৰবাত মনে-মনে দুখেৰে অনাই বনাই ফুৰিছে। চৈধ্যটা বছৰ কম সময় নহয় নিশ্চয়! নগদ চৈধ্যটা বছৰ—দূৰদৰ্শনৰ ৰামায়ণখন ছ মাহতে শেষ কৰি দিয়া সময়খিনিৰ দৰে হোৱা হ'লে বহুতে ভাবিয়েই পেলালেহেঁতেন (ভাবিছাই কিয়, ভগৱানক প্ৰাৰ্থনাই জনালেহেঁতেন, "হে প্ৰভু, আমাৰ দীৰ্ঘনাসা নামৰ ৰামচন্দ্ৰজনৰ বনবাসৰ সময়ছোৱাক টেলিভিচনৰ 'ৰামায়ণ'ত শেষ হোৱা ছ-মহীয়া সময়কে চৈধ্যটা বছৰ কৰি শেষনো নহয় কিয়? চৈধ্য যে চৈধ্যই হব লাগিব তাৰ মানে কি? শ্ৰীৰামচন্দ্ৰই অকাল বোধন কৰি শ্ৰীমতী দুৰ্গা গোসানীক পূজিছে যুদ্ধ-যাত্ৰা কৰাৰ দৰে এইজন দীৰ্ঘনাসাই ঠিক এইবাৰৰ দুৰ্গাপূজা আৰু দেৱালীৰ বতৰ শেষ কৰিয়েই আপোনাসৱৰ সন্মুখত পুনৰ আৱিৰ্ভাৱ হোৱা দেখি আপোনাসৱে আমাকো শ্ৰীৰামচন্দ্ৰৰ শাৰীত তুলিবলৈও বিচাৰিব পাৰে। এই সম্পৰ্কে আমাৰ বক্তব্য আৰু মন্তব্য আমাৰ শ্ৰীমতীক মোকলোৱাকৈ এৰিয়াই দিব পৰা টান হব।

হয় নিশ্চয়—চৈধ্যটা বছৰ কম নহয়। এই চৈধ্যটা বছৰৰ আগতে উপজিছিল আমাৰ কন্যাৰত্ন—যাৰ জন্মৰ সবিশেষ বৰ্ণনা আদি আপোনা-সৱৰ ওচৰত তেতিয়াই দাঙি ধৰিছিলোঁ। কন্যাৰত্ন উপজাৰ পিছতে আমাৰ ভাগ্যোদয় কেনেকৈ হৈছিল সেই কথাও আপোনালোকৰ আগত

ৰেকৰ্ড কৰিছেঁৱেই।

পাঠকসকল, কন্যাৰত্নৰ জন্মৰ পিছত তাইৰ নাম সম্পৰ্কীয় কথাখিনি চৈধ্য বছৰে আপোনালোকক জনাবৰ সুযোগ পোৱা নাছিলো। সেইখিনি জনাবৰ আৱশ্যক আছে বুলিও এতদিনে ভবা নাছিলো; কিয়নো ইতিমধ্যে তাই বাহিৰৰ আগত 'লুজ' নামেৰে পৰিচিত হৈছেই। কিন্তু এতিয়া দৈৱজ্ঞৰ গণনা যে কিমান নিখুঁত আৰু এনেহেন নিখুঁত গণনাৰ দৈৱজ্ঞৰ ওচৰত যে আমি অসমীয়া সকলেও আমাৰ ভাগ্যবোৰ পৰীক্ষা কৰাবৰ সময় হৈছে সেই কথা জনাবৰ বাবেহে এই কথা উল্লেখ কৰিছো। আমি আমাৰ লুজ আইদেওৰ ক্ষেত্ৰত সেই গণনা এতিয়ালৈকে কিদৰে ক্ষণে ক্ষণে মিলি আহিছে চাওক।

মানুহ হিচাপে সকলোৱে ভাবে যে নিজৰ সন্তান জাকত জিলিকা হওক, সকলোকে সকলো দিশতে চেৰ পেলোৱা বিধৰ হওক। এদিন কথাই কথাই গৃহিনীক সুধিলোঁ। বোলো 'এক কাম কৰিলে কেনে হয়? ছোৱালী পাঁচ বছৰত ভৰি দিলে, এখন ভাল চাই স্কুলত নাম লিখি দিওঁ। ওচৰতে আছে 'জগদেশ্বৰী প্ৰাথমিক বিদ্যালয়'খন, তাইক অনা-নিয়া কৰিবলৈও সুবিধা হব আৰু মই নাথাকিলে কেতিয়াবা অগত্যা তুমিও যাব পাৰিবা।"

গৃহিনীয়ে ক'লে, 'কি ক'লা? সেইখন স্কুলত পঢ়াই তাইৰ মুৰ খোৱা নেকি? কেনেকৈ তোমাৰ মুৰত গোবৰ সোমাল? তাই ফ্লাচৰ কংভেণ্টত পঢ়িব। জপোদা মহন্তৰ তিৰোতায়েও কৈছে—সিহঁতেও তাতে দিব। থবও নালাগে, আনিবও নালাগে; ইস্কুলৰ নিজৰ মটৰ দিয়ে। সেইখন অসমীয়া স্কুলত দি মোৰ আপীৰ মুৰ মই নাখাওঁ দেই!"

'ফ্লাচৰ কংভেণ্ট' বুলি বৈণীয়ে যে ইংৰাজী স্কুল 'ফ্লাৱাৰ্চ কনভেণ্ট' স্কুলৰ কথা কৈছে সেই কথা বুজিবলৈ বাকী নবল। তেওঁ আৰু ক'লে, "মহীনদায়ো কৈছে যে—'অসমীয়া স্কুলত দি তাইৰ ভবিষ্যৎটো নষ্ট নকৰিবা। গতিকে অসমীয়া স্কুল এখনত নাম লগাই দি তাইৰ ভবিষ্যতৰ অহিত চিন্তা কৰাটো মোৰ উচিত হোৱা নাই।

ছোৱালী সম্পৰ্কত সকলোৱে একমত যে তাইক ইংৰাজী স্কুলত দি স্মাৰ্ট হোৱাতো সহায় কৰা হব আৰু ভৱিষ্যতে দেশ-বিদেশৰ মানুহৰ লগত সম্পৰ্ক কৰিবলৈ হলে ভাষা, অংগি-ভংগি আৰু কথাৰ আদৱ-কায়দাবোৰো সৰুৰে পৰা আয়ত্ত কৰাৰ সুযোগ পাব। দীপিকাই আৰু ক'লে যে ছোৱালীৰ পঢ়া শুনাৰ খৰচৰ কথাও মই চিন্তা কৰিব নালাগে—তাইৰ সকলো খৰচ 'মহীনদা'ই 'বিয়াৰ' কৰিব বুলি ইতিমধ্যে কথা দিছেই। মহেন্দ্ৰ একেৰকম মোৰেই বন্ধু আছিল, পিছত তেওঁ আমাৰ ইমান আপোন হ'ল যে ঘৰৰ—বিশেষকৈ দীপিকাৰ চলা ফিৰা অসুখ বিসুখ ইত্যাদিৰ চোৱা-চিতা কৰা আদি সমস্ত বিষয়ত লাগি থকা মানুহজন হ'ল। সংসাৰৰ লেঠা লগাই লৈ তেওঁ তেজালবোৰ চপাই লোৱাৰ বিৰোধী এই কাৰণেই যে যিহেতু মহেন্দ্ৰই ঈশ্বৰ-চিন্তাৰ কাৰণে তেওঁৰ সমস্ত দেহাটো সঁপি দিছে, গতিকে লৰা-তিৰোতা, ধন-সম্পত্তিৰ প্ৰতিও তেওঁ অনাসক্ত। একমাত্ৰ শৰীৰ ধাৰণৰ কাৰণে খাব থাকিব লাগে কাৰণেহে সাধাৰণ কেৰাণী চাকৰি এটা কৰি মই থকা ঘৰটোৰে অন্য এটা কোঠালীত থাকে, ঈশ্বৰ চিন্তাত ব্যাঘাত হয় বুলি সময় নচাবৰ কাৰণে দীপিকাই মহেন্দ্ৰক আমাৰ ঘৰতে খোৱা-লোৱা কৰিবলৈ দিয়াত সুবিধা হৈছে। মোৰো সুবিধা এয়ে যে মই নাথাকিলেও কোনো চিন্তা নাই—মহেনে মোৰ ভাগৰ সকলো দায়িত্ব গ্ৰহণ কৰি চলাই দিয়ে এমাহ দুমাহলৈও যদি মই নাথাকো। তথাপি চিন্তা কৰিবলৈ একো নাথাকে।

গতিকে সেই উপদেশ ঠিকমতে পালন কৰা হৈছিল। আইজনী মোৰ ডাঙৰ হৈ আছে মানে আৰু ধৰম লগাজনী হৈ আছিল। মহেনে নাম লিখাই দিয়া সেই স্কুলৰ বেডিয়া স্কুলে ঠিক কৰি দিয়া 'ইউনিফৰ্ম' পিন্ধি কান্ধত টিফিনৰ বাকচ, পানীৰ ফ্লাচ্ক লৈ ওলায় তেতিয়া অন্যবোৰ ল'ৰা ছোৱালীয়ে তাইক কেনে মাৰে কিহত? লগৰবোৰে হেনো তাইক জোকায় বোলে তিনিজনী ছোৱালীয়ে বহা চিটটো তাইক অকলে লাগে দেহাৰ তৰতে লোটোপ টোপ—দৌৰাহে নালাগে খোজেই কাঢ়িব নোৱাৰা দেখি, দুগালৰ মাজত সোমাই পৰা নাকটো হেনো সিঁহতে কপালৰ তলতে নে ডিঙিৰ তলতে থবিব নোৱাৰে এজনীয়ে বোলে সদায় জোকায়

বোলে ফেঁচীজনীৰো এটা নাক আছে ইজনীৰ নাকো নাই আৰু দেহাটোও কিবা নিজখৰ বস্তা যেন, কঁকালে পেটে বুকু-ডিঙিয়ে একাকাৰ……ইত্যাদি ইত্যাদি। তাইৰ ৰূপৰ কাৰণে হিংসা। অকল লগৰ ল'ৰা-ছোৱালীবোৰকেই নহয়, সেইবোৰে অন্য মানুহবোৰকো বিৰক্ত কৰিছে। স্কুললৈ অহা-যোৱা কৰোঁতেই আলিৰ কাষত থিয় হৈ হৈ মানুহবোৰে চায় আৰু ফিচিঙা-ফিচিং কৰে। এদিন মহীকান্তৰ বৈণীয়েকে ক'লে, "এইজনী এজনী জীপহে যেনিবা... কেনে ভয় লাগে দেখিলে!" মই নিজে শুনা।

কথা শুনি মোৰ খং উঠা নাছিল, পিহঁতৰ ল'ৰা ছোৱালী তাইৰ লগত ৰূপত ফেৰ মাৰিব নোৱাৰাৰ হিংসাতে কৈছিল বুলি পতিয়ন গৈ তৃপ্তিৰ হুঁাহি মাৰিছিলো; পিছে সুৰমণিৰ মাকে মাকজনীহেনো সহে কেনেকৈ। এদিনতো দৰবা-দৰবিখনেই লাগি গল চাৰিআলিৰ চ'কত। তেওঁৰ খং মুঠিৰ কিয়? আগদিনা বোলে স্কুলৰ মিচ জনীয়েও কৈছিল বোলে 'আপোনাৰ ছোৱালীজনীয়ে ইস্কুলত নোৱাৰিব—আজি অতদিনে এ-বি-চি-ডি কেইটাকে নোৱাৰিলে, স্কুলত যি খেলা-ধূলা কৰা নিয়ম সেই-বোৰো তাই কৰিব নোৱাৰে দেহাৰ ভৰত, বহি থকা ছিটতে মুতে; কেতিয়া হাগে কব নোৱাৰে—স্কুলৰ আয়াজনীও বিৰক্ত হৈছে—ক্লাচৰ ছোৱালীবোৰে বমি কৰি নাকত কাপোৰ দি ওৰণি লগায়, গতিকে তাইক ইখন স্কুলৰ পৰা নি অইন এখন ভাল স্কুলতে নাম লিখি দিয়কগৈ······।" বৈণীয়ে দেখিলে যে অন্যৰ 'গাৰ্জেন'বোৰে এইজনীৰ সমানকৈ পিহঁতৰ-বোৰক তুলিব নোৱাৰি আক্ৰোশত মৰি শেষত স্কুলৰ মাষ্টৰণীকো লগাই-ছেগৈ। গতিকে খঙতে এদিন তেওঁ গৈ মহেনৰ হতুৱাই নামটো কটাই লৈ আহিল।

ঘৰৰ মানুহৰ কথা-বতৰা, বাহিৰৰ মানুহৰ কথা-বতৰা মই শুনি আছো; অথচ কবো বুলিও একো কৰিব নোৱাৰো। তাৰে মাজতে এদিন ক'লো, হেৰা, আজিকালি মানুহক চুৰক লগাৰ পৰাকৈ কিবা এটা কৰা দিন বুলি হবেন মাষ্টৰে ক'লে। আৰু ক'লে বোলে মানুহৰ মুখত থুই দিয়া উপায় কি জানা?

মই জোনো কি?

তেওঁ ক'লে "বোলে— হেৰি নহয়, ছোৱালীক উপলক্ষ্য কৰি কিবা এটা ডাঙৰকৈ সকাম পাতি দিয়াহে, এনেকৈ খুৱাই দিয়া যেন চৰ ঠাণ্ডা হৈ যায়। তুমি চোৱা মানুহে তোমাৰ ঘৰখন আৰু ছোৱালীৰ গুণ বখানি ভৰণি নাপাব। মই পিছে হা-না একো কোৱা নাই, বোলো গৃহিণী আছে, মহেন আছে— তেওঁলোকে কিবা কৰিলেও কৰিব পাৰে।"

কথাষাৰ কৰহে পালোঁ বৈণীয়ে যেন কিবা এটা ডাঙৰ জিনিচ হাতে পোৱা দি পালে। আনকাল কিন্তু মই কিবা ক'লে বিপৰীত হোৱাহে পাই আহিছো ; এইবাৰো কথাখিনি কওঁ-নকওঁকৈহে কৈছিলো। বৈণীয়ে যে মোৰ কথাকো কথা বুলি সমীহ কৰে এতিয়াহে বুজিলো। তেওঁ ক'লে,

"হেৰি নহয়—মাহনদায়ো কৈছে—তাইৰ 'বাৰ্থ-ডে'টোকেচোন পাতি দিব পাৰি।"

'বাৰ্থ ডে ? জন্ম দিন ? জন্মদিনলৈচোন আৰু দহমাহমান আছেই ! ক'লো, 'জন্মদিন সিদিনা—দুমাহমান আগতে হৈ যোৱা নাই জানো ?"

বৈণীয়ে, ক'লে, 'মানুহে কিনা তাইৰ জন্ম তাৰিখটোহে মুখস্থ কৰি আছেনে ? সিদিনা পাতিলো পাতিলো, তাতে কি হ'ল ?"

এৰা হয়েই ! জন্মদিন বছৰটোত এবাৰহে আৰু এটা তাৰিখতহে পাতিব লাগে বুলিতো কতো লিখি থোৱা নাই। বলীয়া চাতীকো বলায় পাৰি কাম ওলালে—ল'ৰা ছোৱালীৰ জন্মদিন পাতি। ভাল ভাল মানুহকো মতা হ'ল, প্ৰেজেণ্টেচনো আহিল আৰু লগা মানুহবোৰৰ মন কোমল কৰি……।

গৃহিণীৰ কথা আৰু পৰামৰ্শমতেই বাৰ্থ-ডেৰ আয়োজন হ'ল। এৰি অহা স্কুলৰ 'মিচ'সকলকে ধৰি চুবুৰীয়া মানুহৰ মুখ চাই চাই নিমন্ত্ৰণ কৰা হ'ল। চোতালত বেণ্ডপাটি নাজিল, ঘৰৰ ভিতৰত বহুৰঙী বিজুলী বাত্তি বহু বঙী বেলুন ওলমিল ..।

টেবিলত বাৰ্থ ডে কেক, মমবাতি, দিয়াচলাই, এচেক, ফুলৰ টোপা সজোৱা হ'ল। চকী-মেজ পাৰি চোতাল সজোৱা হ'ল। প্ৰেজেণ্টেচনবো সজাই ৰাখিবলৈ বাহিৰতে টেবিল এখনো সুজাই ৰখা হ'ল। কিন্তু কি কথা ! মুঠি. অহা মানুহচোন্ বাহ ! স্কুলৰ মাষ্টৰনীসকল (মিচ্ বাইজনী

সকল), যিসকল ঘৰৰ ওচৰৰ পুৰুষ-মহিলাই চকু থিৰ কৰি বাটলৈ ওলাই থাকে সিহঁতক চমক খুৱাবৰ বাবে আৰু লগতে তাইৰ দুই-চাৰিজনী তেতিয়াৰ সহপাঠিনীকো মতা হৈছিল সেইবোৰৰ তেওঁলোকচোন কোনো নাই! আহি পদূলি মুখত থিয় হৈ জুম পাতি সোমাবৰ সুযোগ বিচাৰি থকা সেইসকল 'বে-ইজ্জতৰ জাক'হে থিয় হৈ আছে।

এঘণ্টা চালো—দুঘণ্টা চালো—তিনিঘণ্টা চালো, তেওঁলোকৰ কোনো নাই। অৱশেষত খুৱাবৰ কাৰণে যোগাৰ কৰা বস্তুবোৰ এনেয়ে পেলনি যায় বুলি পদূলি মুখত থিয় হৈ থকাবোৰকে মাতি আনো বুলি ওলাওঁ যে সেইবোৰো ইতিমধ্যে গুচি গৈছে। ঘৈণীয়ে মন্তব্য কৰি ক'লে, "আজিৰ এই বাৰ্থ-ডে ইষ্টপ কৰিবলৈ ইষ্টুপিডবোৰে কেনভাচ কৰি ফুৰিছে, পুৰাণক বাত্তিটো— মহো ধনেশ্বৰ পিয়াদাৰ জীয়েক, দেখুৱাই দিম আচল মেজাজটো। ভিখীৰ হেৰি খোৱা—ছাঃ ওলান মুখেদি কিনা বেয়া কথাবোৰ। হেৰা, এটা কাম কৰা ... ।"

"কি ?"

"কি মানে ? বুজি নোপোৱা নেকি ? তোমাৰ নিচিনা অৰ্থলেচ মানুহৰ কাৰণেই এনে খিত্‌কাৰীবোৰ হব লাগিছে..... গহীনদা কত—মহীনদা !"

মহীন আহিল। ক'লে, "মনে মনে থাকা বাত্তিটো। বাত্তিপুৱাতে সিহঁতক ভগৱন্ত দেখুৱাম—চালা কুকুৰৰ পোৱালীহঁতক, মাকৰ ... (অশ্লীল) হঁতে কি কৰিব, এই (অশ্লীল শব্দ) ভালেও সিহঁতক খাতিৰ নকৰে ... ।"

স্কুল-কলেজৰ শিক্ষাইহে শিকানে কিবা! ভালকৈ শিকিব পাৰিলে সকলো বিদ্যা ভবঙ্কৰ। পৃথিৱীতনো কিমানজন ডাঙৰ মানুহে 'ইস্কুল কলেজ পাছ কৰি, নাম কৰিছে ?

ন-বছৰত ভৰি দিয়াত শ্ৰীমতীয়ে ক'লে, "হেৰি নহয়, তাইক মিউজিক শিকাওঁ দিয়া—কেনে দেখা ?"

ইতিমধ্যে মহেন্দ্ৰ আমাৰ লগ এৰা দিছিল। 'ভগৱান চিন্তা' কৰি কৰি তেওঁ আমাৰ ঘৰৰ কাষতে ধৰ্মেশ্বৰীৰ জীয়েকৰ লগত গন্ধৰ্ব বিবাহ পাতি এতিয়া শাহুৱেকৰ গৃহতে আছে। ইমান নিজৰ মানুহজনে এনে

কাণ্ড কৰিব কিয়, আমাৰ শ্ৰীমতীয়েও নজনাকৈ এইবোৰ ঘটিব কিয়. ইত্যাদি কথাই মোতকৈ শ্ৰীমতীক আঘাট দিছিল বেছি ; অৱশ্যে এদিন মহেনে ঃ "চালা! বেশ্যিৰ বাচ্চা, মোৰ ঘৰৰ চুৰাপাতে আমুৰালে, নতুন হেৰি দেখি জিভাৰ পানী নোৰোৰা হ'ল নহয় .....ধা ধা চালা,...হেৰি মালভোগ কলৰ ফুচুলনিও বান্দৰ ফাঁচখালি .... আহিবি আৰু ইফালে ....." বুলি ঘৰৰ ভিতৰতে নিয়মৰত আক্ষেপ, খং, ৰোষ অপ্ৰকাশে ৰাখি পাৰি পাৰিলে যদিও তাতেই কিন্তু শেষ কৰিলে। মনতত্তো একোবাৰ বেয়া লাগিবই দিয়কচোন, ইমান দিন একেলগে থাকিলে, একেলগে একে চকাতে খালে, লাগ বুলিলে ইটো-সিটো বস্তুতো খৰচ, ফুৰা-চকা ইত্যাদি ইত্যাদিত কমখন সহায় কৰা নাছিল । সি যোৱাত মোতকৈ তেওঁৰহে বেছি দুখ লগা স্বাভাৱিক নহয় জানো ! মুঠতে মহেনে যাবৰ দিন ধৰি আৰু ইমুৱা হোৱা নাই । ভালেই হৈছে দিয়ক—তাই বেচেৰী ধৰ্মৰ্ষবীয়েও অকলে গাভৰু জীয়েকজনীক লৈনো আৰু কিমান দিন থাকিব? আৰু জীয়েকজনীৰোতো এটা ভৱিষ্যত বোলা কথা আছে ! তাইক লৈয়ে গাওঁৰ মানুহৰ ঘিহে ঘটনা-কটনা, ৰজনা-জনা, বোৱাৰী-জীয়াৰীৰ মুখৰোচক কাহিনী আৰু "গাওঁৰ ডেকা ল'ৰা সোপাকে নষ্ট কৰিলে' বুলি বোজাল-মোজাল ইত্যাদি - অন্ততঃ এইবোৰৰতো এটা ফয়চলা হৈ প'ল !

পিছিকে মহেনৰ ঠাইত ভাৰ কোঠালীলৈ এইবাৰ অহা হৈছিল চন্দ্ৰেশ্বৰক । এওঁক মানুহে 'ভাদোবাম' বুলি মাতিছিল । ভাদ মাহত উপজিছিল কাৰণেই বোলে ভাদোবাম হ'ল । হয় দিয়ক—মানুহৰ নাম লৈ কি কথা, গুণহে আচল ! ভাদোবামৰ কিন্তু এটা ডাঙৰ গুণ দেখিলো যে তেওঁ চাকৰি-বাকৰি কৰাত নাই—'বিজিনেচ'ৰ প্ৰাইভেট ব্যৱসায় কৰে । ময়ো এনে একন ডেকা ল'ৰাই ব্যৱসায়ত সোমোৱা কথাত বৰ আনন্দ পাইছিলো । হওক তেওঁ অসমীয়া ল'ৰাই ব্যৱসায়ত নামিছে—নিজৰো উন্নতি, গাওঁভূঁইৰো উন্নতি আৰু অসমৰো উন্নতি । বিদেশী খেদা আন্দোলনতো বোলে চন্দ্ৰেশ্বৰ—ওৰফে ভাদোবাম আছিল এক প্ৰকাৰ নেতা যেনেই । তাৰ পিছত একিজা ব্যৱসায়ত নামিছে—কাৰ ভাল নাজানিব হেৰি ! 'বিজিনেছ'ৰ ব্যৱসায় মানে কিহৰ ব্যৱসায় সেই

কথাৰ মস্যো কিন্তু ভু নাপাও"। এনেয়ে দেখাত ঢলা-বকা ধৰণৰ একো। নেদেখি এদিন বৈণীকে সুধি পেলালো -হয়নে এও"যে বিজিনেচটো কৰে—কিহৰ ব্যৱসায় ?"

বৈণীয়ে এটা বজু নিক্ষেপ কৰাদি ক'লে, "তোমাক কিয় ? বেচেৰাই বেপাৰ কৰে বুলি কৈছেই -তুমি নুবুজা যদি থাকক। বিজিনেচৰ বেপাৰখন তাৰ মটৰ চাইকেলখনত তুলি ঘৰে ঘৰে মাছ বেচি ফুৰা ধৰণৰ বুলি ভাবিছা নেকি ?"

হয়েতো তেওঁ কোনবিধ বিজিনেচ'ৰ বেপাৰ কৰে মোক কেনেই ? দেখিছো—ঘৰলৈ ধন আহিছে—মোৰ খৰচৰ নাম নাই, নিজে থকা কোঠালীটো ইতিমধ্যে নতুনকৈ মেৰামতি কৰি আহল বহল আৰু ধুনীয়াকৈ সজাই লৈছে। (বেচেৰাই নিজৰ খৰচতে আমাৰখিনিও কৰি দিয়াৰ কথা। মোৰ সময়ৰ অভাৱ -শ্ৰীমতীকো ড কু ৰ সন্ধিয়াৰ মুকলি বতাহ লগাব লাগে বুলি এবাৰ পৰামৰ্শ দিছিল, গতিকে খোজকাঢ়ি কষ্ট পোৱাতকৈ ভাদো-ৰাময় মটৰ চাইকেলতে নিয়া কৰিলে, তাত মই আপত্তি কৰিব লগা কি থাকিব পাৰে ? লোকে মুখ খজুৱাই হেনো কয়, আমাৰ ঠাইখন এতিয়াহে জাগ্ৰত জাগ্ৰত লাগিছে, দেৱেচ পেন্টিং কৰি কেইজনীয়ে এনেকৈ ফুৰিব পাৰিছ অ' " ইত্যাদি ইত্যাদি। কওক দিয়ক কোনে কেয়াৰ কৰে ? ভালোবাম অহাৰ পৰা আৰু এটা ডাঙৰ লাভ হ'ল—আমাৰ ঘৰখনৰ ষ্টেণ্ডাৰ্ড। বিজিনেচ'ৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীসকল, আৰু কিছুমান নেতা ধৰণৰ মানুহ আহি আমাৰ পদূলিমুখত গাড়ী মটৰেৰে জাক-জমক কৰি ৰাখে, দুই এক বিজিনেছ'ৰ ব্যৱসায়ী হেনো কলিকতা বোম্বাইৰ পৰাও আহি যায়। কোনো হাই নাই : মনে মনে আহে, মনে মনে যায়। এইবোৰৰ লগত পৰিচয় হৈ ঘৰৰ ষ্টেণ্ডাৰ্ড ওপৰ কৰিবলৈ কোনে আগ্ৰহ নকৰিব হেৰি! ভাবে কোনোবাজন বিজিনেচ'ৰ বেপাৰীয়ে আমাৰ জুজমণিক দেখি মাকক বোলে কৈয়েই পেলালে—"ছোৱালী কিন্তু সংস্কৃতিৰ পূজাৰী হ'ব লাগে দেই! দেখাতে বুজিছো। গান গায় হবলা ?" বৈণীয়েও বোলে উত্তৰ দি ক'লে, "এঃ তাই লাজতে মৰে! গান গোৱা নচা ছোৱালীৰ আকৌ কিহৰ লাজ! ইস্কুলতো তাই নাচ গানত ফাচ হয়—যেতেনো পায় .

এইবোৰ কথা কৈ উঠাৰ পিছতো যদি ছোৱালীয়ে নাচ-গান নাজানে বেয়া কথা নহবনে? গতিকে ঠিক কৰা হ'ল—তাইক নাচ আৰু গান একেলগে শিকোৱা হ'ব। 'ইস্কুলৰ বিদ্যা' কেলেই—সেইবোৰ শিকি আজিকালি ল'ৰা-ছোৱালীবোৰ অধোগতি গৈছে নাচ-গানহে আচল বস্তু।

ভাদোবামে ইতিমধ্যে কাচাৰত এফিদেবিত দি 'চন্দ্ৰেশ্বৰ' নাম সলনি কৰি 'চন্দ্ৰজ্যোতি বাজখোৱা' হৈছে। তেওঁ এতিয়া 'চন্দ্ৰ চন্দ্ৰজ্যোতি' বুলিহে জনা-জাত হব লাগিছে।

চন্দ্ৰজ্যোতিক সোধাত তেওঁ ক'লে যে আজিকালিৰ যুগটো ক্লাচিকেল গীত, ক্লচিকেল নাচৰ যুগ। গতিকে এজন শিকোৱা মাষ্টৰ ধৰি দিয়া ভাল। আমাৰ ওচৰতে বিহুৱে-পূজাই সাংস্কৃতিক দলৰ লগত কাম কৰা মণিকান্তক সোধাত তেওঁ ক'লে, "লাগিলে দিনে মাত্ৰ তিনি ঘণ্টামানহে মই ক্লাচিকেল শিকাব পাৰিম।"

চন্দ্ৰায়ে ক'লে যে সদাহতে প্ৰাথমিক ষ্টেজত এওঁৰ হতুৱাই ক্লাচিকেল আৰম্ভ কৰা বেয়া নহব (খৰচ পাতি যি হয় হব বাৰু।) কথাখিনি মণিকান্তকো হ'ব বুলি কবহে পালো তেওঁ ফিৰকা দিনাই এটা খিহুতোল, এযোৰ তাল লৈ মূৰত গামোচা আৰু হাতত বঙা কমাল বান্ধি হাজিৰ হলেই। ক'লে যে কাচিকেল হিচাপে বিহু নৃত্য আৰু বিহুগীতহে তেওঁ প্ৰথমতে শিকাব। ঢোল তেওঁ নিজে বজাব। তাল বজাবলৈ এজনক আনিব খুজিছিল, পিছে আমাৰ শ্ৰীমতীয়ে ক'লে বোলে তাল বজাবলৈ আৰু আইন ল'ৰা এতিয়া আনিব নালাগে; তেৱেঁই পাৰে, বিহুনাচো তেওঁ বিহুগীত নচা দেখিছে--কিনো এটা টান কাম" গতিকে সেই ক্ষেত্ৰত লাগিলে মাজে মাজে তেওঁৱো সহায় কৰি দিব পাৰিব। ক্লাচিকেল গীত আৰু নাচ হিচাপে বিহুগীত আৰু বিহুনাচ ঠিকমতে আয়ত্ত কৰিব পাৰিলে আৰু একো নালাগে। ভাৰত নাট্যম, কথাকলি, ওজিটী আদি শিকাটোনো কেইদিনৰ কাম! —মণিকান্তই সাহস দি ক'লে; আৰু ক'লে যে যিহেতু বাইদেওৰো এই বিষয়ত হাত আছেই গতিকে মোৰ কাম আৰু সহজ হ'ব।"

যথাসময়ত নত্য-গীত শিকাব যাত্ৰা কৰা হ'ল। মণিকান্তই ঢোলত এটা চাপৰ দিলে। লুজজাইটিয়ে খোপাত কপৌ ফুলৰ নিচিনাকৈ বগা কাগজৰ

ফুল মেৰিয়াই হাতত গাম-খাৰুৰ নিচিনাকৈ দাঠ পিচবোৰ্ড কাটি তাত সোণালী কাগজ লগাই দুহাতত পিন্ধি ল'লে, ঢোলবিৰি আৰু জোন-বিৰিৰ নিচিনাকৈ পিচবোৰ্ডৰে কাটি তাত সোণালী কাগজ লগাই বঙা সূতাৰে আঁৰি ল'লে ডিঙিত। মুগাৰ মেখেলা-চাদৰ ইতিমধ্যে অনোৱা হৈছিলেই. তাকো পিন্ধি ল'লে আৰু হাতৰ তলুৱাত জেতুকা সানি বঙা কৰিলে ইত্যাদি ইত্যাদি। মুঠতে মোৰ আইজনী সাইলাখ এজনী 'বিহু কুঁৱৰী' যেন লগা হ'ল। মাকে-জীয়েকে ঘৰৰ ভিতৰতে পতা শৰাইৰ আগত ধূপ-বন্তি জ্বলাই পুৰুমুৰাকৈ সেৱা কৰাৰ লগে লগেই মণিকান্তই ঢোলত চাপৰ দিয়েই 'ও—ৰাম বোলা, ও—হৰি বোলা, বুলি হৰিধ্বনি দিলে আৰু ঢোলৰ চেৱে চেৱে নিজে নাচি নাচি গাবলৈ ধৰিলে :—

"গন্ধৰ্ব কুমাৰক শতকোটি প্ৰণাম
বিহুনাম এফাকি গাই
বিজুলি সঞ্চাৰে পৰক পদ ৰেণু
গৃহস্থৰ ঘৰলৈ চাই— হে
ৰাম বোলা হৰি বোলা ঐ ৰাম
আইজনীৰ মুখলই চাই"

সেৱা কৰি উঠি মাকে-জীয়েকে মণিকান্তৰ কান্ধত ওলমি থকা ঢোলটো চুই সেৱা কৰিলে। মাকে ক'লে, "এওঁ হ'ল তোৰ গুৰুজন আই, গন্ধৰ্ব-বিদ্যাৰ গুৰুৰ মাফিক ডাঙৰ গুৰু নাই। গুৰুক যিমানে চৰ্চিবি বিদ্যাকো সেইমতে জলদি চৰ্জিব পাৰিবি। গতিকে পাৰ চুই চেলুট কৰ।"

মণিকান্তই বোলে—"হা—হা কি কৰা—কি কৰা ? গুৰুক মনেদিহে ভক্তিভাবে গ্ৰহণ কৰিব লাগে। গুৰু পিতৃৰ সমান।"

তাৰ পিছত ঢোলত আৰু এটা চাপৰ মাৰি মুখেৰেও গালে :

"পিতৃৰ সমান গুৰু জানিবা নিশ্চয়
জানি লোৱা কাচনমতী এহি সমুদায়
কিঞ্চক ভকতি যেন ভকতে কৰয়
ও—সেহিমতে ভকতি কৰিবা মোৰ আই হে...... ।"

* * * *

পোন্ধৰ দিনমানৰ ভিতৰতে গুঞ্জমণিয়ে বহুখিনি শিকা হ'ল। যেনে—"বিজুৰে বিৰিণা পাতে ঐ লাহৰী"—বুলি মণিকান্তই গালেই তাই সেঁথন ভৰিৰে মাটিত লঠঙ লঠঙকৈ তাল ধৰি হাত চাপৰি মাৰিব পৰা হ'ল, মাজে মাজে হাতৰ চাপৰি আৰু ভৰিৰ তাল কেতিয়াবা একেলগে নপৰিলেও কিন্তু মণিকান্তই গীতৰ আৰু ঢোলৰ চাবেৰে ঠিক কৰি দিয়ে, মাজে মাজে পাক এটা মাৰি মাকেও এবাৰ দেখুৱাই যায়—"এনেকৈ হাতখন ওপৰলৈ তুলি দিবি আৰু এইটো মাক্ষিক ঘূৰি দিবি—।" তাইও তেনেকৈ যেন নকৰা নহয়, কিন্তু কি কৰিব বেচেৰীয়ে—নোৱাৰি পৰিব বুলি অন্ততঃ লাহে লাহে হলেও পাকটো সম্পূৰ্ণ কৰে। এদিন কোনোবা ছোৱালীয়ে ঘৰৰ জলঙাৰে জুমি জুমি চাই থাকি শেষত কো'লে এইবুলি কৈ দৌৰ মাৰিলে, "আমাৰ মৰণাৰ মেউৰীটোৱেও অলপ বেগেৰে ঘূৰে—এইজনী লেধেৰী লথপথপ . ।"

"কোন অ সেইজনী" বুলি ধমাহকৈ দুৱাৰখন খুলি খেদা দিছিল শ্ৰীমতীয়ে। তাইৰ ভাগ্য ভাল—আগতেই দৌৰি সাৰিলে। পাছুলিলৈ খেদি গৈ শ্ৰীমতীয়ে ক'লে, "ইষ্ট পিতৰ জাত, খাব নোপোৱাৰ জাত, ভাল সাৰিলি যা আজি: চামনোত লগ পোৱা হলে দেখিলিহেঁতেন অয়ুকীক—মযাকে জিন্দা নাবাখিলোহেঁতেন। চালা কচুখাইতী নন্‌চেন্সৰ জাত ।"

ঘটনাৰ বিষয়ে মই আগতে জন নাছিলো—আছিলো ঘৰৰ পাছফালে কিবা কৰি। উঠি আহি কিনো হৈছে বুলি সুধিবহে পালো ধৈণীয়ে এক প্ৰকাৰ উভতি খেদা মাৰি অহাৰ নিচিনাকৈ আহি ক'লে, "তুমি মনে মনে থাকা—মনে মনে থাকা। ছোৱালীজনী বিয়াল্লৈ কৰি আছে, বাপেকটো হৈ ঘৰৰ পাছফালে চুবুৰ হৈ বহি থাকাগৈ। সংসাৰৰ বাপেকসকলে জীয়েক-বোৱক টেচ্ কিন্তু তুমি নি নাচ-গান শিকায়। আমাৰতো সেইবোৰতো নাগুই ছোৱালীজনীক ঘৰতে গানৰ টিপচন দিলো—বাহিৰা মানুহে হিংসাতে জ্বলি পুৰি মৰিব লাগিছে ··· তুমি কি কৰিছা—কি কৰিছা ···· এনে জিভেনী মোক লগালে ঐ, জলদি জলদি মোক মাৰি নিয়া ঐ প্ৰভু··" বুলি চোতালত বহি বহি থাকুৰিবলৈ ধৰিলে। ময়ো বোলো কথাটোতো মিছা নহয়—তেওঁতো ঠিক পয়েণ্টটোতে কথাখিনি কৈছে।

উঠি গল কিবা কাই ৰাখিছোনে—গলো ওলাই হাতত দাখন লৈ পচুলি মুখলৈ। খঙৰ চমকত "চালা চুৰৰকা বাচ্চা, নটীৰ বেটীহঁত—কিয় পলালি ......" বুলি দিলো বাপ্‌পেক মাটিতে থপিয়াই। মোৰ গোঙৰণিত ভয় খায়েই হবলা সিফালৰ পৰা ওলাই আহিল শ্ৰীকান্ত খুৰাৰ খুৰী। ক'লে বোলে—'হেৰ দীৰ্ঘনাসা, এইখন ঠাইত ভদ্ৰ মানুহবোৰ থাকে, তইঁতে এনেকুৱা খন কৰি নাথাকিবি।"

কথা শুনি ধৈৰ্ণী উঠি গৈ হল আৰু ক'লে, 'খুৰী কি কলা? এইখনত ভদ্ৰলোকবোৰ থাকে—আৰু তাৰ মানে আমি আন্‌জেনটেল কি ভদ্ৰ-অভদ্ৰ কোৱাহে? জানে নহয় তোমাৰ নিজৰে কেৰেক্টাৰৰ কথা। মঙ্গলবৰীয়া হাটৰ পৰা শ্ৰীকান্তখুৰাই তোমালৈ চুলিৰ ক্লিপ, বডী ফিটা, উস্নোক-পাউদাৰৰ বটল, লিপষ্টিক কিনি আনিকে'ন তোমাক চুপ-চাপ দিয়া নাছিলনে, তুমিয়ো মনে মনে ধৰৰ পৰা ওলাই হাতত হেন্‌চেক কৰি কৰি লৈ চেনিয়া চোৱা নাছিলানে? তেতিয়া তোমাৰ ভদ্ৰামী ক'লৈ গৈছিল? এতিয়া চাৰিটা বাচ্চাৰ মাক হলা—তুমি আমাক জেন্‌টেলৰ কথা কবলৈ নাহিবা।"

কথাখিনি তাতে শেষ হব বুলি ভাবিছিলো। খুৰীয়েও মনে মনে ঘৰ সোমালগৈ। পিছে এইবাৰ বাটৰ মুখলৈ খেদি আহিল নহয় ধনেশ্বৰী বুঢ়ী। লগত আৰু তিনি-চাৰিজনী। আহিয়েই আমাৰ পচুলি মুখত থিয় হৈ কবলৈ ধৰিলে, "হেৰ লুজৰ মাক, থাক যদি মনে মনে থাক। এইখন কাউৰীৰ বাহ নহয় যে দিনে-ৰাতিয়ে হাল্লা কৰি অশান্তি দি থাকিবি। ল'ৰা-ছোৱালী আমাৰো আছে ......।" কোনোবা এজনীয়ে কৈ উঠিল, "সংসাৰৰ দণ্ডুৰ-ভতৰাবোৰৰ আড্ডা পাতিছহি ইয়াত ...। নিলাজী কৰবাৰ ......।"

এনে কথা শুনি কাৰ ধৈৰ্ণীয়েকে ভালকৈ সব পাৰে—হয়নে? এওঁৰোনো ধৈৰ্য্য থাকে কেনেকৈ! তেওঁয়ো আগবাঢ়ি আহি ক'লে, "কোনোনো ছিনলী চাওঁ—মুখ লুকাই লুকাই কথা কোৱাজনী—আহ—নাহ কিয়, চাবলোলৈ আহ—চাহচ আছে যদি। আমি কাৰ খাইছো যে কথা শুনি থাকিম? জেন্টেলমেন মানুহ দেখিছনে কেতিয়াবা—ঐ বকতথাইতীৰ জীয়েক—এঁখন

নেদেখুৱাৰ কিয়, তাগদ আছে যদি চামনোলৈ আহ।" তাৰ পিছত মোলৈ চাই ক'লে, "হেৰা খাৰা হৈ চুবুৰ কৰি কি চাই আছা ? নাহা কিয়, কি তিৰীৰ মাফিক চাই থাকা····· ?"

ঘৈণীৰ ধমক পায়েই হৰপায়, আটাইকিজনী সুৰ-সুৰকৈ গুচি যাবলৈ ধৰিলে।

মুঠতে আমাৰ কন্যাৰত্নই ওচৰ-চুবুৰীয়াৰ কাৰণেই কোনো কথা শিকিব মেলিব নোৱাৰা হৈছে। এদিন তাইৰ গানৰ মাষ্টৰেতো কৈয়েই পেলালে, "বাইদেউ, আজি দুমাহ হ'ল, তাই এই জানো জানো হয়—এই নোৱাৰা হৈ যায়। ছোৱালী মানুহ, ওচৰ চুবুৰীয়াৰ পৰা এনকাৰেজ পালেহে পাৰে। কেইদিনমান শিকাটো ইষ্টপ কৰি দিলে কেনে হয়—সকলো ঠাণ্ডা হৈ যাব, তাৰ পিছত ভালকৈ ফ্ৰেচ হৈ আৰম্ভ কৰিলেহে পুনৰ ভাল হয় যেন পাওঁ।"

ঘৈনীয়েও ক'লে, "অৱশ্যে তুমি ৰাইট কথাকে কৈছা। বয়স কম কাৰণে গাত বলো হোৱা নাই, হাজাৰ হলেও নাচৰ পাক দিবলৈ গাত তাগদ থাকিব লাগে। তাই খানা-পিনাও ইণ্টাৰেচ দি খালেহে! ইফালে ঠাণ্ডা লাগিয়েই হৰলা ছোৱালীৰো বহুদিন ধৰি হাঁচি, কাঁহ, ভিতিৰ খিয় হৈ দেহাটো ভাগি পৰিছে। তাইৰ অৱস্থা চাইকেনে অলপ দিন এৰেষ্ট দিব লাগে। দেহাৰ মাফিক আৰ ভাঙৰ জিনিচ কিছুই নাই।"

গানৰ মাষ্টৰে ক'লে, "আচলতে কি জানে বাইদেউ। বিহুৰ নিচিনা ক্লাচিকেল নাচ-গান শিকিবলৈ টান। গতিকে বয়স যিমানে হয় সিমানে ফাইন ···· ·· হয়।"

বহু কথা ভাবি-গুণি কিছুদিনৰ কাৰণে তেওঁ মিউজিক শিক্ষা 'ইষ্টপ' কৰালে। অৱশ্যে পিছলৈ আমিও একেবাৰে এৰি দিছো বুলি নাভাবিব। পিছে আজি ইটো কালি সিটো—নানানটা লেঠাৰ কাৰণেহে তাইৰ নাচ-গানৰ কথাটো পাছ পৰি আছে।

ইয়াৰ পিছত কি হ'ল এই কথা জানিবলৈ আপোনালোকে অৰ্থাৎ আমাৰ পৰিয়ালটোৰ শুভাকাঙ্ক্ষীসকলে যে বৰ আগ্ৰহ কৰি থাকিব এই কথা মই জানো। পিছে এটা কথা হ'ল—এইযে দুৰ্গাপূজাৰ পিছতে দেৱালী

আৰু কালীপূজাটো আহি পৰিল—তাতেই অলপ লেঠা লাগিল যেন পাইছো। আচল কথা কি জানে? দেৱালীৰ বতৰত এটোপ খাই দুইখেলা জাপি-মুখি নচলালে বছৰটো কিবা এনেয়ে যোৱা যেন লাগে। 'জুৱা খেলা নিষেধ' বুলি চৰকাৰেও যাতৰি কাকতত সঁকিয়াই দিছে যদিও আমি বছৰী খেলা লোকেনো কেনেকৈ মন চম্ভালো? শিৱৰাত্ৰিৰ দিনা দুঘোট ঘুটা আৰু চিলিমত দুটান মাৰি নোলোৱাকৈ জানো আপুনি থাকিব পাৰে? তেনেদৰে বছৰৰ দেৱালীত দুখেল নচলালে কাৰ ভাল লাগে হেৰি? আৰু এইবাৰ 'গবৰ্মেণ্টে মানা কৰিছে' বুলি আমাৰ শ্ৰীমতীয়ে কৰবাত শুনিলে হৰ পায়। মোক ক'লে, "সিহঁতক কি কেয়াৰ কৰা, আমাৰ ঘৰৰ পাছ-ফালে কেন্দেল জ্বলাই চলাই দিলে কোন গবৰ্মেণ্টে জানিব? আজিকালিৰ মন্ত্ৰীবোৰৰ দিলত তাগদ নাই—চৰ মেখেলা পিন্ধাই দিব লাগে ...।"

মযো দুই চাৰিক কথাটো কাৰাত বহুজন সন্মতো হ'ল। ঘৰৰ পাছ-ফালেই গোটেই নিশা জাপি-মুখি চলোৱাত বহিয়েইনে কি কি হ'ল নাজানো—আজি কেইদিনমান দেহাত জ্বৰ, পানীলগা আৰু হাঁচি। হাঁচিৰ কোবত বুকু বিষাই যায় একেবাৰে। এজনে ক'লে যোলে এতিয়া হেমন্ত কাল চলিছেতো—পানী লাগিবই, হাঁচি আহিবই। গতিকে বেষ্টত থকা ভাল।"

ধৈণীয়ে ক'লে "কেন্সাৰেই হল নেকি—জগত ডাক্তৰক নাসোধা কেলেই?"

কথামতে গলো।

ডাক্তৰে ক'লে যে বতৰটো বেয়া, হেমন্ত কাল—অলপ সাৱধানে থাকিব লাগিছিল। যি হ'ল হ'ল—এতিয়া কম্‌প্লিট বেড ৰেষ্টত থাকিব লাগে।

ডাক্তৰৰ কথাই কথা হব নেকি? ৰেষ্টত থাকি বেমাৰক লাই দিয়াত মই নাই। ধৈণীয়ে অনুমান কৰা মতে কেন্সাৰ যদি হৈছেই তেনেহলে সেই দায়িত্ব কোনজন ডাক্তৰে লব এতিয়া? অৱশ্যে ধৈণীয়ে এটা কথা কৈ থৈছে "কেন্সাৰটোনো কি ডাঙৰ বেমাৰ, আজিকালি পানীলগা অসুখৰ নিচিনা সকলোৰে হয়। আচল কথা—মন ঠিক ৰাখিব লাগে, কাম চালু ৰাখিব লাগে। মন ঠিক ৰাখি কাম চালু থাকিলে ঘৰখনত মুহব্বতো ঠিক থাকে। ঠিকহে মুহব্বত কৰিব জানিলে অন্য মানুহকো দিলৰ

কিনাৰৈলৈ আনিব পাৰি। পতিকে কেন্সাৰ হলেও কেন্সাৰ নকৰিবা, ছোৱালী যি মাফিক বনাব খুজিছা সেই মাফিক কামত লাগি যোৱা, ডাক্তৰে এৰেষ্ট নৰলৈ কলেই শুনিবানে? আগতে জীন্দেগী বনাই লোৱা ...।"

মনো ভাবিলে,—এৰা ৰেষ্ট লোৱাৰ সময় এতিয়া নহয়, ঘৈণী আৰু কন্যাক লৈয়েই মোৰ সংসাৰখন, সিহঁতক লৈয়েই মোৰ 'জীন্দেগী'। মই ডাক্তৰৰ কথা শুনি জিৰণি থাকিলে চলিব কেনেকৈ? আৰু এটা কথাও দিয়কচোন—ঘৈণীয়ে যে কেন্সাৰৰ কথা ক'লে—সেই কেন্সাৰচোন আপোনাক তেওঁক, মোক সকলোকে লাগিছেই— পকেটমাৰ বুলি মই, চকুৰ আঁৰত থাকি গোপনীয় ঠগ-প্ৰবঞ্চনা কৰি থকা 'আপুনি' আৰু সমাজত 'ভাল মানুহ' বুলি মুখা পিন্ধি থকা সেই ভেঁওলোক'সকল'—এই সকলোকে কম্‌প্লিট ৰেষ্ট 'বেড ৰেষ্টৰ' পৰামৰ্শ দিয়া ডাক্তৰসকলকোচোন বিচাৰি নাপাওঁ.....

কথাখিনি কাৰোবাৰ আগত ৰেকৰ্ড কৰিম বুলি মইচোন এতিয়া কাকো নাপাওঁ ভেঁওলোক 'মই' হৈ গল নে মনেই ভেঁওলোক হৈ পৰিলে।"